আজি মূখ্যমন্ত্ৰীয়ে তাৰ ব্যৱস্থা গ্ৰহন কৰিব লাগিছিল যদি মাননীয় সদস্যা গৰাকীয়ে লিখিত ভাবে দিয়া কথাখিনি সচা হয়। নিৰ্বাচিত প্ৰতিনিধিয়ে লিখিত ভাবে দিয়া কথাখিনি বিশ্বাস কৰিব লাগিব আৰু গুৰুত্ব দিব লাগিব। মই সাবধান কৰি দিছো আজি মহিলা বুলি কোনোবা বিষয়াই সেই মানুহ গৰাকীক বেয়া ব্যৱহাৰ কৰি সাৰিব পাৰিলে আন হলে নোৱাৰে।

ডঃ সুৰেন দাস ঃ মই উপস্থিত আছিলো।

উপাধ্যক্ষ : পিচত কব।

শ্ৰীদুলাল বৰুৱা ঃ আমি বুজি পাইছো ইয়াৰ কেৰোণ কত আছে। মূখ্যমন্ত্ৰীয়ে নাজানে আৰু জনাটো সম্ভৱপৰ নহয়। আজি কোনোবা বিষয়া বদলি কৰাৰ সম্পৰ্কত আমি কোৱা কথাৰ কোনো গুৰুত্ব নাই। কিছুমান বিষয়াৰ বিষয়ে বহু কেইজন মন্ত্ৰীক জনোৱা হৈছে। ৮-১০ বছৰ হল কিছুমান বিষয়া জাগাই জাগাই আছে। তেওঁলোকে দূৰ্নীতিক প্ৰশ্ৰয় দি আছে। চৰকাৰক জনোৱা হৈছে কিন্তু লৰাব পৰা নাই। কাৰণ বুজি নাপাও। মই গগৈ ডাঙৰীয়াৰ লগত একমত। ইয়াৰ কেৰোণ কত তেখেতে উলিয়াইছে। আমি কাৰ নিৰ্দ্দেশ মতে চলিম ? আমি আপোনাৰ আৰু অধ্যক্ষৰ নিৰ্দ্দেশ মতে চলিব পাৰো। মূখ্যমন্ত্ৰীয়ে ৰাজহুৱা কামৰ ক্ষেত্ৰত দিয়া পৰামৰ্শ অনুসৰি চলিব পাৰো। আমাক আজি এনে এটা অৱস্থালৈ ঠেলি দিয়া হৈছে যে আমি সন্মান ৰাখি কাম কৰিব নোৱাৰো। গতিকে টকা দিয়াৰ সম্পৰ্কত মই কৈছো যে কব লগা বিশেষ নাই। আমাৰ বিধান সভাৰ সদস্য সকলৰ সন্মান ৰক্ষা কৰি নিকা ভাবে ৰাইজৰ সেৱা কৰিবলৈ সুবিধা দিয়া হব নে নহয় ? অকল মন্ত্ৰী সকলৰ ভ্ৰমন বানচ লৈ ব্যস্ত থাকিলে জনসাধাৰণৰ এই শাসন যন্ত্ৰটোৱে কিবা কৰিব পাৰিব নেকি ? অন্যহাতে কব বিচাৰিছো যে ৰাজধানী স্থানান্তৰ কৰা হল। মূখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছিল যে নবেম্বৰ মাহৰ ভিতৰত সকলো বিলাক বিষয়া আহিব লাগে। কিন্তু তেওঁ-লোকৰ থকা মেলাৰ ইত্যাদিৰ সম্পৰ্কত কিবা চিন্তা কৰা হৈছিলনে ? বিশেষকৈ তল শ্ৰেনীৰ যিসকল বিষয়া আছে। মন্ত্ৰী সকলৰ ভ্ৰমন বানচ ঠিককই আছে। এই দুখীয়া শ্ৰেনীৰ মানুহ খিনিক আজি ইয়াত ৰাখি তেওঁলোকৰ লৰা ছোৱালীক পঢ়োৱাৰ বন্দবস্ত কৰা হৈছিলনে ? বিষয়া সকলে গাইগোটীয়া ভাবে থাকিব পাৰে।

কিন্তু এই তল শ্ৰেনীৰ বিষয়া সকলৰ উঠি অহা কন কন লৰা ছোৱালী বিলাকৰ ভবিষৎ সম্পৰ্কে কিবা চিন্তা কৰিছেনে? সিদিনা মই খোজ কাঢ়ি যাওতে এজন বন্ধুক লগ পালো। লৰা ছোৱালী বিলাক লৈ ৰৈ আছে। লৰা ছোৱালী বিলাকক পঢ়াব পৰা নাই। স্কুল নাই পঢ়োৱাত অসুবিধা হৈছে। ১-২ বছৰলৈ ৰৈ এই লৰা ছোৱালী বিলাকৰ ভবিষ্যৎ ধ্বংস হৈ যাব। দিচপুৰত এই তল শ্ৰেনীৰ বিষয়া সকলৰ থকা মেলাৰ ব্যৱস্থা কৰি দিব পৰা নাই। শাসন যন্ত্ৰটো হয়াত আছেনে খিলঙত আছে কব নোৱাৰো। আমি থকা ঘৰ বিলাক আছিল ৩য় আৰু ৪ৰ্থ শ্ৰেনীৰ চাকৰিয়ালৰ কাৰণে। তাত মানুহ থাকিবলৈ পৰাকৈ দিয়া হোৱা নাই যেন ৪ৰ্থ শ্ৰেনীৰ মানুহ নহয়। এজন পিয়নৰ লৰাই আই, পি, এচ, আই, এ, এচ বিষয়া হোৱাৰ ক্ষমতা নাই নেকি? সেই সকলৰ পৰাই আই, পি, এচ হোৱাৰ দৃষ্টান্ত আছে। গতিকে আজি কি নৈতিক অধিকাৰ আছে যে এই মানুহ বিলাকৰ লৰা ছোৱালীক গড়ালত ৰাখি তেওঁলোকৰ ভবিষ্যৎ ধ্বংসৰ পথলৈ ঠেলি দিব পাৰে। এই মানুহ খিনিক আজি মূখ্যমন্ত্ৰীয়ে চোৱাৰ বন্দবস্ত কৰিব লাগিছিল নিশ্চয়। কৰা নাই। মোৰ বন্ধু গ,গ ডাঙৰীয়াই কৈছে যে দুই এজন বিষয়া মূখ্যমন্ত্ৰীৰ চেলৰ যোগেদি ধৰা হৈছিল। সেইবিলাক বহু দিন আগতে ধৰিব লাগিছিল। মূখ্যমন্ত্ৰীয়ে আজি কি কৰিবলৈ ওলাইছে। মই কাকো বদনাম দি কৰ খোজা নাই। এজন মণ্ডলে নিযুক্তিৰ সম্পৰ্কত ৰাজহ মন্ত্ৰীৰ ওচৰত আপিল কৰিছিল। মন্ত্ৰীয়ে জানে নে নাই কব নোৱাৰো আপিল কৰাৰ পিচত ৰেচপনডেণ্ট আৰু এপ্পিলেণ্টক মাতিব লাগে। কিন্তু মাতিলে ৰেচপেনডেণ্টক আৰু ডিচিচন দি দিলে। দুয়োকে মাতিব লাগিছিল।

Mr. Deputy Speaker : The House Stands Adjourned till 2 P.M.

## AFTER LUNCH

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : উপাধ্যক্ষ মহোদয়, মই সাধাৰণ প্ৰসাশনৰ ওপৰত ব্যয় আদিৰ সম্পকত, দুৰ্নীতি আদিৰ সম্পৰ্কত আগবেলা কিছু কথা উল্লেখ কৰিছিলো। মই আৰু কেইটামান কথা সদনৰ আগত ডাঙি ধৰি মোৰ বক্তব্যৰ সামৰণি মাৰিম।

আজি আমি মিতব্যয়িতাৰ কথা কৈছো। কিন্তু মিতব্যয়িতা সম্পৰ্কে আমি বা মন্ত্ৰী সকলে এটা বিশেষ ধৰণৰ আদৰ্শ দেখোৱা দৰকাৰ। কিন্ত উপাধ্যক্ষ মহোদয়, মই দুখেৰে সৈতে জনাব লগীয়া হৈছো যে আজি আমাৰ ইয়ালৈ ৰাজধানী অনা হল কিন্তু এই অৱস্থাত মন্ত্ৰী সকলৰ দুটা হেড কুৱাটাৰ আছে। এটা ইয়াত আছে আৰু আনটো চিলঙত আছে। কিন্তু দেখা গৈছে আৰু আমি খবৰ পোৱা মতে, মূখ্য মন্ত্ৰীয়ে এইটো ভালকৈ কব পাৰিব ইয়াত ১০ দিনৰ ওপৰ থাকিলে ডি এ আদি নাপায়। সেই কাৰণে ইয়াত কেইদিনমান থাকি ১০ দিনৰ আগতেই চিলঙলৈ গুচি যায়। নহলে ডি এ নাপায়। এই দৰেই তেওঁলোকে ডি এ লৈ থকা দেখা গৈছে। চৰকাৰে এই দৰে মিত-ব্যয়িতাৰ কথা কৈ থকা চৰকাৰৰ মন্ত্ৰী সকলে এনে ধৰণেৰে টকা লৈ থকাটো উচিত হোৱা নাই। বিশেষকৈ আমাৰ দেশৰ অৰ্থনৈতিক সংকটৰসময়ত এইদৰে মন্ত্ৰী সকলে কৰাটো উচিত হোৱা নাই।

আৰু এটা কথা মই কব বিচাৰিছো যে যিসকল তৃতীয় চতুৰ্থ শ্ৰেনীৰ কৰ্মচাৰী ইয়ালৈ অনা হৈছে তেওঁলোকে চিলঙত যিটো কমপেনচেটৰী এলাউন্স পাইছিল সেইটো ইয়াত দিয়া হোৱা নাই। আনহাতে বিভিন্ন বিভাগৰ যিবিলাক উচ্চ পৰ্য্যায়ৰ কৰ্মচাৰী ইয়ালৈ আহিছে সেই সকলে প্ৰজেক্ট এলাউন্স ভোগ কৰি আছে। সেইটো কি যুক্তিত কৰিছে মই মূখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো। আৰু লগতে মন্ত্ৰী সকলে অহা যোৱা কৰাৰ বাবদ কিমান টকা খৰচ হৈছে সেইটোও জনাব লাগে।

আনহাতে, উপাধ্যক্ষ মহোদয়, আজি দেখা গৈছে ইয়ালৈ যিসকল মানুহ আনি ৰখা হৈছে মই আগতেই কৈছো তেওঁলোকৰ লৰা ছোৱালীৰ শিক্ষাৰ ব্যৱস্থা কৰা হলে আমাৰ আপত্তি একো নাথাকিলে হেতেন। ইয়ালৈ যিবিলাক দুখীয়া শ্ৰেনীৰ কৰ্মচাৰী আহিছে তেওঁলোকৰ লৰা ছোৱালীৰ ভবিষ্যৎ কি হব। এইবিলাক কথা মূখ্যমন্ত্ৰী ডাঙৰীয়াই ভাবি চোৱা উচিত হব।

উপাধ্যক্ষ মহোদয়, মূখ্যমন্ত্ৰীয়ে দূৰ্নীতি নিবাৰণ কৰিবলৈ যি বিলাক প্ৰচেষ্টা চলাইছে সেইবিলাক দেখি আমি ভাল পাইছো। কিন্তু আজি এনেকুৱা কিছুমান কথা আমি দেখিবলৈ পাইছো যে যিবিলাক কৈ শেষ কৰিব নোৱাৰো।

আজ্জি সমাজ গঠন কৰিবলৈ শিক্ষাই হৈছে প্ৰথম কথা। শিক্ষা বিভাগত যি দুৰ্নীতিয়ে বাহ লৈছে, স্কুল কলেজ বিলাকত টকা আত্মস্যাত কৰাৰ যি ধুমুহা হৈছে সেইবিলাকৰ ব্যৱস্থা মুখ্য মন্ত্ৰী মহোদয়ে কৰিব বুলি আশা কৰিলো।

এতিয়া পুলিচ বিভাগৰ কথা দুটামান কৈ মই সামৰণী মাৰিব খুজিছো। তাৰ আগতে মই এটা পৰামৰ্শ আগবঢ়াব খুজিছো। সেইটো হল মূখ্য মন্ত্ৰীয়ে তেখেত সকলৰ পাৰ্টিৰ ফালৰ পৰা এটা ষ্টেনদিং কমিতি কৰি দিছে। কিন্তু গনতান্তিক পদ্ধতি অনুসৰি এইটো কনচালটেটিভ কমিতি হে আছে। আজি লোকসভাত কংগ্ৰেছ চৰকাৰৰ দিনত দুয়ো পক্ষৰ পৰা সদস্য ধৈ কমিতিখন মন্ত্ৰীক সহায় কৰিবলৈ দিয়া হয়। কিন্তু আমাৰ ইয়াত ওলোটাটো হৈছে। আৰু অন্যান্য ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে আমাৰ শাসন যন্ত্ৰটোত সকলো ফালৰ পৰা ৰাজনৈতিক প্ৰবাহ চলিব লাগিছে। উদাহৰণ স্বৰূপে মই উদ্যোক বিভাগৰ এটা কথা কব বিচাৰিছো যে স্মল স্কেল ইন্দ্ৰাষ্টিজ ডেভেলপমেণ্ট কৰপৰেচন কৰা হল তাত সদস্য লোৱা হল কিন্তু যিসকলক সদস্য লোৱা হল সেই সকল লোনি আছিল। তেওঁলোকে ধাৰ মাৰিবলৈ বাকী থকা স্বত্বেও তেওঁলোকক বৰ্ডৰ ডিৰেক্টৰ কৰি দিয়া হৈছে। উদ্যোগৰ যি আইন আছে সেই আইনে তেওঁলোকৰ নিয়োগৰ বিৰোধিতা কৰে। আজি সকলোতে দেখা গৈছে যে ৰাজনৈতিক দিশলৈ লক্ষ্য ৰাখি সমাজৰ সকলোতে ৰাজনৈতিক বীজ ৰোপণ কৰিবলৈ গৈছে।

আজি পুলিচৰ শিতানত যি মঞ্জুৰীৰ দাবী আহিছে তাৰ কাৰণে আমি ভাল পাইছো। তাৰ কাৰণে আমি আপত্তি কৰা নাই। পুলিচৰ ঘৰ ডুৱাৰ সাজি দিয়াৰ ক্ষেত্ৰত বিশেষ মনোযোগ দিয়া উচিত। আজি দেখা গৈছে যে পুলিচ বিভাগটোক এই দৰে সমালোচনা কৰি বা গালি পাৰি ভাল কৰিব নোৱাৰি। পুলিচ বিভাগটোক ভাল কৰিবলৈ হলে সিদিনা ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াই কোৱাৰ দৰে মৰিলিটিৰ ওপৰত জোৰ দিব লাগিব। আৰু যি বিলাক সা সুবিধা দিব লাগে সেইবিলাক দিয়া দৰকাৰ। কিন্তু দেখা গৈছে আচনি বিলাক আচনি হৈয়ে আছে। ঘৰ-ডুৱাৰৰ ক্ষেত্ৰত কোনো ব্যৱস্থা লব পৰা নাই। আজি যোৰহাট নগৰখন বাঢ়ি গৈছে। তাত এনেকুৱা ধৰণৰ ঘটনা হৈছে যে পুলিচ কনিষ্টবল সকল থকা বেৰেকত বৰষুণ পৰে আৰু তেওঁলোক বাৰান্দাত থাকিব লাগে। কিন্তু ইয়াৰ প্ৰতিকাৰৰ

কোনো ব্যৱস্থা আজিলৈকে হোৱা নাই। এই সম্পৰ্কত মূখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। অকল যোৰহাট নগৰতেই নহয় যত যিবিলাক ঠাইত যি ব্যৱস্থা কৰিব লাগে সেই ধৰণেই কৰিবলৈ মই মূখ্য মন্ত্ৰী ডাঙৰীয়া দৃষ্টি আকৰ্ষণ কৰিলো লগে লগে আধুনিকীকৰণ কাৰণে যি ব্যৱস্থা কৰিছে সেই বিলাক কৰিব লাগে। আজিকালি নানা ধৰণৰ অপৰাধৰ সংখ্যা বাঢ়িছে। সেইবিলাক ৰোধ কৰিবলৈ আধুনিক পদ্ধতিৰে কাম নকৰিলে আন উপায় নাই। কাৰণ এই অপৰাধ বিলাকৰ মোদাচঅপাৰেণ্ডি প্ৰত্যেকৰে বেলেগ বেলেগ। শ্ৰীগগৈ ডাঙৰীয়াই এটা কথা কৈছে যে এই অনুস্থানটোৱে ৰাইজক ৰক্ষনা বেক্ষন দিবলৈ অপৰাগ হৈছে তাৰ ঠাইত তেওঁলোকৰ উতভণ্ডালি বেচি হৈছে। উদাহৰণ স্বৰূপে যোৰহাট নগৰৰ কেইজনমান বিষয়াৰ কথা কওঁ। তাৰ চাৰকুল ইন্সপেক্টৰ জনে ৰাতি গৰম পানী নহলে চলিব নোৱাৰে। ৰাতি ১২ বজাত তেওঁ ওলায় আৰু ইচ্ছা মতে যলৈ তলৈ গৈ ৰাইজক অত্যাচাৰ কৰিছে। আৰু তিৰোতাৰ ওপৰত অত্যাচাৰ কৰিছে। যোৱা ৮ অক্টোবৰৰ দিনা ৰাতি ৰবৈয়ালৈ গৈ এঘৰ বিশেষ মানুহৰ ঘৰত সোমাই বহুতো অত্যাচাৰ কৰে আৰু তিৰোতাৰ ওপৰত অত্যাচাৰ চলায়। তেতিয়া সেই গাৱৰ মানুহে আপত্তি কৰাত গাৱৰ মানুহকো অত্যাচাৰ কৰে। এই ঘটনা সংক্ৰান্তত ডিচিক আপত্তি কৰা হৈছিল আৰু ময়ো গৈছিলো কিন্তু তাৰ কোনো প্ৰতিকাৰ নহল। এই দৰেই চৰকাৰী কৰ্মচাৰীয়ে ৰাজনৈতিক মানুহ হিচাবে কাম চলাবলৈ লৈছে।

উপাধ্যক্ষ মহোদয়, কব নোৱাৰো হয়তো বিৰোধী দলৰ সদস্য বুলি আমাক সন্মান কৰা নহয়। ১১ অক্টোবৰ তাৰিখে পানীচকোৱাৰ ছুখীয়া এগৰাকী তিৰোতাৰ ওপৰত বলাতকাৰ কৰা হ'ল, চিঞৰ বাখৰ কৰিলে, মানুহ আহিল, পুলিচৰ আউট-পোষ্টত খবৰ দিয়া হ'ল, একো নহ'ল মানুহজন মোৰ ওচৰ চাপিল, মই কিবা ব্যৱস্থা লবলৈ লিখি দিলো, মানুহজন আকৌ গ'ল কিন্তু আচৰিত কথা তেওঁক আকৌ বেছিকৈ মাৰপিত কৰা হ'ল। এই ধৰণে শাসন যন্ত্ৰ চলিছে। আনহাতে আমগুৰীত আমি দেখিছো যোৱা চেপ্তেম্বৰ মাহত যি দকাইটি হৈছিল, আমি জানো সেই দকাইটি কৰিবলৈ বাহিৰৰ পৰা বেলেগ লোক অহা নাছিল, পুলিচে দকাইটি কৰিছিল, পুলিচৰ উচ্ছ পদস্থ বিষয়াই এই কাৰ্য্যত জৰিত আছে, তেওঁলোকৰ উচটনিত কিছুমানে ৰাষ্টাত ধৰি লুটপাত কৰিছিল। এই বিষয়ে চৰকাৰে কোনো অনুসন্ধান নকৰিলে। আমি দাবী জনাইছো এনেকুৱা কামত লিপ্ত থকা বিষয়া

সকলক শাস্তিবিধান কৰিব লাগে। আজি এই চৰকাৰ অফিচাৰৰ প্ৰতি ইমান হেয় হৈছে তাৰ এটা উদাহৰণ দিও মোৰ সহকৰ্ম্মী শ্ৰীকোষেশ্বৰ বৰাই তেখেতৰ অঞ্চলৰ অথাৎ বিশ্বনাথ চাৰিআলিৰ দাৰোগা আৰু ইন্সপেক্টৰজনৰ বিষয়ে লিখিত অভিযোগ জনালে—যোৱা ভাষা আন্দোলনৰ সময়ত তেওঁলোকে তাত যি ৰোল কৰিলে আন কি বিবাহিত নাৰীক ধৰ্ষণ কৰাৰ পৰা বাদ নপৰিল। বিধান সভাত এই বিষয়ে কোৱা স্বত্বেও আৰু ৰাজহুৱা ভাবে অভিযোগ দিয়া স্বত্বেও তেওঁলোকৰ ওপৰত কোনো ব্যৱস্থা লোৱা নহ'ল আনকি বদলি পৰ্য্যন্ত কৰা নহ'ল। গতিকে নাৰী ধৰ্ষণৰ নিচিনা অপৰাধী এজন বিষয়াৰ ওপৰত চৰকাৰে কিয় ব্যৱস্থা লব নোৱাৰে বিচাৰ্য্যৰ বিষয়। গতিকে ৰাইজৰ এই শাসন যন্ত্ৰৰ প্ৰতি শ্ৰদ্ধা কমি গৈছে। গতিকে আশাকৰো ৰাইজৰ আস্থা ঘূৰাই আনিব দূৰ্নীতিপৰায়ন বিষয়াসকলৰ ওপৰত যথোচিত ব্যৱস্থা লব।

শেষত মই উত্তৰ লক্ষীমপুৰৰ এটা কথা কৈ শেষ কৰিম। উত্তৰলক্ষীমপুৰক জিলাত ৰুপায়িত কৰিবলৈ নানাধৰণৰ বাধা প্ৰদান কৰা হৈছে। এই জিলাখনত পুলিচ প্ৰশাসন বা অন্যান্য প্ৰশাসনৰ ক্ষেত্ৰত বেছি গুৰুত্ব দিব লাগে। অন্য জিলাৰ তুলনাত এই জিলাখন বহুত পিছপৰি আছে। বিশেষকৈ ধেমাজী অঞ্চলত বিশেষ চকু দিবলৈ দাবী জনাই বক্তৃতাৰ সামৰণি মাৰিলো আৰু কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

**শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :** উপাধ্যক্ষ মহোদয়, সাধাৰণ প্ৰশাসন আৰু সচিবালয় প্ৰশাসন আদি বিভাগৰ যি কৰ্ত্তন প্ৰস্তাৱ আহিছে তাক মই সমৰ্থন কৰি দুষাৰ-মান কব খুজিছো। চৰকাৰী যন্ত্ৰটো যি ধৰণৰ হোৱা উচিত আছিল তাৰ ওলোটা দেখা গৈছে। আজি এই প্ৰশাসনত আমাৰ জনপ্ৰতিনিধিৰ কোনো মূল্য নাই। আমি সকলো ক্ষেত্ৰতে লাঞ্চিত হব লাগে আৰু আমাৰ কোনো কথাই নৰজে। ইয়াৰ গুৰিতে এই কেৰোন থকা প্ৰশাসন। গতিকে আমি ভাল প্ৰশাসন যন্ত্ৰ আশা কৰিব লাগিলে, আমাৰ চৰকাৰে দৃঢ় প্ৰদক্ষেপ দিব লাগিব। ইয়াৰ এটা সংশোধন নহলে প্ৰশাসন যন্ত্ৰ নিকা হব নোৱাৰে। আমাৰ যিবিলাক জিলাধিপতি বা মহকুমাধিপতি তেওঁলোকৰ এই জনপ্ৰতিনিধি বিলাকৰ লগত কোনো সম্পৰ্ক নাই। তেওঁলোকে মৰ্য্যদা দিব নাজানে। মই ভাবো এখন গণতন্ত্ৰৰ দেশত

জনপ্ৰতিনিধি এজনৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে। গণতান্ত্ৰিক নাম লৈ আমাৰ প্ৰসাসন আমোলাতান্ত্ৰিক হোৱাতো গঢ়িত কাম। উদাহৰণ স্বৰূপে মোৰ গোলকগঞ্জ সমষ্টিৰ যিজন বি ডি ও তেওঁ এজন লোকেল মেন আৰু বিগ পোলিটিচিয়ান। তেওঁৰ জনপ্ৰতিনিধিৰ লগত যি সম্পৰ্ক ৰাখে আৰু ব্যৱহাৰ কৰে তেওঁ কোনো মৰ্য্যদা নিদিয়ে। আনহাতে তেওঁ জনসাধাৰণক বিভ্ৰান্ত কৰিছে। এই বিষয়ে আমাৰ মাননীয় পঞ্চায়ত মন্ত্ৰীক দেখুৱাইছো। এইটো ঠিক যে প্ৰশাসন শক্তিশালী কৰিব নোৱাৰিলে এইবিলাকৰ কোনো আশু সমাধান নহয়। এই ক্ষেত্ৰত বি, ডি, অ'ই কোনো ৰাজনৈতিক নেতা বা জন নেতা কথা অলপো কাণসাৰ কৰা নাই। সকলোৱে ইয়াত অপমানিত হৈছে। এই বিষয়ে ডি, চি, ৰ ওচৰত ৰিপৰ্ট দিছো—কিন্তু কোনো কাম হোৱা নাই। ইফালে নানা দুৰ্নীতি চলিয়েই আছে—তাত গণতন্ত্ৰৰ বিলুপ্তি হৈছে। জনসাধাৰণে চৰকাৰৰ কোনো বিচাৰ পোৱা নাই। আজি চৰকাৰৰ আমোলাতন্ত্ৰৰ শাসনৰ দ্বাৰা জনসাধাৰণ মহীমূৰ হৈ গৈছে। সেইকাৰণে মই এই আমোলাতান্ত্ৰিক শাসনৰ আমোল পৰিবৰ্ত্তন বিচাৰিছো। যদি মন্ত্ৰীসকলে বা দলৰ নেতাই সেই ঠাইত ভোট পোৱাৰ আশাত অফিচাৰৰ সহায় বিচাৰে বা অফিচাৰ বিলাকৰ সহায় লব লগা হয়— তেনেহলে তাত ম্যোৰ কবলগীয়া একো নাই।

তাৰ পাছত মই পুলিচ বিভাগৰ কথা কব বিচাৰিছো। বহুতবাৰ আপত্তি কৰাৰ পাছত ৰাজ্যিক মন্ত্ৰীয়ে সীমান্ত অঞ্চলত কাম কৰিবৰ কাৰণে ১১ খন গাড়ী দিলে। তাৰে এখন জীপ দিছিল আৰু মোৰ সমষ্টিতো। সেইটো হল চৰকাৰৰ স্পেচিয়েল এৰেঞ্জমেণ্ট। এখন মাত্ৰ গাড়ী মোৰ সমষ্টিত দিছে— কিন্তু সেইখন কোনো ধৰণে গৈ নাপায়গৈ। তাত ড্ৰাইভাৰো নাই। অ, চি জনে নিজে ঠেলি নি থানা পোৱাবগৈ লাগে। অ, চি, বেচেৰা কি কৰিব তেওঁতো এচ, পিৰ ওপৰত একো লিখিব নোৱাৰে। এনেধৰণে যদি সীমান্তৰক্ষী বা পহৰাদাৰী সকলৰ কাম চলিব লগা হয় তেনেহলে কোনো উৎসাহ নোপোৱাকৈ অ, চি জনে কেনেকৈ কাম কৰিব? গতিকে সীমান্তত বৰ্ত্তমান যিবিলাক অসহনীয় কাৰ্য্য চলিছে তাত জনসাধাৰণে জীয়াই থকাতো দুৰূহ হৈছে, তাতোতকৈ মৰণেই ভাল। তাৰোপৰি বি, এচ, এফ'ৰ মানুহবিলাক সীমান্তত থকা মানুহৰ উৎপাদন হোৱা সকলো বয়-বস্তু চিজ্‌ কৰি লৈ আনে। গাভ্লিকে নিজৰ উৎপাদিত বস্তু

বজাৰলৈ লৈ আনিব নোৱাৰে। বাটতে স্মাগলিং কৰা বুলি চিজ্ কৰে। আন-হাতে যি সকলে বাংলাদেশৰ পৰা বস্তু আনি স্মাৰ্গলিং কৰে সেইসকলৰ পৰা ঘোঁচ খাই এৰি দিয়ে। কেতিয়াবা সেই স্মাৰ্গলিং কৰা লোকসলৰ লগতে একে-লগে বহি আড্ডা মাৰি থাকে। এই বিষয়ে কামানডেণ্টক ৰিপৰ্ট দিয়া হৈছিল, কিন্তু কোনো কাম নহল।

তাৰ পাছত আমাৰ সংবিধানত সুবিধা আছে যে সীমামৰীয়লি অঞ্চলৰ কাৰণে বিশেষ সুবিধা দিয়াৰ প্ৰয়োজন। বেচা-কিনাৰ বাবে বজাৰ আদি ব্যৱস্থা কৰি দিব লাগিছিল ঃ কিন্তু সেইটোও আমাৰ চৰকাৰে কৰি নিয়া নাই। মেঘা-লয়ৰ মুখ্যমন্ত্ৰী কেপ্তেইন উইলিয়মচন চাংমাই তাহানি কৈছিল সীমামৰিয়লী অঞ্চলৰ লোকসকলে বেচা-কিনাৰ সুবিধা পাব। এই ক্ষেত্ৰত আমাৰ চৰকাৰ যদি দুৰ্ব্বল হয়, তেনেহলে সীমান্তৰ ভিতৰত থকা ৰাইজে বহুবিলাক অসুধিধা ভোগ কৰিব লাগিব। সেইকাৰণে যাতে তেনেকুৱা অসুবিধা নহয় তাৰ বাবে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

তৃতীয় কথাটো হল চুৰক ধৰিবৰ বাবে যদি নাম ধৰি দিয়ে তেনেহলে চুৰক নধৰে। আনহাতে চুৰৰ নাম ধৰি নিদিলে তেওঁলোকে ধমকি দিয়ে যে চুৰক নধৰিলে কিয় ? টকা দিলে চুৰ ধৰে নিদিলে চুৰ নধৰে। পুলিচে নিৰ্দ্দিষ্ট কৰি কৈ দিয়ে—কোন ঘৰত চুৰ কৰিব, কোন ঘৰত চুৰ নকৰে অথচ টকা নিদিলে চুৰক ধৰিবলৈ নাযায়। পুলিচে মিছাতে কয় যে চুৰ বাংলা দেশৰ পৰা আহিছিল আচলতে তেওঁলোকেই চুৰ কৰিবলৈ সুবিধা দিয়ে। ডকাইটবিলাকৰ লগ লাগি পুলিচক চাহ-ভাত খোৱা দেখিবলৈ পাওঁ। ডকাইট ধৰিবৰ বাবে আৰু তেওঁলোকৰ কৌশলৰ বাবে মিলা-মিচা কৰক-তাত আমাৰ আপত্তি নাই, কিন্তু নিজৰ দায়িত্বৰ প্ৰতি পাহৰিলে কেনেকৈ হয়। উদাহৰণস্বৰূপে কওঁ– মই দুখন দৰ্খাস্ত ৰাজ্যিক গৃহমন্ত্ৰীক দিছো। জুন মাহত ভি, ডি, পি, য়ে চুৰ ধৰি দিছে, কিন্তু কেচ এনট্ৰি কৰা নাই। টকা নিদিলে কাম নহয় সেইকাৰণে এনেবিলাক ক্ষেত্ৰত মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো যে এইবিলাকত নজৰ ৰাখি কাৰ্য্যকৰী ক্ষমতা প্ৰয়োগ কৰে। দেশৰ আৰু ৰাইজৰ মঙ্গলৰ কাৰণে যাতে ভাল বাতাবৰণ সৃষ্টি হয় আৰু প্ৰশাসন যন্ত্ৰটো

ভাল নহলে ৰাইজ কেতিয়াও সুখী হব নোৱাৰে। ৰাইজেই ৰজা এইটো-ৱেই হল গণতন্ত্ৰৰ মূল নীতি। এই নীতিটো এতিয়া বেলেগ বস্তুহে হব ধৰিছে। অৱশ্যে আমাৰ পুলিচ বিলাককো যথেষ্ট সুবিধা দিয়া দৰকাৰ।

শেষত মই এটা কথা কওঁ যে আমাৰ সীমান্তৰ যিবিলাক পেট্ৰল পোষ্ট আছে সেইবিলাকৰ অৱস্থা অতি বেয়া। বৰষুণত থাকিব লগা হয়। আগমণিৰ পুলিচ আউট পষ্টটো ভাঙি গৈছে। তেওঁলোকে ২৪ ঘণ্টা কাম কৰে—সেই-কাৰণে তেওঁলোকক অধিক সুবিধা দিব লাগে। তাৰ পাছত ৰেচনিংৰ বিষয়ে কওঁ—পুলিছে লাইনত গৈ ঠিয় হব নোৱাৰে। গতিকে তেওঁলোকে তাত বস্তু পোৱা টান। তেওঁলোকৰ পৰা ভাল কাম আদায় কৰিবলৈ হলে সকলোখিনি সুবিধা দিব লাগিব। যাতে কোনো বাধাবিঘিনী তাত হব নোৱাৰে। ইয়াকে কৈ সামৰণি মাৰিলো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এই বিধান সভা দিচপুৰলৈ অহাত আৰু সচিবালয় চিলঙত থকাত এই অজুহাতত ভ্ৰমণ বানচ বৃদ্ধি কৰি যধে মধে বিত্তীয় অনুদান লবলৈ বিচৰা হৈছে। এতিয়া বিধানসভা এঠাইত, আৰু সচিবালয় এঠাইত থকাৰ বাবে এইটো এটা সুযোগ হৈছে। আমাৰ মন্ত্ৰী সকলে, বিষয়া সকলে যধে মধে ভ্ৰমণ কৰে। আমাৰ মূখ্য মন্ত্ৰী মহোদয়ে তেখেঁতে শাসনভাৰ লোৱাৰ পিছতে ভ্ৰমণ আদি হ্ৰাস কৰাৰ কথা কৈছিল। কিন্তু আজি সেই আশ্বাস নাইকিয়া হৈ গৈছে। আজি যেনেকৈ পাৰে ভ্ৰমণ কৰি চৰকাৰৰ ৰাজহৰা ধনৰ অপব্যয় কৰা দেখিবলৈ পোৱা গৈছে। আমি আমাৰ বিষয়াসকলৰ কথাই নকও, বিষয়া সকলৰ আগতে আমাৰ এই আদৰ্শ বিলাক আমাৰ মন্ত্ৰী সকলেই দেখুৱা হৈছে। তেখেত সকলে একে ঠাইলৈকে কেইবাজনো মন্ত্ৰী ভ্ৰমণ কৰিবলৈ যায় আৰু এই ভ্ৰমণ ৰাজহৰা স্বাৰ্থত কৰা হৈছেনে বা চৰকাৰী কামত কৰা হৈছে নে ব্যক্তিগত কামৰ কাৰণে হৈছে সেইটো বুজা টান হৈ পৰিছে। সেইকাৰণে আজি এই ধৰণে এই পৰিপূৰক দাবীৰ অতিৰিক্ত ধন বিচাৰি দাবী অনা হৈছে সেইটোৰ মই বিৰোধীতা কৰিছো। আমাৰ বিত্তীয় অৱস্থা এতিয়া একেবাৰে বেয়া। গতিকে এনে অৱস্থাত ভ্ৰমণৰ বাবে অতিৰিক্ত ধন বিচৰাত মই বিৰোধিতা কৰিছো।

অধ্যক্ষ মহোদয়, এই বিষয়ে যথেষ্ট আলোচনা হৈছে। গতিকে মই এই কথা বিলাককে পুনৰাবৃত্তি কৰিবলৈ নিবিচাৰো। এই ৫ নং দাবীৰ ওপৰত পুলিচ প্ৰশাসনৰ ওপৰত দুষাৰমান কৈ মই মোৰ বক্তব্য সামৰিম। পুলিচ বিষয়া সকলৰ ঘৰ দুৱাৰ নিৰ্ম্মানৰ কাৰণে যি টকা বিচৰা হৈছে, তাত আমাৰ আপত্তি কৰিবলৈ একো নাই। আমাৰ যিটো পুলিচ কমিচন হৈছিল, সেই কমিচনে তেওঁলোকৰ ৰিপোৰ্ট দাখিল কৰিছে আৰু সেইটো চৰকাৰে গ্ৰহন কৰিছে। পুলিচ বিষয়া সকল বা চাকৰীয়াল সকল বা কনিষ্টবল সকলৰ থকা মেলা সা-সুবিধা দিয়া কৰ্ত্তব্য। কিন্তুসেই ৰিপৰ্ট বিলাকত এনে কিছুমান কথা আছে যিবিলাকত চৰকাৰে কোনো গুৰুত্ব দিয়া দেখা নাই। আজি যিবিলাক পুলিচৰ চকি বা আৰক্ষী চকি উপযুক্ত ধৰণে নিৰ্ম্মান কৰা কথা আছে সেইমতে কৰা হোৱা নাই।

অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক পুলিচ থানা আছে সেইবিলাকত আচামী থোৱাৰ যিবিলাক ঠাই সেইবিলাক দেখিলে দুখলগা। সকলো আচা-মীয়েই চোৰ বা ডকাইত নহয়। নিৰপৰাধী মানুহো কেতিয়াবা আচামী হৈ থাকিবলগা হয়। আচামী থকা ঠাই যাতে অন্ধকুপ নহৈ মানুহ থাকিব পৰা হয় তাৰ বাবে পুলিচ কমিচনেও পৰামৰ্শ দিছিল। সেইবিলাক নিৰ্ম্মান কৰা বা নতুন ধৰণে স্বাস্থ্য জনিত ভাবে নিৰ্ম্মান কৰাৰ কোনো ব্যৱস্থাই চৰকাৰে আজি পৰ্য্যন্ত হাতত লোৱা নাই। ইয়াৰোপৰি পুলিচ প্ৰশাসনৰ ওপৰত কিছুমান কথা কোৱা হৈছিল। আজি আমাৰ দেশত আমি দেখিবলৈ পাইছো আৰু পুলিচৰ শিতানত যিমানেই অনুদান বঢ়াই গৈ নাথাকক লাগে আমাৰ দেশৰ অপৰাধৰ সংখ্যা দিনে দিনে বাঢ়ি গৈ আছে। এই অপৰাধৰ সংখ্যা হ্ৰাস কৰিবৰ কাৰণে কোনো প্ৰচেষ্টা চলোৱা নাই বা কৰিব পৰা নাই। মহোদয়, মই এইখিনিতে এটা কথা উল্লেখ কৰিব খোজো যে, আৰু আমাৰ গৃহমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে, অলপতে নলবাৰীত এটা ঘটনা ঘটে। এজন মানুহে এজন পুলিচ বিষয়া আৰু কেইজনমান কনিষ্টবলৰ ওপৰত অভিযোগ মেজিষ্ট্ৰেতৰ ওচৰত দিছিল। আচামী বিচাৰি গৈ পুলিচে ৰাতি কোনো পৰুষ মানুহ নথকা অৱস্থাত সেই আচামীজনৰ বোৱাৰীয়েক আৰু গাভৰু জীয়েকৰ ওপৰত অত্যাচাৰ কৰে। সেই আচামীজনৰ নাম আছিল মঃ পচন আলি। পিছত সেই আচামী জনক জামিনত দি পুনৰ তেওঁ গোচৰ দিয়াৰ কাৰণে তেওঁক এৰেষ্ট কৰা হয়

যাতে তেওঁৰ ঘৰত অত্যাচাৰ কৰিব পাৰে। সেই মানুহজনে দিয়া প্ৰতিলিপি এচ, পি, আই, জি পি, আৰু মন্ত্ৰী মহোদয়ে বোধকৰো পাইছে। কিন্তু তাৰ কোনো প্ৰতিকাৰ্ হোৱা নাই। গতিকে মই আশা কৰো তেনেধৰণৰ পুলিচ বিষয়াৰ ওপৰত আন শাস্তি দিব নোৱাৰিলেও তেওঁক তুৰন্তে তাৰপৰা অন্য ঠাইলৈ বদলি কৰিব লাগে। কাৰণ তেওঁলোকৰ হাতত ক্ষমতা থকাৰ কাৰণে এই নিৰীহ লোক সকলক অনাহকতে অত্যাচাৰ কৰে। পুলিচ প্ৰশাসনৰ ওপৰত বহুতো কথাই আলোচনা কৰা হৈছে। এই সকলো কথালৈ দৃষ্টি ৰাখিবলৈ কৈ মই এই কৰ্ত্তন প্ৰস্তাৱতো সমৰ্থন কৰি সামৰণি মাৰিলো।

শ্ৰীগিয়াছউদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেইআষাৰমান কথা কবলৈ বিচাৰিছো। মন্ত্ৰী সকলৰ ভ্ৰমন বানচ বৃদ্ধি কৰাৰ কাৰণে আজি পৰিপূৰক দাবী উৎথাপন কৰা হৈছে। মন্ত্ৰী সকলক ভ্ৰমণ বানচ দিয়াত আমাৰ কোনো আপত্তি নাই। যদিও এটা কথাৰ ওপৰত মই গুৰুত্ব দিব খুজিছো, সেইটো হৈছে মন্ত্ৰী সকলে যি ভ্ৰমণ কৰে সেইটো উদ্দেশ্য মূলক হব লাগে। আৰু এই ভ্ৰমণৰ এটা ভাল ফল হব লাগে। এই ভ্ৰমণৰ এটা ভাল ফল গোটেই ৰাজ্যতে প্ৰতিফলিত হোৱাৰ আশা কৰো। আজি আমাৰ চৰকাৰ এখন আছে এইখন গণতান্ত্ৰিক চৰকাৰ, যি চৰকাৰ জনসাধাৰণে নিৰ্ব্বাচন কৰি গঠন কৰিছে, আজি আমাৰ শাসন যন্ত্ৰ আছে আমাৰ প্ৰতি জিলাতে জিলা পৰ্য্যায়ৰ শাসন ব্যৱস্থা আছে মহকুমা আছে, থানা আছে, তথাপিও যদি আমি আজি ওপৰৰ পৰা তললৈ বিশ্লেষণ কৰি চাও তেনেহলে আমি দেখিবলৈ পাম যে, আজি আমাৰ ৰাজ্যখনত অৰাজকতা বিৰাজ কৰিছে। আজি পুলিচ বিভাগৰ কথা কৈছো, আন আন বিভাগৰ কথাও কোৱা হৈছে, এই সম্পৰ্কত মই কব খুজিছো যে, আজি সাধাৰন প্ৰশাসনৰ ব্যৱস্থাতো কি হৈছে? ৰাজ্যৰ সাধাৰণ প্ৰশাসনৰ বিষয়ে আলোচনা কৰিবলৈ গলে সকলো বিভাগৰ কথা অলপ অলপ কব লাগিব। সাধাৰণ প্ৰশাসনৰ কথা আলোচনা কৰিবলৈ গলেই সকলো বিলাক বিভাগৰে কথা অলপ অচৰপ কব লাগিব। মই এতিয়া ৰাজহ বিভাগৰ কথা কম। চৰকাৰে এটা কথা বাৰে বাৰে কৈ আহিছে যে তেওঁলোকে প্ৰজাস্বত্ব আইন পাচ কৰিছে। এই আইন কাৰ্য্যকৰী কৰাৰ সম্পৰ্কত এই সদনতে বাৰে বাৰে দাবী কৰি অহা হৈছে। এই কাৰ্য্যত শাসন যন্ত্ৰই প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি

আহিছে। এই কথা চৰকাৰে জানিও তাৰ ওপৰত কোনো ব্যৱস্থা কৰা নাই। আজি আধিয়াৰ আইনৰ কথা কৈছে। এই সম্পৰ্কত আমাৰ যিটো অভিজ্ঞতা তাৰপৰা মই কব খুজিছো যে চৰকাৰৰ শাসন যন্ত্ৰই ইয়াৰ বিৰোদ্ধে কাম কৰিছে আৰু চৰকাৰ ইয়াত নিৰব। আধিয়াৰ সকলে দাবী কৰিছে যে তেওঁলোকৰ উৎপাদিত ফচলৰ ৫ ভাগৰ ৪ অংশ তেওঁলোকে পাব লাগে ৫ ভাগৰ এক অংশ মাটিৰ মালিকে পাব লাগে। এই দাবী কৰাত মালিক সকলে আধিয়াৰ সকলৰ ওপৰত ৩৭৯ ধৰা মতে মিথ্যা মোকদ্দমা দায়েৰ কৰিছে আৰু পুলিছে মালিক সকলৰ পক্ষলৈ ৩৭৯ ধাৰা অনুসাৰে আধিয়াৰৰ বিৰুদ্ধে চাৰ্জচিট দিছে যিটো পুলিচে সাধাৰণতে নকৰে। ধান কটাৰ সময়ত এনেকুৱা ঘটনাৰ সৃষ্টি হয় আৰু সেই সময়তেই বহুতো মোকৰ্দ্দমা ৰজু হয়। এই ধৰণৰ মোকৰ্দ্দমা আদালতত হব লাগে। আৰু থানাত এই মোকৰ্দ্দমা গ্ৰহণ কৰিব নোৱাৰে। বিলাসীপাৰা থানাত পুলিছে এই কাণ্ড কৰিছে। আৰু তেওঁলোকে মালিক সকলৰ পৰা অভিযোগ পালেই সশস্ত্ৰ পুলিচ লৈ আধিয়াৰ সকলৰ ওপৰত অত্যাচাৰ মাৰপিত আদি কৰি চাৰ্জচিত দিয়ে। উকিল জীৱনৰ মোৰ ১৫ বছৰীয়া অভিজ্ঞতাৰ পৰা মই ৩৭৯ ধাৰাৰ কেচ পুলিছে চাৰ্জচিত দিয়া কতো দেখা নাই। কিন্তু বিলাসীপাৰাত মালিক সকলৰ পক্ষ লৈ পুলিচে এই কাম কৰিছে। ইয়াৰ অপৰাধটো হল ৫ ভাগৰ ৪ অংশ আধিয়াৰে পাব লাগে আৰু ৫ ভাগৰ ১ অংশ মালিক সকলে পাব লাগে বুলি আধিয়াৰ সকলে দাবী কৰিছিল। এ২ বিষয় ডি চি, এচ পি আদিৰ ওচৰত আবেদন নিবেদন কৰা স্বত্বেও কোনো ফল হোৱা নাই। মোকৰ্দ্দমা চলিয়েই আছে আৰু পুলিচেও চাৰ্জচিত দিছে। আৰু আধিয়াৰ সকল মাজে মাজে আদালতত উপস্থিতি দি টকা পইচা খৰচ কৰিবই লাগিছে। এই বিলাকৰ পৰা মই কব খুজিছো শাসন যন্ত্ৰ কোনফালে চলিছে আৰু চৰকাৰী নীতি কোনফালে গৈছে। আমি দেখিবলৈ পাইছো যে এই মন্ত্ৰী সভাৰ আমোলত অৰাজকতাৰ সৃষ্টি হৈছে। মাননীয় সদস্য শ্ৰীকবীৰ ৰয় প্ৰধানীয়ে বি এচ এফৰ কাৰ্য্যকলাপৰ কথা কৈ গৈছে। তেওঁলোকৰ কাৰ্য্য কলাপৰ কথা কাগজে পত্ৰেও নোলায়। আগৰ পাকিস্থান আৰু বৰ্ত্তমান বাংলা দেশৰ সীমান্তত বাস কৰা ভাৰতীয় নাগৰিক সকলে বি, এচ, এফৰ অত্যাচাৰত যি ভাবে জৰ্জ্জৰিত হৈছে তাক ভাষাত বৰ্ণনা কৰিব নোৱাৰি।

আজি তেওঁলোকৰ কোনো নিৰাপত্তা নোহোৱা হৈছে। ভাৰতীয় মানুহে ভাৰতীয় সীমাৰ ভিতৰত এখন বজাৰৰ পৰা আন এখন বজাৰ কৰিবলৈ যাওতে বি এচ এফে তেওঁলোকক অযথা জুলুম অত্যাচাৰ চলায়। বিন্যচৰা গাও ভাৰতৰ ভিতৰত পৰে। তেওঁলোকৰ উৎপাদিত মৰাপাট গোলোকগঞ্জ বজাৰত বিক্ৰী কৰিবলৈ আনোতে বাংলা দেশৰ মানুহ বুলি বি এচ এফে তেওঁলোকক ধৰি মাল জব্দ কৰে। তাৰ পিচত বিন্যচৰাৰ মানুহ বিলাকে ডি চিৰ ওচৰত আপত্তি জনোৱাত ডি চি আৰু বি এচ এফৰ কমাণ্ডটে অনুসন্ধান কৰি জনালে যে এই মানুহ বিলাক বাংলা দেশৰ মানুহ নহয়। আৰু তেওঁলোক ভাৰতীয়। আৰু তেওঁলোকে লৈ যোৱা মৰাপাট তেওঁলোকৰ উৎপাদিত। তেনেস্থলটো কাচটমচে তেওঁলোকৰ মৰাপাট এৰি নিদিলে। এই বিষয়ত মাননীয় মুখ্যমন্ত্ৰী আৰু বাণিজ্যিক মন্ত্ৰীৰ লগত আলোচনা কৰা হৈছিল। চৰকাৰে যদিও এই কথা বিস্বাস কৰিছিল আৰু ভাবিছিল যে এই চিজ কৰা মৰাপাট কাচটমচে এৰি দিব তথাপি এৰি দিয়া হোৱা নাই। এই দুখীয়া মানুহ বিলাকৰ হাৰক পানী কৰি মুৰৰ ঘাম মাটিত পেলাই কঠোৰ পৰিশ্ৰম কৰি বিক্ৰী কৰিবলৈ নিয়া বস্তু বিলাক কাচটমচে ধৰি আৰু ঘুৰাই নিদি অকচন কৰি বিক্ৰী কৰিলে। এইদৰেই অৰাজকতা চলিব লাগিছে। আনহাতে আমি জনাত বি এচ এফৰ নিযুক্ত কিছুমান স্মাগলাৰ বি এচ এফৰ কাৰণে কাম চলাই আছে। তেওঁলোকে বাংলা দেশৰ বস্তু ইয়ালৈ আনে আৰু ইয়াৰ বস্তু বাংলা দেশলৈ পঠায়। বি এচ এফ নিযুক্ত এই গেংটোৱে বি এচ এফক মাহে মাহে টকা দি থাকে। মাজে সময়ে তেওঁলোকৰ তৎপৰতা প্ৰমানৰ কাৰণেহে এই দুখীয়া ভাৰতীয় সীমান্ত বাসী সকলক জোৰ জুলুম কৰি অত্যাচাৰ কৰে তাৰ পিচত ধুবুৰীৰ ওচৰত কিছুমান নাও তেওঁলোকে ধৰিছিল। আৰু কৈছিল যে এই নাওঁ বিলাক বাংলা দেশৰ পৰা আহিছে। আচলতে এই মানুহ বিলাক ভাৰতবাসী। তেওঁলোকে এখন বজাৰৰ পৰা আন এখন বজাৰলৈ যাওতে বি এচ এফে তেওঁলোকক ধৰি মাল বস্তু চিজ কৰি তেওঁলোকৰ ওপৰত অত্যাচাৰ চলায়। বি এচ এফে সীমান্ত ৰক্ষা কৰাৰ কামৰ কাৰণে তেওঁলোক ধন্যবাদৰ পাত্ৰ। আৰু বাংলা দেশৰ মুক্তি যুদ্ধৰ সময়ত তেওঁলোকে যি সাহসিকতা দেখুৱালে তাৰ বাবে আমি কৃতজ্ঞ। কিন্তু আজি যদি বি এচ এফে আমাৰ দেশ বাসীৰ ওপৰত অত্যাচাৰ কৰে তাৰ

বিচাৰ নাইনেকি ? আজি আমাৰ ইয়াত যি অৰাজকতাৰ সৃষ্টি হৈছে এইটো শাসন যন্ত্ৰৰ সিথিলতাৰ কাৰণে। ইয়াৰ প্ৰতিকাৰ চৰকাৰে কৰা নাই। আমি কিবা এটা কথা কলে মন্ত্ৰী সকল সহানুভূতিশীল হৈ কিবা এটা আদেশ দিয়ে কিন্তু সেই আদেশ তললৈ গৈ নাপায়। সেই কাৰণেই মই কও যে মন্ত্ৰী সকলে ভ্ৰমণ বানচ লৈ তেওঁলোক যেতিয়া কোনো বিশেষ অঞ্চললৈ যায় তেতিয়া সেই অঞ্চলত প্ৰশাসন কেনেকৈ চলিছে সেইবিলাক চাব লাগে। আৰু তেখেত সকলৰ ব্যক্তিগত প্ৰভাব খটুৱাই প্ৰশাসন কেনেকৈ ভাল কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। এনে কৰিলে ভ্ৰমন বানচৰ কাৰণে আজি যি যি মঞ্জুৰী আহিছে তাৰ ১০ গুনৰো অধিক হলেও আমাৰ দিয়াত আপত্তি নাই।

আৰু এটা কথা কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিব খুজিছোঁ। সেইটো হৈছে অধ্যক্ষ মহোদয়, বৰ্ত্তমান আমাৰ দেশখনত সংসদী গণতন্ত্ৰ চলিছে আৰু এই সংসদী গণতন্ত্ৰৰ নিয়মমতে দলীয় নিয়মৰ ভিত্তিত চৰকাৰ প্ৰতিষ্ঠিত হয়। তাৰ অৰ্থ এইটোৱেই হৈছে যে, নিৰ্ব্বাচনত যেতিয়াই যিটো দলেই সংখ্যা গৰিষ্ঠাতা লাভ কৰে সেইদলেই চৰকাৰ গঠন কৰে আৰু মন্ত্ৰী সভা গঠন কৰি দেশৰ শাসন ভাৰ গ্ৰহণ কৰে। এইটো খাটাং কথা। কিন্তু এটা কথা যে, চৰকাৰ তাৰ দলৰ নীতিৰ ওপৰত ভিত্তি কৰিয়েই চৰকাৰী নীতি নিদ্ধাৰন কৰে। দলীয় নীতিৰ ওপৰত ভিত্তিকৰিয়েই ৰাষ্ট্ৰ শাসন কৰে যদিও চৰকাৰে এটা নিৰ-পেক্ষ ভূমিকা পালন কৰিব লাগিব বিশেষকৈ ৰাজ্য শাসনৰ ক্ষেত্ৰত। সংসদী গণতন্ত্ৰৰ সফলতাও এইখিনিৰ ওপৰতে নিৰ্ভৰ কৰে। কিন্তু লগতে এইটোও থিক যে, আমাৰ দেশত অন্যান্য যিবিলাক সংখ্যালঘিষ্ঠ দল আছে সেইদল বিলাকৰো স্বাৰ্থ অক্ষুন্ন ৰাখিব লাগিব। যি দেশৰ গণতন্ত্ৰই এইখিনি কথা অক্ষুন্ন ৰাখি কাম কৰিব পাৰে সেইদেশৰ গণতন্ত্ৰই আটাইতকৈ বেছি সফলতা লাভ কৰিব পাৰে। সংখ্যালঘিষ্ঠ দল বিলাক তেওঁলোকৰ আইন সঙ্গত আৰু প্ৰাপ্য সুযোগ সুবিধা বিলাকৰ পৰা কেতিয়াও বঞ্চিত নহয়। এইটো হৈছে মৌলিক নীতিৰ কথা। চৰকাৰ আৰু ৰাজনৈতিক দলৰ মাজত প্ৰাৰ্থক্যও থাকিব লাগিব আৰু নিৰপেক্ষ ভূমিকাও পালন কৰিব লাগিব। কিন্তু চৰকাৰে তাকে নকৰি এনেকুৱা কিছুমান কাম কৰিছে যাক কেতিয়াও সমৰ্থন কৰিব নোৱাৰি। এই কথাটোকে মাননীয় সদস্য শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াইও উল্লেখ কৰি গৈছে। সংসদী গণতন্ত্ৰৰ নিয়ম

মতেই জনসাধাৰণৰ লগত প্ৰশাসনীয় যন্ত্ৰটোৰ ঘনিষ্ঠ সম্পৰ্ক আৰু যোগাযোগ ৰক্ষা কৰাৰ কাৰণে আৰু শাসন যন্ত্ৰটোৰ মাজেদি আমাৰ জনসাধাৰণৰ আশা-আকাংখ্যা আদি সম্পূৰ্ণৰূপে প্ৰতিফলিত কৰাৰ কাৰণে মন্ত্ৰীসভাৰ প্ৰত্যেকটো বিভাগৰ লগতে এখন কন্সালটেটিভ কমিটি থকাটো এটা সংসদী নিয়ম। ভাৰতীয় সংসদত এই নিয়ম আছে। এইটো এটা সৰ্ব্বদলীয় কমিটি। ইয়াত কোনো বিশেষ দল, সম্প্ৰদায় বুলি কোনো কথা নাই। আমাৰ বিধান সভাতে এনেকুৱা এটা কমিটিৰ পৰম্পৰা এটা নোহোৱা নহয়। প্ৰত্যেক দলৰ পৰাই একো একোজন সদস্য লৈ এই কমিটিটো গঠন কৰা হয় আৰু তেওঁলোকে সকলোৰে বহি মিলা-প্ৰীতি আৰু সৌহাৰ্দ্যপূৰ্ণ ভাৱে বহি আলাপ-আলোচনাৰ জৰিয়তে একোটা সৰ্ব্বসন্মত সীদ্ধান্তত উপনীত হব পাৰে। তাত কোনো একচেতীয়া দলে কাম কৰিব নোৱাৰে। সকলো দলৰ পৰাই সদস্য প্ৰতিনীধি লৈ এই কমিটিটো গঠন কৰা হয়। আজি ভাৰতীয় সংবিধানত যিটো কন্সালটেটিভ কমিটি প্ৰতিপালিত হোৱাৰ কথা কৈছো তেনেকুৱা এটা কমিটি আজি প্ৰায় ৭ বছৰ মানৰ আগতে আমাৰ ইয়াতো আছিল আৰু তাত মোৰ নামটোও আছিল। এইটোও সৰ্ব্বদলীয় কমিটি আছিল আৰু ইয়াত কোনো বিশেষ দলবিশেষৰ কোনো প্ৰতিপত্তি নাছিল। এই কমিটিলৈ ৭ বছৰৰ ভিতৰত মাত্ৰ এবাৰহে মতা মোৰ মনত আছে। এই ব্যৱস্থাটোক সংসদীগণতন্ত্ৰৰ মূল ভেটি বুলি কব লাগিব। এইটো আমাৰ জনসাধাৰণৰ আশা-আকংখ্যাক প্ৰতিফলিত কৰিবপৰা নিৰপেক্ষ যন্ত্ৰ। কিন্তু মই আজি বৰ দুখেৰে সৈতে কবলৈ ওলাইছোঁ যে, আমাৰ বৰ্ত্তমান চৰকাৰে কংগ্ৰেছী সদস্য সকলক লৈ একো একোটা ষ্টেণ্ডিং কমিটি গঠন কৰিছে। মই কংগ্ৰেছ দলৰ লোকেৰে গঠন কৰাৰ কাৰণে এইটোত দোষাৰোপ কৰিব খোজা নাই কিন্তু প্ৰশাসনৰ ক্ষেত্ৰত বিশেষ এটা দলৰ ওপৰত গুৰুত্ব আৰোপ কৰি যেতিয়া এই কমিটি বিলাক কৰা হয় তেতিয়া চৰকাৰৰ সেই মনোভাৱৰ দ্বাৰা চৰকাৰৰ নিৰপেক্ষ চৰিত্ৰটো নষ্ট কৰা হয়। লগতে মই এইটোও কথা কওঁ যে, যেতিয়াই চৰকাৰৰ এই নিৰপেক্ষ চৰিত্ৰটো নষ্ট হৈ যায় তেতিয়াই সেই চৰকাৰৰ সংসদীয় গনতান্ত্ৰিক চৰিত্ৰ নষ্ট হৈ যায়। গতিকেই মই চৰকাৰক এই পৰিপেক্ষিততে কবখোজো যে, চৰকাৰে এই সকলো বিলাক কথা পুনৰ পুংখানুপুংখ হিচাপে বিচাৰ কৰিব লাগে। আমি যদি ৰাজনৈতিক দল নিৰ্ব্বিশেষে এটা স্থিৰ সিধান্তত্তৰ মাজেদি আমাৰ প্ৰশাসনীয় যন্ত্ৰটোক টনকিয়াল

কৰিব বিচাৰোঁ তেতিয়াহলে, এই ধৰণৰ এটা সৰ্ব্বদলীয় কমিটিৰ আমাৰ একান্তই দৰ্কাৰ। আশাকৰোঁ, চৰকাৰে এই বিষয়ে এটা বিহিত ব্যৱস্থা নিশ্চয় গ্ৰহণ কৰিব।

ডঃ কোমেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, পৰিপূৰক মঞ্জুৰীটোৰ শিতানত কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থনকৰি মই কেইটামান কথা কব খুজিছোঁ। এইধৰণৰ পৰিপূৰক মঞ্জুৰী সদায়েই দি অহা হৈছে, আজিও আহিছে আৰু ভৱিষ্যতেও আহিব। মই এই কাৰণেই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো যে, ৰাজহৰ সমূদায় টকা-পইছা আমাৰ গাৱলীয়া দুখীয়া জনসাধাৰণৰ পৰাই আহে আৰু তাৰ বিনিময়ত সেই সকল লোকেই আতাইতকৈ বেছি জীয়াতু ভুগিব লাগে। কোনো এটা কাম লৈ যদি আমাৰ ৰাইজ সকল আমাৰ প্ৰশাসন যন্ত্ৰৰ ওচৰলৈ আহে তেতিয়াহলে, সেই লোকসকলে সোনকালে সেই কামটো লৈ কেতিয়াও যাব নোৱাৰে। কিন্তু আন হাতেদি যি সকল নগৰ চহৰৰ লোক যি সকলে লিখা-পঢ়া জানে, যি সকল সকলো ফালেই চৌখিন সেইসকলৰ কাম বিলাক হলে আমাৰ চৰকাৰৰ কৰ্ম্ম কৰ্ত্তাসকলে অতি সোনকালে আৰু নিয়াৰিকৈ কৰি দিয়ে। কিন্তু যি বিলাক দুখীয়া গৰীব জনসাধাৰণ সেইসকলক সকলো ফালৰ পৰাই বঞ্চিত কৰে। তাৰ পিছত আমাৰ কেইবাজনো মাননীয় সদস্যই পুলিচ বিভাগৰ সম্পৰ্কে আলোচনা-বিলোচনা আদি কৰিছে। এই পুলিচ বিভাগৰ মানুহবোৰে যেতিয়া আমাৰ গাৱঁতগে আমাৰ নিৰীহ লোক বিলাকৰ ওপৰত অত্যাচাৰ আদি আৰম্ভ কৰে তেতিয়াহলে, সেইটো বৰ অসহনীয় হৈ পৰে। অৱশ্যে পুলিচৰ শিতা-নত যিটো মঞ্জুৰী আজি চৰকাৰে বিচাৰিছে তাত আমাৰ কোনো আপত্তি আদি থাকিব নোৱাৰে। পুলিচ কৰ্ম্মচাৰী সকল যাতে ভালদৰে থাকি দেশৰ আৰু সমাজৰ কাম কৰিব পাৰে তাৰ কাৰণে তেওঁলোকৰ কাৰণে ঘৰ আদি সাজিবৰ কাৰণে টকা মঞ্জুৰী আদি দিয়াটো আমাৰ আৰু ৰাইজৰ অকনো আপত্তি থাকিব নোৱাৰে। কিন্তু কথা হৈছে যে, তাৰ বিনিময়ত আমাৰ ৰাইজে কি পায়? কোনো জগৰৰ কাৰণে কেতিয়াবা পুলিচক কেছ আদি দিলে পুলিচ গাৱঁত সন্তু-ষ্টিতকৈ অসন্তুষ্টিহে বেছি কৰি তোলে। যথেমধে আমাৰ গাৱঁলীয়া মানুহক বৰ অত্যাচাৰ কৰে। কোনো দোষীক এৰেষ্ট কৰে যদিও তাৰ পিছত বহুত টকা পইছা

লৈ সেই দোষী বিলাকক এৰি দিয়ে। মোৰ সমষ্টিৰ বিশ্বনাথ চাৰি আলিতে এজন ডাৰোগাই টকা পইছা খাই কিছুমান মানুহক অত্যাচাৰ কৰি আছে, সেইটো সচাঁকৈয়ে বৰ সহিব নোৱাৰা কথা। ইয়াৰ আগতেও এই লোকজনে এগৰাকী তিৰোতা মানুহক বেইজ্জাতি কৰাৰ কথাটো মই সদনত কৈছিলো আৰু এই বিষয়ে ডি, আই, জি, আই, জি, পি, আদিকো জনাইছিলোঁ। কিন্তু বৰ দুখৰ কথা যে, এই বিষয়ে আজিলৈকে হলে কোনো ব্যৱস্থাই কৰা নহল আনকি এই পুলিচ কৰ্ম্মচাৰী জনক তাৰ পৰা বদলিকে কৰা নহল। গতিকে এনেকুৱা ধৰণৰ পুলিচ বিষয়া সকলৰ পৰা আমাৰ ৰাইজে কি আশা কৰিব পাৰে। এনেকুৱা ঘটনা অকল আমাৰ বিশ্বনাথ চাৰিআলিতে নহয় গোটেই অসমৰে বিভিন্ন জেগাত সদায়েই হৈ আছে। পুলিচক 'ফাষ্ট লাইন অব্ ডিফেন্স' বুলি কোৱা হয় যদিও এনেধৰণৰ পুলিচ সকলৰ পৰা কি আশা কৰিব পাৰে? ইয়াৰ আগতে এজন মাননীয় সদস্যাই কৈছিল যদিও মই হলে নেভাবো যে, পুলিচৰ ভয়খোৱা পোছাক বদলি হলেই পুলিচ ভাল হৈ যাব আৰু ভয়ৰ কাৰণ নহব। যদি পুলিচত থকা লোকসকলৰ মনোবৃত্তি পৰিবৰ্ত্তন কৰিব নোৱাৰি তেতিয়াহলে, অকল পোছাক বদলি কৰিয়েই এই বিভাগটো নিকা কৰিব নোৱাৰি। গতিকে পুলিচ বিভাগত থকা গোটেই বিলাক দুনীতি ধুই নিকা কৰিব লাগে। এইখিনিতে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিছোঁ আৰু কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো।

শ্ৰীলক্ষীকান্ত শইকীয়া: মাননীয় অধ্যক্ষ মহোদয়, এই যি তিনিটা শিতানৰ ওপৰত যি মঞ্জুৰী দাবী উত্থাপিত হৈছে সেই মঞ্জুৰীটো মই সমৰ্থন কৰিছোঁ। এই যি তিনিটা শিতানৰ ওপৰত যি আলোচনা হৈ আছে বিশেষকৈ অসমৰ ৰাজধানীখন অস্থায়ী ভাৱে ডিচপুৰলৈ স্থানান্তৰ কৰাৰ সম্পৰ্কত, মন্ত্ৰী আৰু চৰকাৰী চাকৰিয়াল সকলৰ ভ্ৰমন বানচ আৰু পুলিচ বাহিনীৰ কৰ্ম্মচাৰী আৰু বিষয়াসকলৰ ব্যৱহাৰ পাতি। ৰাজধানীখন শ্বিলংৰ পৰা ডিচপুৰলৈ অনাৰ সংক্ৰান্তত যিবিলাক সুবিধা অসুবিধা বৰ্ত্তমান হৈছে যেনে বেচিভাগ চৰকাৰী অফিচ এতিয়াও শ্বিলংত থকাত আমাৰ মন্ত্ৰী আৰু চৰকাৰী চাকৰিয়াল সকলে অফিচৰ কামত শ্বিলং গুৱাহাটি অহা যোৱা কৰিব লগা হোৱাত ভ্ৰমন বানচ বাঢ়ি গৈছে আৰু সেইকাৰণেই এই পৰীপুৰক মঞ্জুৰী দাবীটো আহিছে। ইতিমধ্যে ডিচপুৰত চৰকাৰী চাকাৰীয়াল আৰু

মন্ত্ৰী সকলৰ থকা মেলাৰ কাৰণে নিবাসৰ ব্যৱস্থা কৰা হৈছে যদিও সেইকাম এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। বৰ্ত্তমান অৱস্থাত এই পৰীপূৰক দাবী খিনি নললেও কোনো উপায় নাই সেইকাৰণেই মই এই পৰীপূৰক দাবীটো সমৰ্থন কৰিছোঁ।।

ইয়াৰ বাহিৰেও সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰত আমাৰ বিৰোধী দলৰ দুই এজন সদস্যই উল্লেখ কৰি গৈছে যে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিটো বিভাগৰ কিছুমান 'কনচালটেটিভ কমিটিৰ' ব্যৱস্থা আছে যাতে চৰকাৰৰ প্ৰশাসন যন্ত্ৰৰ বিভিন্ন কাম-কাজত আমাৰ ৰাইজৰ প্ৰতিনিধিয়েও বিভিন্ন দিশত অংশ গ্ৰহন কৰিব পাৰে আৰু এই ৰাইজৰ প্ৰতিনিধি সকল যাতে চৰকাৰৰ প্ৰশাসন যন্ত্ৰৰ লগত জড়িত হৈ থাকে থিক তেনেকৈ আমাৰ ৰাজ্যিক চৰকাৰৰ প্ৰশাসন যন্ত্ৰতো তেনে ধৰণৰ ব্যৱস্থা কৰিব লাগে, মইয়ো কও যাতে এই ধৰণৰ এখন 'কনচালটেটিভ কমিটি' আমাৰ ৰাজ্যিক চৰকাৰৰ প্ৰতিটো বিভাগৰ লগত কৰি দিলে বহুখিনি সুবিধা হব।

এনেকুৱা নজীৰ যদি ভাৰতৰ অন্যান্য ঠাইতো আছে তেতিয়া হলে আমাৰ ৰাজ্যতো পতাৰ কিনো চৰকাৰৰ আপত্তি থাকিব পাৰে। এই কনচালটেটিভ কমিটিত দলনিৰ্ব্বিশেষে প্ৰতিনিধি থাকিব লাগে যাতে সেই প্ৰতিনিধিয়ে চৰকাৰক দিহা-পৰামৰ্শ আগবঢ়াব পাৰে, এনে ধৰণৰ নিয়ম ভাৰতীয় সংসদত আছে। মাননীয় সদস্য শ্ৰীগিয়াচুদ্দীন আহমদ ডাঙৰীয়াই দল আৰু চৰকাৰৰ মাজত পাৰ্থক্যৰ কথা কৈছে, আজি সমাজ তান্ত্ৰিক দেশবিলাকত দল আৰু চৰকাৰৰ কোনো পাৰ্থক্য নাই কিয়নো যি দলে চৰকাৰ গঠন কৰে সেই দলৰ আশা-আকাংশা যাতে চৰকাৰৰ প্ৰশাসন যন্ত্ৰটোৰ মাজেদি প্ৰতিফলিত কৰিব পাৰে তাৰ কাৰণে দলে চৰকাৰক দিহা-পৰামৰ্শ আগবঢ়োৱাতো উচিত। গতিকে যদি এনে ধৰণৰ একোটা কনচালটেটিভ কমিটি গঠন কৰি দিয়া হয় আৰু এনেকুৱা একোটা ব্যৱস্থা হয় সেইটো বেচ ভাল হব।

অধ্যক্ষ মহোদয়, এই প্ৰশাসনৰ ব্যৱস্থা সম্পৰ্কত মই এটা ব্যক্তিগত মতামত ডাঙি ধৰিব বিচাৰিছোঁ, সেইটো হ'ল ৰাজধানী স্থানান্তৰ সম্পৰ্কত আমি ইতি-মধ্যে ১৯৭৩-৭৪ চনৰ ৪ৰ্থ ৫বছৰীয়া পৰিকল্পনাৰ একেবাৰে শেষ বছৰটোত ভৰি দিলোহি, এই বছৰটোতে আমাৰ বাৰ্ষিক পৰিকল্পনাৰ যোৱা ৫টা বছৰৰ ভিতৰত

অধিক টকা নিৰ্দ্ধাৰণ কৰা হৈছে। আমি এতিয়া চাব লাগিব যাতে এই যি টকা খৰচ কৰা হব অৰ্থাত যি যিনি টকা চৰকাৰৰ উন্নয়নমূলক কামৰ কাৰণে ধাৰ্য্য কৰা হৈছে সেইবিলাক যাতে সময় মতে খৰচ কৰা হয় আৰু ৪ৰ্থ ৫বছৰীয়া পৰিকল্পনাত আমি যি আঁচনি কৰিছিলো সেই আঁচনি যাতে বাস্তৱত ৰূপায়িত কৰিব পাৰো সেইটোহে ভালদৰে চাব লাগে।

আজি এটা বিশেষ কথা উপলব্ধি কৰিব লগীয়া হৈছে যে আমাৰ ৰাজধানী খন স্থানান্তৰ কৰাৰ ক্ষেত্ৰত দেখা যায় যদি এই স্থানান্তৰ কাৰ্য্য সোনকালে সম্পূৰ্ণ কৰিব নোৱাৰালৈকে প্ৰশাসনত এনে কিছুমান বেমেজালি চলি থাকিব কিয়নো অনেক অফিচ এতিয়াও শ্বিলংতে ফাংশ্যন কৰি আছে আৰু কিছুমান ডিচ-পুৰত চলি আছে গতিকে এনে হোৱাত চৰকাৰৰ কাম-কাজত যথেষ্ট ব্যাঘাট জন্মিছে। গতিকে সেই বেমেজালিবোৰ অনতিপলমে আতৰ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। আনকি এনে ধৰণৰ অভিযোগো শুনা গৈছে যে কিছুমান মানুহে সন্দেহ কৰিছে যে আমাৰ চৰকাৰে এই ভ্ৰমন বানচৰ সুবিধা লোৱাৰ কাৰণেই এতিয়ালৈকে কিছুমান চৰকাৰী অফিচ ইয়ালৈ নমাই নানি শ্বিলংতে ৰখাৰ ষড়যন্ত্ৰ কৰিছে। সেই একেটা কাৰণতেই আজি চৰকাৰী চাকৰিয়াল সকল মন্ত্ৰীসকলে শ্বিলং গুৱাহাটী বেচিকৈ অহা যোৱা কৰিব লগীয়া হৈছে। গতিকে এনেবোৰ অভিযোগ দূৰ কৰাৰ কাৰণে অনতিপলমে কাৰ্য্যকৰী ব্যৱস্থা হাতত লব লাগে।

সেইকাৰণে মই মন্ত্ৰী মহোদয়ক কৈছো যে ব্যক্তিগতভাৱে এই কথাটো চাব লাগে। চতুৰ্থ পৰিকল্পনাৰ এই শেষৰ সময়চোৱাত আমি কথাটোত অধিক মনোযোগ দিয়া উচিত বুলি ভাবো।

ৰাজধানী স্থানান্তৰ কৰাৰ ক্ষেত্ৰত সৰ্ব্বসাধাৰন ৰাইজৰ বহুত অসুবিধা হৈছে। আমি সদস্য সকলেই কিবা এটা কামৰ কাৰণে ইয়াত সুধিলে কয় শ্বিলংত আছে আৰু শ্বিলংত সুধিলে কয় গুৱাহাটীত আছে। সেই অসুবিধাৰ সম্মুখীন ৰাইজো হৈছে। গতিকে মূখ্যমন্ত্ৰী মহোদয়ে এই সদনতে জনাই দিব লাগে কি কি অফিছ ছিলংৰ পৰা গুৱাহাটীলৈ আহিল আৰু কি কি বাকী থাকিল আৰু সঞ্চালক সকলৰ কাৰ্য্যালয় ক'ত ক'ত বহিছে ঘোষণা কৰি দিলে আমাৰো সুবিধা হব আৰু ৰাইজেও কাম কৰিবলৈ সুবিধা হব।

ইয়াৰ বাহিৰে পুলিচ শিতানৰ বিষয়ে মই এটা পৰামৰ্শ দিব খুজিছো। আমাৰ পুলিচ কমিচনে যিখিনি আঁচনি দিছিল সেই ধৰনে টকা দিয়া উচিত হব। আশাকৰো এই বিত্তীয় বছৰটোত কামখিনি কৰি সমাধা কৰিব। আমাৰ গৃহমন্ত্ৰী ডাঙৰীয়াই গৃহবিলাক নিৰ্ম্মান কৰোতে ২-১ খন নগৰতে যাতে আবদ্ধ নাৰাখে। কাৰণ যিবিলাক ঠাইত ঘৰবাৰী নাই সেইবিলাক ঠাইলৈ এই গৃহনিৰ্ম্মান আঁচনি সম্প্ৰসাৰন কৰিব লাগে।

এইখিনিকে কৈ মই এই শিতানত উত্থাপন কৰা দাবীটো সমৰ্থন কৰিছো।

**শ্ৰীপিতসিং কোৱৰ :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা যি তিনিটা পৰিপুৰক দাবীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে যেনে— সাধাৰন প্ৰশাসনত মুৰব্বী আৰু মন্ত্ৰী সকল' সচিবালয় প্ৰশাসন আৰু আৰক্ষী প্ৰশাসন এই তিনিটাৰ ওপৰত দাঙি ধৰা কৰ্ত্তন প্ৰস্তাৱটি মই সমৰ্থন কৰিছো।

প্ৰথম হ'ল মন্ত্ৰী সকলৰ ভ্ৰমণৰ কথা। মন্ত্ৰী সকলে ইমান বেছি ভ্ৰমণ কৰে যে একেদিনাই একোঠাইত 4 জন মন্ত্ৰী গোটখাই, আমি এম এল এ হলো এজন, গতিকে আমিনো চাৰিজন মন্ত্ৰীৰ পিচত কেনেকৈ ঘুৰো। তেওঁলোকৰ কথা হ'ল ডাক বঙলালৈ যাব, একাপ চাহ খাব, এখন যুবক কংগ্ৰেছৰ মিটিংত উপস্থিত থাকি গুচি আহিব। এয়ে হল তেওঁলোকৰ ভ্ৰমন। মই এদিন এচ দি অ'ৰ ওচৰত বহী থাকোতে মন্ত্ৰীৰ প্ৰাইভেট চেক্ৰেটৰীয়ে ফোন কৰিলে যে মন্ত্ৰী তালৈ যাব আৰু অমুকৰ ঘৰত ভাত খাব-মই সুধিলো কিবা প্ৰগ্ৰেম কৰিব নেকি সোধক-সুধিলত কলে প্ৰগেম নাই-মাত্ৰ অমুকৰ ঘৰত ভাত খাব বুলি কব। মই তেতিয়া তেখেতক কলো যে আজিৰ কাৰণে আপুনি পিয়ন গতিকে চাইকেল মাৰি কৈ আহক। গতিকে মন্ত্ৰী সকলে ভ্ৰমণলৈ গৈ ৰাইজৰ কি কাম কৰে ভাবি নাপাওঁ। কিন্তু কোকৰাঝাৰলৈ কোনো মন্ত্ৰী নাযায়। আজি ডেৰ বছৰ হ'ল কোকৰাঝাৰলৈ উত্তম ব্ৰহ্মৰ বাহিৰে কোনো মন্ত্ৰী যোৱা নাই। তেওঁ মাত্ৰ যায় বাৰীত তামোলপান চাবলৈ, যাওতে কোকৰাঝাৰৰ জিলা কংগ্ৰেছ কমিটিৰ কেইজনমান সভ্যৰ লগত কথা পাতি পোনেই ঘৰমুখে চিধা কৰে। ভ্ৰমমণৰ ফল নিল। মন্ত্ৰীৰ অফিচলৈ যাব জাপ জাপ ফাইল জমা হৈ আছে। আমাৰ স্বৰ্গীয় মতি বৰাই কৈছিল যে ফাইলৰ জাপ ইমান বেছি যে জাঠি মাৰিলেও ফাইলৰ

মাজেদি জাতি সৰকি মানুহ নাপায়। আনহাতে চেক্ৰেটৰীয়ে যেনেকৈ প্ৰগ্ৰেম বনাই দিয়ে যিফালে মাইল কিলোমিটাৰ বেছি হয় সেইফালে যায়। ক'ৰবাত এক-দিনাই এথন মিটিং কৰি আকৌ দিশপুৰলৈ ঘুৰি আহে। কিন্তু নামাবলৈ কোৱা নাই, কোকৰাঝাৰলৈ যাওঁক-তালৈ নাযায় তাত গলে ঘেৰাও কৰিব। তাত কিয় ভয় কৰে কব নোৱাৰো· তাতো এম এ বিএ আছে, আই এ এচ অফিছাৰ। তালৈ মন্ত্ৰী গলে চিৰিয়াখানা নিচিনা চায়। কোকৰাঝাৰ পূব সমষ্টিতো আমাৰ মুখ্যমন্ত্ৰীৰ সমষ্টি। তেখেত নিজে তালৈ গৈ থকা হলে বেয়া মানুহবিলাক এৰাএৰাকৈ ভাল হ'ল হেতেন। মন্ত্ৰীসকলে ক'ত যাব টুৰলৈ য'ত তেওঁলোকৰ ধ্বনী তুলি শ্লোগান দিব পাৰে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কোকৰাঝাৰক কি বুলি ভাবিছে নাজানো। কোকৰাঝৰত চাৰিওফালে চিপাহী ঘেৰাও কৰি ৰাখিছে। স্কুল কলেজ ছুটি দি গোটেই শিক্ষানুস্থান বিলাকত পুলিচ মিলিটাৰী ভৰাই ৰাখিছে। ইয়াৰ ফলত ইয়াত এটা হাহাকাৰৰ সৃষ্টি হৈছে।

গতিকে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ কিয়নো সেইটো তেখেতৰ নিজৰেই জিলা, আমাৰো জিলা। সেই এটমোচ্ফিয়াৰফ্ৰি কৰিব লাগিব। সকলো মানুহেই বেয়া নহয়। দুই এজন বেয়া মানুহ সমাজত থাকিব পাৰে কিন্তু আমাৰ কৰ্তব্য হব লাগিব সেই বেয়া কেইজনক ভাল কৰা ভাল পথে পৰিচালিত কৰা। কিন্তু তাকে নকৰি পুলিচ আক্ৰমণ কৰা ঠিক নহব কিয়নো তাৰ পাল্টা আক্ৰমণ যদি হয় তেতিয়াহলে কোন ক'ত থাকে কোন ক'ত পৰি যায় কাৰমূৰ কোন নদীত পৰি যায় তাৰ কোনো ইয়ত্তা নাথাকিব। মুখ্য-মন্ত্ৰী মহোদয়ে ভাল ধৰণে চিন্তা কৰিলে ভাল হয়।

অধ্যক্ষ মহোদয়, আন এটা কথা হল আমাৰ মন্ত্ৰী সকল সময়ত নাথাকে কাৰণেই বহুত বিলাক আপত্তি আদি ৰাইজৰ পৰা পঠিয়াই থকা হয় যদিও তেওঁবিলাকে সেই বিলাক পঢ়ি চাবলৈ সময় নাপায় হবলা। গ্ৰাম সেৱিকাৰ কাম কৰা ছোৱালী কেইজনীমানক এজন বি-ডি-অ'ই অপব্যৱহাৰ অলগ কৰিছিল তাৰ কাৰণে লিখিত ভাবে আবেদন দিয়া হৈছিল কিন্তু সেই ঘটনাৰ কোনো ব্যৱস্থা লোৱা নাই এতিয়ালৈকে। পঞ্চায়ত মন্ত্ৰীলৈ লিখিত ভাবে জনোৱা হৈছিল কিন্তু কোনো শাস্তি নিদিলে। মানুহ জনৰ নাম মই ইয়াত নকলেও মন্ত্ৰীয়ে জানে

আৰু দৰকাৰ হলে মই অলপ পিচত কবও পাৰিম। এই বিলাক কথালৈ মন্ত্ৰী সকলে মনোযোগ দিব লাগে।

অধ্যক্ষ মহোদয়, আৰু এটা ডাঙৰ কথা এই যে সিংহ ডাঙৰীয়া মন্ত্ৰী হোৱাৰ দিনত আশা কৰা হৈছিল দূনীতি আঁতৰি যাব দূৰাচাৰ বিলাক ৪২০ বিলাক আঁতৰি থাকিব কিন্তু দেখা গৈছে মাৰোৱাৰী বেপাৰী বিলাক মন্ত্ৰী সকলৰ পিচে পিচে ঘুৰি ফুৰিব ধৰিছে, নতুন নতুন ধৰণৰ মানুহ বিলাক হোষ্টেলৰ কাষে পাজৰেও ঘুৰি ফুৰিছে। সাম্প্ৰাদায়িকতাৰ ভিত্তিত অফিচাৰ আদি বদলি কৰিবলৈ আহিয়েই আছে অগণন লোক। কিন্তু এনেধৰণৰ সাম্প্ৰদায়িকতাবাদীলৈ আমি চালে নহব। ভাল ভাল অফিচাৰ বিলাকেও কাম কৰিব নোৱাৰা হৈছে। এজন অফিচাৰক বদলি কৰিবলৈ গাড়ী আদি লৈ আহি উপস্থিত হয়হি মন্ত্ৰীৰ কাষত। আকৌ কিছুমানে বদলিৰ নিৰ্দ্দেশ পোৱা অফিচাৰ জনক খিৰতী গাঁইৰ দৰে ব্যৱহাৰ কৰি আছে। মন্ত্ৰীয়েও সেই জনৰ কথা পেলাব নোৱাৰি বদলিৰ হুকুম ৰদ কৰে আৰু তেতিয়া আৰু এটা পাৰ্টি আহি ওলায় গাড়ী আদি লৈ হয়তো এম-এল এ ও দুই তিন জনমান লৈ আহে নতুন ফ্ৰাশ্যন লৈ আহি সেই হুকুমো কেনচেল কৰি যায়। মুখ্যমন্ত্ৰী মহোদয় যদি সমাজবাদী সমাজ ৰচনা কৰিবলৈ খুজিছে সেইটো এই ধৰণেৰে নহব। ইয়াৰ ৰিজাল্ট উইল বি নিল। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীৰামচন্দ্ৰ শৰ্ম্মা : অধ্যক্ষ মহোদয়, মই ৪ আৰু ৫ নং ৰ ওপৰত তোলা কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি দুটামান কথা কব খুজিছো। ১৯৭২ চনৰ বাজেট অধিবেশনতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই জনসাধাৰণক সাহায্য কৰাৰ প্ৰতিশ্ৰুতি দিছিল কিন্তু এতিয়া দেখা গৈছে যে কাম আৰু কথাৰ মাজত একো সামঞ্জস্য নাই। দিনে দিনে ইমান বেয়া অৱস্থা হৈছে যে মহকুমা আৰু ব্লকৰ পৰা আৰম্ভ কৰি শিলং পৰ্য্যন্ত দুনীতিত সকলো বিলাক লিপ্ত হৈছে আৰু জনসাধাৰণে কাম কৰা টান হৈ পৰিছে। সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰত মন্ত্ৰী আৰু কেৰেণীৰ মাজত কোনো প্ৰভেদ নোহোৱা হৈ গৈছে। কেৰেণীবোৰ মন্ত্ৰীতকৈ ক্ষমতা শালী হৈছে মই দৃঢ় ভাৱে এটা কথা কব খুজিছো যে যোৱা জুলাই মাহৰ অধিৱেশনতে এম-এল-এ সকলৰ নবগঠিত পঞ্চায়ত সমূহৰ সীমা নিদ্ধাৰণ কৰি দিবলৈ দুবাৰ মতা হৈছে। মহকুমা পৰ্য্যায়ত আৰু ব্লক পৰ্য্যায়ত সীমা নিদ্ধাৰণ কৰিবলে দিয়া হৈছিল কাৰণেই

জনসাধাৰণৰ স্বাৰ্থৰ সাপেক্ষে সীমা নিৰ্দ্ধাৰণ কৰি দিয়া হল। অকল ময়ে নহয় উপাধ্যক্ষ ডাঙৰীয়া, ৰাজ্যিক মন্ত্ৰী আৰু আন ৪ জন এম-এল-এ ও আছিল আৰু কাগজখন হাতে হাতে পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াক দিয়া হয় আৰু কেইদিনমানৰ পিচত ৰাজপত্ৰত প্ৰকাশিত হল। কিন্তু এজন স্বাৰ্থান্ধ লোকে কেৰেণীৰ পৰাই কৰাই আনিব বুলি গৰ্ব্ব কৰি শেষত কোৱামতে কোনোবা এজন শিলংৰ কেৰাণী বিষয়াৰ হাত মুখ ধুৱাই আৰু কোনোবা এজনৰ পকেট গৰম কৰি মন্ত্ৰী মহোদয়ৰ প্ৰতিশ্ৰুতিৰ বিৰুদ্ধে কাম কৰালে মই জানিব বিচাৰো মন্ত্ৰী সকল কেৰাণীৰ তলতনে? এতিয়া মই ভাবিছো মাননীয় মন্ত্ৰী মহোদয় বুলি নিলিখি মাননীয় কেৰাণী মহোদয় বুলিলেহে কাম হয় নেকি? অধ্যক্ষ মহোদয় এই পৰাজয় আমাৰ পৰাজয় নহয়। ই বিষয়া বা কেৰানীৰ ওচৰত মন্ত্ৰীৰ চৰম পৰাজয় বুলি মই ভাবিছো।

অধ্যক্ষ মহোদয়, পুলিচ বিভাগৰ ঘৰ-দুৱাৰ ও অন্যান্য সা-সুবিধা দিয়া আমি বিচাৰো আৰু আৰক্ষী চকীও আমি বিচাৰো। শান্তিৰ কাৰণে আৰক্ষী চকী ৰখা হয় পুলিচ বাহিনী ৰখা হয় কিন্তু দেখা গৈছে য'ত য'ত পুলিচ বিভাগে কাম কৰিছে সেইবিলাক ঠাইত শান্তিৰ কাৰণে কৰা নাই কৰিছে অশান্তিহে। এটা কথাত ৰাজ্যিক মন্ত্ৰীক সুধিব বিছাৰিছো চাৰিআলিৰ এম-এল-এ আৰু মই এজন পুলিচ বিষয়াৰ বিৰুদ্ধে স্থানীয় ৰাইজৰ আপত্তি ক্ৰমে অভিযোগ দিছিলো আৰু ১০-১২ দিনৰ পিচত দেখিলো যে যাৰ বিৰুদ্ধে দিয়া অভিযোগ সেই অভিযোগ পত্ৰ লৈ নিজৰ বিৰুদ্ধে উঠা অভিযোগ তদন্ত কৰিবলৈ গৈছে। এতিয়া কথা হল যি জন অফিচাৰৰ বিৰুদ্ধে অভিযোগ দিয়া হল তেওঁৰ হাত-তেই যদি অভিযোগৰ কাগজ পাতি ওলায় তেন্তে প্ৰশাসন কেনেকৈ নিকা হব পাৰিব? ১৯৬৮ চনৰ এটা কথালৈ আঙুলিয়াব খুজিছো। বিশ্বনাথ সমষ্টিৰ বিহালী অঞ্চলৰ এজন শ্ৰমিক মানুহে কাবুলীৰ পৰা টকা ধাৰলৈ আনিছিল আৰু ঘুৰাই দিব নোৱাৰৰ বাবদ, সেই মানুহজনক কাবুলীয়ে চাকৰ কৰি ৰাখে, তেওঁৰ মাটি খিনিও দলিল কৰি লয়, শ্ৰমিকজনৰ বুঢ়া বাপেকে কাবুলীৰ ওচৰত অনুনয় বিনয় কৰাত তেওঁকো বিহ খুৱাই মাৰিলে। এই কথা ডি-চি, শ্বিলং, মন্ত্ৰী আদিলৈও লিখা হৈছে কিন্তু কোনো কাম হোৱা নাই। কাবুলীয়ে মাটিও গ্ৰাস

কৰিলে, মানুহকো মাৰিলে কিন্তু তথাপিও বিচাৰ নাই। পুলিচ চকীৰ কাৰণে ঘৰ-দুৱাৰ বান্ধি দিয়াৰ পৰা জনসাধাৰণৰ কোনো প্ৰকাৰে উপকৃত হব পৰা নাই। মই গৃহ দপ্তৰৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো ই কাৰ অযোগ্যতাৰ প্ৰমান মন্ত্ৰীৰ নে বিভাগটোৰ ?

অধ্যক্ষ মহোদয়, প্ৰথম বৈঠক বিধান সভাতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰম্‌ফ জম্‌ফ কৰি ষ্টুকচাৰেল চেঞ্জ আৰু সৰ্ব্বসাধাৰণ মানুহৰ বাবে প্ৰশাসনিক ব্যৱস্থা সহজ, দূনীতিমুক্ত আৰু চমু ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু সেইবোৰ আজি পাহৰি গ'ল। ধৰক ৰাজহুৱা ধন খৰচ কৰি অসমৰ পূবপ্ৰান্ত তিনিচুকীয়াৰ পৰা বা পশ্চিমবঙ্গ ধুবুৰীৰ পৰা মহকুমাৰ বিষয়াৰ চিঠিৰ নম্বৰ লৈ ডিচপুৰ পায়, মন্ত্ৰী ডাঙৰীয়াৰ হস্তাক্ষৰ লৈ চিলং পায়। কিন্তু উক্ত প্ৰতিনিধি দলে কাগজ চিলং পোৱাৰ পিছত কোনো উত্তৰ নাপায় আন কি শেষত সেই দৰ্খাস্ত ক'ত গ'ল বিচাৰি উলিয়াব নোৱাৰে। কোনো মন্ত্ৰী বা বিষয়াৰ পৰা দাৰ্খস্ত বা চিঠিৰ উত্তৰ পোৱা নাযায়। এই দীঘলীয়া আৰু দূৰ্নীতি পূৰ্ণ প্ৰশাসনিক ব্যৱস্থা নিকা আৰু চমু কৰিব নোৱাৰিলে বক্তৃতাৰ দ্বাৰা ৰাইজৰ উপকাৰ কৰা নহব।

শ্ৰীনগেন বৰুৱা : মাননীয় অধ্যক্ষ, মহোদয়, ৩-৪-৫ নং কৰ্তন প্ৰস্তাবটো সমৰ্থন কৰি মই দুষাৰ কব বিচাৰিছো। আমাৰ মাননীয় সদস্য সকলে আমাৰ প্ৰশাসন যন্ত্ৰটো কি ভাবে চলিছে সেই সম্পৰ্কে ভালকৈ ব্যাখ্যা কৰিছে। আমাৰ জনসাধাৰণৰ যিটো উদ্বেগ সেইটো প্ৰকাশ পাইছে। মই এটা কথা কব বিচাৰিছো যে আমাৰ জিলা পৰ্য্যায়ৰ কেৰেনিসকলে বা সচিবালয়ৰ কেৰানিসকলে আজি দুৰ্নীতি কৰিছে। তেওঁলোকৰ জনসাধাৰণৰ যি সেৱা আগবঢ়াব লাগিছিল সেই সেৱা আগবঢ়াব পৰা নাই। সেই খিনি ক্ষেত্ৰত আজি বিফল হৈছে। আজি তেওঁলোকে জনস্বাৰ্থৰ খাতিৰত সেৱা আগবঢ়াব পৰা নাই। আমাৰ উচ্চ পদস্থ বিষয়া বা যিসকল গাদীত আছে সেই সকলে যদি আদৰ্শমূলক দৃষ্টান্ত দাঙি ধৰিব নোৱাৰে তেন্তে যি সকলে তেওঁলোকক মানি চলে সেইসকলৰ পৰা কোনো ভাল ফল আশা কৰিব নোৱাৰি। আজি আমাৰ সংবিধানত আছে যে জনস্বাৰ্থৰ খাতিৰত সকলো কাম কৰা হয়। বদলি বা প্ৰমোচন আদি জনস্বাৰ্থৰ খাতিৰত কৰা হয়।

মন্ত্রীসকলে যদি নিষ্ঠাৰে সৈতে কাম কৰে তেন্তে আন সকলেও জনস্বাৰ্থৰ খাতিৰত কাম কৰিবলৈ বাধ্য হয়। আমাৰ চৰকাৰে ভাবমূৰ্ত্তি প্ৰকাশ কৰিছিল যে 'গৰীবি দূৰ কৰিব। আজি এই নতুন মন্ত্ৰী সভা গঠন কৰাৰ এবছৰ ডেৰ বছৰ পাৰ হৈ গল তেওঁলোকে জনসাধাৰণৰ কাৰণে কি কৰিলে ? তেওঁলোকৰ কি সুবিধা কৰি দিলে। আমাৰ উচ্চ পদস্থ বিষয়া সকল যদি কৰ্ম্মৰত নহয় বা মন্ত্ৰীসকল কৰ্ম্মৰত নহয় তেন্তে কোনো কামতে জনসাধাৰণক আগবঢ়াব নোৱাৰে। কালি প্ৰশ্নোত্তৰ কালত সোধা হৈছিল যে পৰিবহন বিভাগৰ জেনেৰেল মেনেজাৰজনক কিয় দুটা দায়িত্ব দিয়া হৈছিল ? এই ধৰণে কৰাৰ ফলত হৈছে কি ? আজি বাচ নাই চকা নাই যিমান বিলাক বাচ লাইনত চলিব লাগে সিমান বিলাক বাচ চলা নাই। এতিয়া প্ৰেট্ৰোলৰ দাম বাঢ়িছে। তাৰ ফলত জনসাধাৰণৰ সমস্যাই দেখা দিছে। যি জনক দায়িত্ব দিয়া হৈছে তেওঁ তিনিদিন এঠাইত থাকে আৰু তিনিদিন আন ঠাইত থাকে। এই বিষয়া জন এনে এফিচিয়েণ্ট হল নেকি যে দুটা বিভাগৰ দায়িত্ব দিয়া হৈছে ? মন্ত্ৰী মহোদয়ে হয়তো দুই এটা ক্ষেত্ৰত সন্তোষ হব পাৰে। কিন্তু সৰ্ব্বসাধাৰণ অকনো সন্তোষিত হোৱা নাই। মই জনসাধাৰণৰ অভিজ্ঞতাৰ ফালৰ পৰা এই কথাটো কৈছো। তাৰ পিচত আমাৰ এগ্ৰিকালচাৰেল প্ৰদাকচন কমিচনাৰৰ এটা পদ আছে। কৃষিৰ নিচিনা এটা দায়িত্বপূৰ্ণ বিভাগৰ দায়িত্ব এজন মানুহক দিব লাগে। কিন্তু তেওঁক দুই তিনিটা বিভাগৰ দায়িত্ব দিয়া হৈছে। ঠিক সেই টৰিজিমৰ ডিৰেক্টৰক একচাইজ কমিচনাৰ কৰা হৈছে। ইয়াত অনেক উন্নয়নমূলক কৰিব লগা আছে। কিন্তু এই ধৰণে কৰাৰ ফলত তলৰ বিভাগ বিলাকত কাম কৰিব নোৱাৰে। প্ৰশাসন যন্ত্ৰ যদি ভাল কৰিব লগা হয় তেন্তে যি যত যি ভাবে থাকিব লাগে ঠিক সেই ধৰণে ৰাখিব লাগে। তেতিয়া হলে এটা বিভাগ ভালমতে পৰিচালিত হব।

অধ্যক্ষ মহোদয়, আৰু এটা কথা সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো আৰু এই কথা কাগজে-পত্ৰেও ওলাইছে যে, দিল্লীত আমাৰ যিটো অসম হাউচ আছে তাত এজন আই, এ এচ বিষয়া আছে। তেওঁক তাত এটা বিশেষ দায়িত্ব চলাবৰ কাৰণে দিয়া হৈছে কিন্তু তেখেঁতে তাত বিশেষ দায়িত্ব পালন কৰিছেনে ? সেই সম্পৰ্কে আমি মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিছিলো আৰু বিধান সভাতো উপস্থাপন কৰা হৈছিল। অসম চৰকাৰৰ পৰা যিবিলাক

কাগজ-পত্র কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিবৰ কাৰণে যায় সেইবোৰ কাম তেখঁতৰ দ্বাৰা একো হোৱা নাই। কলিকতা আৰু দিল্লীত থকা অসম হাউচৰ শিতানত বহুতো টকা খৰচ কৰা হৈছে। তাত ভাষা আন্দোলনৰ সময়ত কি ৰকমৰ ঘটনা ঘটিছিল, তাৰ তদন্তৰ দাবীও কৰা হৈছিল আৰু মুখ্যমন্ত্ৰীয়েও কৈছিল যে, সেইবিলাকৰ মীমাংসা হব কিন্তু আজিলৈকে তাৰ একো ব্যৱস্থা নহল। আচলতে তাত থকা কেৰানীয়ে এই কাম বিলাক চলাই আছে। এই কথা আমি মন্ত্ৰী মহোদয়ৰ ওচৰত লিখিত ভাবেও জনাইছিলো। ইয়াৰোপৰি ইয়াৰ পৰা কিছুমান অফিচাৰ গৈ তাত মদে ভাতে খাই পিচদিনা গুৱাহাটীত অফিচ কৰেহি। এই বিলাক কথা কাগজে পত্ৰে ওলাইছে। আমি গৈ দেখিছো যে, তাত চিট বুক কৰাৰ কথা নাই, টকা পইচা দিয়াৰ কোনো নিয়ম নাই মুঠতে এইটো এটা 'ব্ৰথেল হাউচ' হৈছে।

Shri Syed Ahmed Ali : I think Sir, that word should be withdrawn. He used the word'' brothel House".

Mr. Speaker : Has he used that word ?

(Voices : Yes, yes).

Mr. Speaker : I would expunge that word from the proceedings. Or you may withdraw the word.

Shri Nagen Barua : Yes Sir.

Mr. Speaker : He is to withdraw the word or I shall expunge the word from the proceedings.

Shri Gaurisankar Bhattacharjee : Perhaps he used the word "Bad House".

Mr. Speaker : No he himself has admitted it.

Shri Dulal Chandra Barua : Sir, Night House will it be unparliamentary ?

**Mr. Speaker :** No, I think you are not interested in hearing the Chief Ministers reply.

**শ্ৰীনগেন বৰুৱা :** মই এইটো উঠাই লৈছো। মই এই খিনিকে কৈ কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰীশৰত চন্দ্ৰ সিংহ মুখ্যমন্ত্ৰী :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যসকলে পৰিপুৰক মঞ্জুৰী দাবীৰ শিতানত বহুখিনি পৰামৰ্শ আগবঢ়াইছে, তাৰ কাৰণে তেখেঁতসকললৈ মই ধন্যবাদ জনাইছো। প্ৰথমতে মই মন্ত্ৰীসকলৰ ভ্ৰমণ বানচ সম্পৰ্কে কওঁ। কাৰণ মন্ত্ৰীসকলৰ ভ্ৰমণ বানচৰ কথা বহলভাৱে আলোচনা কৰা হৈছে। মন্ত্ৰীসকলৰ কাৰণে আগতে যি ভ্ৰমণ বানচ নিৰ্দ্ধাৰিত কৰা হৈছিল সেইয়া আছিল ২ লাখ ২০ হাজাৰ টকা। এইবাৰ পৰিপুৰক দাবী যি কৰা হৈছে তাত মাত্ৰ ১০ হাজাৰ টকা ধৰা হৈছে। আৰু এই ১০ হাজাৰ টকা বৃদ্ধি হোৱাতো এটা কাৰণ হৈছে। কাৰণ যোৱা ১৪ মে তাৰিখৰ পৰা দৈনিক যি এলাওঞ্চ সেইটো বৃদ্ধি কৰা হৈছে সেইকাৰণে বাঢ়িছে। আৰু অফিচাৰ সকলৰ কাৰণে বিচৰা হৈছে ৩০ হাজাৰ টকা, আৰু অন্যান্য তলতীয়া যি সকল কৰ্ম্মচাৰী আছে তেওঁলোকৰ বাবে বিচৰা হৈছে ৬০ হাজাৰ টকা আৰু এই কথা মাননীয় সদস্য সকলে উল্লেখ কৰিছে যে, এই টকাৰ প্ৰয়োজনো হৈছে। শ্বিলঙৰ পৰা ৰাজধানী ডিচ-পুৰলৈ অনাৰ উপলক্ষে এই কথা ঠিক যে, কিছুমান অফিচাৰে আজিও ইয়ালৈ কামত আহি পুনৰ উভতি যাব লগা হৈছে। সেই কথাটোও ইয়াৰ ভিতৰতে আছে। যিবিলাক অফিচাৰ ইয়ালৈ আহিছে, সেই সকলৰ ভ্ৰমণৰ বানচ আগতে ধৰা হোৱা নাছিল আৰু সেই বাবেই আজি এই অতিৰিক্ত ভ্ৰমণ বানচ বিচৰা হৈছে।

অধ্যক্ষ মহোদয়, যি পৰিস্থিতিত এইটো বিচৰা হৈছে, সেই পৰিস্থিতিৰ গুৰুত্ব বিবেচনা কৰিলে সেই কথা নিশ্চয় মাননীয় সদস্যসকলে স্বীকাৰ কৰিব যে, এইটোৰ নিতান্ত প্ৰয়োজন। তাৰ পিচত মহোদয়, যিবিলাক অভিযোগ ইয়াত উত্থাপন কৰা হৈছে, তাৰ তালিকা বৰ দীঘলীয়া। সকলো কথাৰে সম্পূৰ্ণ উত্তৰ দিব পৰা সম্ভৱ নহব। বিশেষ বিশেষ যি কেইটা বিষয় উল্লেখ কৰা হৈছে, সেই বিশেষ কথা কেইটাৰ প্ৰতিকাৰ কৰিবৰ কাৰণে যত্ন কৰিম। আজি সাধাৰণ ভাৱে যিবিলাক কথা উল্লেখ কৰা হৈছে, যিবিলাক দোষ ক্ৰটিৰ কথা আলোচনা কৰা

হৈছে সেইবিলাক কথা আমাৰ সদনত বহুবাৰ আলোচনা কৰা হৈছে আৰু চৰকাৰৰ ফালৰপৰা আমি স্বীকাৰ কৰিছো যে আমাৰ প্ৰশাসনীয় ব্যৱস্থাতো যি ধৰণে হব লাগিছিল সেই ধৰণে আমি কৰিব পৰা নাই। আজি আমাৰ মাননীয় সদস্য সকলে কৈছে যে, এজন মন্ত্ৰীক এখন দৰ্খাস্ত দিলে সেই দৰখাস্তৰ কোনো খবৰ আমি নাপাও। কিন্তু এইটো কথা সদস্য গৰাকীয়ে নিজেই জনা উচিত যে, দৰ্খাস্ত খনত মন্ত্ৰী গৰাকীয়ে চহি কৰি চেক্ৰেটৰি আদিলৈ পঠাই দিয়ে আৰু এইধৰণে তললৈ খাপে খাপে আহি আকৌ ওপৰলৈ যাওতে দৰ্খাস্তখন হেৰাই যাবও পাৰে। সেইকাৰণে প্ৰশাসনীয় ব্যৱস্থাটোৰ আমোল পৰিবৰ্ত্তন কৰিব লাগে। যদি আমি যোগ্য অফিচাৰ দিব নোৱাৰো বা প্ৰশাসনৰ পৰিবৰ্ত্তন সাধন কৰিব নোৱাৰো তেনেহলে যোগ্য অফিচাৰ ৰাখিলেও একো কৰিব নোৱাৰে। এই উদ্দেশ্যে ব্যৱস্থা কাৰ্য্যকৰী কৰিবৰ কাৰণে ৰাজ্যিক পৰ্য্যায়ত এটা কমিটিও গঠন কৰি দিয়া হৈছে। আৰু এই উদ্দেশ্যে কমিটিয়ে পৰামৰ্শও দিছে। প্ৰশাসনৰ আমোল পৰিবৰ্ত্তন সাধন কৰিবলৈ হলে অফিচাৰ সকলৰ বিশেষ বিশেষ কামৰ দায়িত্ব দি সেই কাম সম্পাদন কৰিবলৈ দিব লাগিব। এই কাম কৰিবলৈ হলে কেইবা খলপো ডাঙি দিব লাগিব। পোনপটিয়া ভাৱে জনসাধাৰণৰ লগত যোগা-যোগ স্থাপন কৰিব লাগিব। কিন্তু এইটো কৰাও বৰ সহজ নহব। আজি আমাৰ কৰ্ম্মচাৰী সকলক প্ৰমোচন লাগে। এল, দি হলে ইউ দিলৈ প্ৰমোচন লাগে। তাৰ পৰা এচিষ্টেণ্ট চুপাৰিণ্টেনদেণ্ট, আৰু তাৰ পৰা চুপাৰিণ্টেনদেণ্ট, তাৰ পাছত ৰেজিষ্টাৰ আৰু তাৰ পাছত এদমিনিচটেটিভ অফিচাৰ বিচাৰে। তাৰ ওপৰত আণ্ডাৰ চেক্ৰেটাৰী, তাৰ পিচত ডেপুটী চেক্ৰেটাৰী, তাৰ পিচত চেক্ৰেটাৰী, তাৰ পিচত জইণ্ট চেক্ৰেটাৰী, এনে ধৰণৰ যি বিলাক ব্যৱস্থা জনসাধাৰণৰ ওপৰত জাপি দিয়া হৈছে সেই ব্যৱস্থা বিলাক যিমান যন্ত্ৰ কৰিছো, যিমানে সম্পাদন কৰিব বিচাৰিছো, সেই বিলাক ব্যৱস্থাই এই কাম কৰিব নিদিয়ে। এই কাৰণেই আমি বিবেচনা কৰিছো এইটো প্ৰকৃত পক্ষে প্ৰশাসন জনসাধাৰণৰ প্ৰমুখ্যে কৰিব লাগে তেনেহলে প্ৰশাসন নিকা কৰিব লাগিব। এইটোৰ কাৰণে জনসাধাৰণৰ লগত পোনপটীয়া সম্পৰ্ক ৰাখি যাৰ যি দায়িত্ব সেই ভাৱে সম্পাদন কৰাৰ ব্যৱস্থা কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, কিছুদিনৰ আগতে ইয়াত এখন দলং ভাঙিছিল। সেই দলং কেইখন কি কাৰণে ভাঙিছিল সেইটো অনুসন্ধান কৰিবলৈ এটা কমিটি কৰি দিছিলো। এই কমিটিয়ে এই দলংখন ভঙা'ৰ প্ৰমাণ পাইছে। কিন্তু কাৰ দোষত এইটো হল এইটো প্ৰমাণ কৰিব পৰা টান। যদি আমি যি কেইজন বিষয়াই তেনে কাম কৰিছে সেইটো নিৰ্ণয় কৰিব নোৱাৰো তেনেহলে এই চৰকাৰে কৰাটো সহজ নহয়। আজি প্ৰশাসনীয় ব্যৱস্থাত দায়িত্ব নিৰ্ণয় কৰা টান যদিও দায়িত্ব এৰি দিয়া সহজ। কিন্তু কাৰ অৱহেলাত এই কাম হল সেইটো নিৰ্ণয় কৰা টান। কিবা এটা কথাৰ লেগুৰত ধৰি ধৰি গৈ থাকিলে এনেকুৱা এটা অৱস্থাত উপনিত হোৱা হয় যে তাৰ লিংকেই ধৰা টান হৈ পৰে। সেই কাৰণেই অধ্যক্ষ মহোদয়, আমি এইটো কথা নভবা নহয় যে আমাৰ প্ৰশাসনীয় ব্যৱস্থাত ভালেখিনি ক্ষুট আছে। কিন্তু যেতিয়ালৈকে নিকা প্ৰশাসন প্ৰতিস্থা কৰিব নোৱাৰি তেতিয়ালৈকে ভাল বেয়া এই পদ্ধতিৰ ভিতৰেদি যিমান দুৰ সম্ভৱ কাম সম্পাদন কৰিব পৰা যায় সেই দৰেই কৰিব লাগিব। আৰু নিকা কৰিবলৈ যত্ন কৰি থাকিব লাগিব।

মন্ত্ৰী সকলৰ বিষয়ে কিছু অভিযোগ উত্থাপন কৰা হৈছে। এই অভিযোগ বিলাক সদনত উত্থাপন কৰাতকৈ মাননীয় সদস্য সকলৰ লগত আমাৰ যি সম্পৰ্ক সেই মতে ব্যক্তিগত ভাৱে এই খিনি অভিযোগ আলোচনা বিলোচনাৰ মাধ্যমেৰে হয়টো মন্ত্ৰী সকলৰ কৰোবাত দোষ ত্ৰুটি আছে সেই বিলাক সংশোধন কৰিব পৰা যায়। এই ব্যৱস্থাৰ দ্বাৰা মন্ত্ৰী সকলক ৰাইজৰ ওচৰত হেয় পতিপন্ন কৰিবলৈ চেন্টা কৰা হৈছে। আজি আমি মন্ত্ৰী হৈ আছো আমাক ৰাইজৰ ওচৰত হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিলে কালিলৈ বিৰোধী পক্ষৰ মানুহ আহি মন্ত্ৰী হব তেওঁলোককো হেয় প্ৰতিপন্ন কৰিবলৈ চেন্টা কৰিব আৰু সেই দৰেই জনসাধাৰণৰ মাজত ইমেজটো ম্লান কৰিবলৈ চেন্টা কৰা হব। আৰু প্ৰশাসনীয় দুনীতি দুৰিকৰণৰ প্ৰচেন্টা ব্যাহত হব। মই কব খোজা নাই যে ইয়াত যি সকল আমি বহি আছো আমি সকলো দেৱতা। গতিকে আমি ইয়াৰ প্ৰকৃত কাৰণ উলিওৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। যেনেকৈ আমি আদালতৰ জ'জ জনক সন্মান কৰো, সমালোচনা নকৰো সেই দৰেই মই ভাৱো যে এই দৰে ইয়াত আলোচনা নকৰিলে ভাল হয়। এই দৰে সমালোচনা কৰিলে দুন্ট প্ৰকৃতিৰ যি বিলাক লোক আছে সেই বিলাক উৎসাহিত হয়। তেওঁলোকে কব যে অমুক

মন্ত্ৰীয়ে এনেকুৱা কৰিছে আমি কৰিলেনো কি হব এইদৰে ভাবিব। সেই কাৰণেই মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো মন্ত্ৰীৰ দোষ ত্ৰুটি আচাৰ ব্যৱহাৰ বাক্য বচনে কিবা থাকিলে সেই বিলাক মোক জনালে তাৰ বিহিত ব্যৱস্থা কৰিবলৈ যত্ন কৰিম।

শ্ৰীসোনেশ্বৰ বৰা : আলোচনা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে সুবিধা দিবনে -

শ্ৰীশৰৎ চন্দ্ৰ সিংহ মুখ্যমন্ত্ৰী : মাননীয় সদস্য সকলৰ লগত আগতে যেনেকৈ দেখা হয় তেনেকৈ আলোচনা কৰিব পৰা যাব।

মাননীয় সদস্য সকলে কনচালটেটিভ কমিটিৰ কথা উল্লেখ কৰিছে। কনচালটেটিভ কমিটি ৰাজ্য বিলাকত আছেনে নাই কব নোৱাৰো। আমাৰ এসময়ত ইয়াত আছিল। সেইটো কেনেকৈ কি কৰিব পৰা যায় এইটো এটা বিচাৰ্য্যৰ বিষয়। এইটো চিন্তা নকৰাকৈ কোৱা টান। মাননীয় সদস্য শ্ৰীশইকীয়াই কৈছে যে এইটো কৰিলে খৰচ বাঢ়িব। কিন্তু মই কও যে যদি কাম হয় তেনেহলে খৰচৰ কথা চিন্তা কৰিলে নহব।

পুলিচ বিভাগৰ ওপৰত অভিযোগ অনা হৈছে। পুলিচ বিভাগৰ ওপৰত অভিযোগ আছেই। এই বিলাক সাধাৰণ আলোচনা। কিন্তু আমাৰ বিষয়টো হল পুলিচৰ ঘৰ বান্ধি দিয়াৰ কথা। ঘৰ বন্ধাৰ যিটো ব্যৱস্থা সেইটো পুলিচ কমিশ্যনৰ ৰিপট মতে। আৰু মাননীয় সদস্য সকলে এইটো কথা স্বীকাৰ কৰিছে। সকলোৱেই এই কথা উপলব্ধি কৰিছে যে নিম্ন বেতনৰ বিষয়া সকলৰ ঘৰৰ ব্যৱস্থা থাকিব লাগে পুলিচ বিভাগটোৰ প্ৰশাসন নিকা কৰিবলৈকে ঘৰৰ ব্যৱস্থা কৰিব লাগিব। এই পুলিচ বিভাগৰ ওপৰত নানা ৰকমৰ অভিযোগ আহিছে। যিমান বিলাক কথা উত্থাপন কৰিছে সেই আটাই বিলাক কথা মই একো আষাৰতে কৈ শেষ কৰিব নোৱাৰো। ইয়াত বিশ্বনাথ চাৰিআলিৰ পৰা আৰম্ভ কৰি ধুবুৰীলৈকে পুলিচৰ ওপৰত অভিযোগ আনিছে। এই বিলাক কথাৰ মই তদন্ত কৰি বিহিত ব্যৱস্থা কৰিম। মই গোটেই বিলাক কথাৰ উত্তৰ দিব নোৱাৰো। ৰাজধানীৰ সম্পৰ্কে মোক এটা বিবৃত্তিদিবলৈ কৈছিল। মই সেইটো দিম। স্থায়ী ৰাজধানীৰ কথাটো মোৰ হাতত নাই। এইটো কমিটিৰ হাতত আছে সেইটো তেখেত সকলে বিবেচনা কৰিব। এই খিনি কথা কৈয়ে মই মাননীয় সদস্য

সকলক অনুৰোধ কৰিছো যাতে তেখেত সকলৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই লয় ।

শ্ৰীসোনেশ্বৰ বৰা ঃ মই এটা কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে, তেখেতে আগতে স্থায়ী ৰাজধানীৰ কাৰণে দুখন ঠাইৰ নাম উল্লেখ কৰিছিল। সেই দুখন হল শিলঘাট আৰু চন্দ্ৰপুৰ। কিন্তু এতিয়া তৃতীয় এখন ঠাই ৰাজধানীৰ কাৰণে বিবেচনা কৰিছে বুলি শুনিছো। এই ঠাই খনৰ নামটো জনাবনে ?

Mr. Speaker : Order, Order. It is now 4'0 clock. I put the grants. The question is that grant Nos. 3 to 27 be passed.

(The motion was adopted - The grants were passed)

Now we will take up Appropriation Bills. The bills will be circulated to the Hon'ble members. (The bills were circulated)

Shri Sarat Chandra Sinha : Sir, I beg to leave to introduce the Assam Appropriation (No. IV) Bill 1973.

Mr. Speaker : Has the Hon'ble Minister got the leave of the house to introduce the Bill ?

(Voices-Yes, Yes)

Now here is a message from the Governor which reads as follows : "Under the provision of Article 207 (1) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend the introduction of the Assam Appropriation (No. IV) Bill, 1973 in the Assam Legislative Assembly.

Sd/-Lallan Prasad Singh
GOVERNOR OF ASSAM

Shri Sarat Chandra Sinha : I beg to introduce the Assam Appropriation (No. IV) Bill.

(Secretary, Legislative Assembly, read out the title of the Bill)

Mr. Speaker : Now here is a message from the Governor which reads as follows" Under the provision of Article 207 (3) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend that the Assam Appropriation.

(No. IV) Bill, 1973 be taken into consideration by the Assam Legislative Assembly.

Sd/ Lallan Prasad Singh,
GOVERNOR OF ASSAM

Shri Sarat Chandra Sinha : I beg to move that the Assam Appropriation (No. IV) Bill, 1973 be taken into consideration.

Mr. Speaker : Motion moved.

*Shri Gaurisankar Bhattacharjee : Sir, I should like to speak a few words at this stage on the 'Assam Appropriation Bill'. To-day only a few items could be discussed during the Cut Motions and quite a few have remained. Thus which have remained are not less important; but we could not discuss them because of the fact that these did not find place in the printed book at the beginning. Therefore, we could not naturally ration our time and had

*Speech not corrected

to appropriate the whole of the day in these few items only. I should like to submit that the rest of the items need some amounts of cool consideration by this house. And in that context the entire financial framework of our State also should be taken into consideration. I don't want to go into the two general things which the Chief Minister was pleased to introduce. I do agree with him that in the present context things, every thing cannot be alright. I do agree with him that the present structure of Govt. is not only a capitalist structure but it is the hangover of a Colonial imperialists rule. The entire administrative machinery was created by a foreign government from a far off country through the system of bureaucracy which we called the steel frame. And, therefore, certain prospects in the hierarchy of services had to be given. The Chief Minister was pleased to say that there are as many as 10 steps or 10 limbs in the hierarchy. Probably in a socialist state, at least 7 of them would have been quite unnecessary. And in that way probably quite a good deal of peoples good money could have been saved. But unfortunately they talk of socialism and we are cying hoarse. As a matter of fact we are living very much in a capitalists society and therefore these expenses cannot be avoided. It is also true, as the Chief Minister said, that when somebody enters into a service he actually enters into a career and it is also natural for him to think of his future prospect or promo ion or lift and when there is no such scope, all these Committees and Commissions come, whether you call it Adminis-

trative Reforms Commission or whatever that may be. Only where there is a structure as capitalist, whatever reforms is made, it is only a reform in the capitalist structure and in order to avoid stagnation, new steps, new intermediary and very often unnecessary and costly steps are created only to overcome or avoid stagnation. Therefore, we find that unproductive expenditure is dominating and for productive purposes we are always in dirth of money. But then having agreed to this fundamental things. It remains that if we do not propose to completely overthrow the present structure by a means of violence or non-violence or if we think or if we believe that some good can be done to the people even through this administration, every effort should be made in that direction. Our complaint to the present Govt. is not because the present Government has not been able to make our country socialist. I say, and I repeat, that the present Govt. cannot and will never make our country socialist. They cannot make it. They shall not make it. we know it very well; why ? Are they bad people ? No. They are very good people. probably most of them are better than me. Even then they cannot do it, because of the very system, because of the very machinery, because of the very social structure. Socialism is something which is to grow. If the present structure is completely uprooted and overthrown, then only on the basis of the structure new realignment of the productive forces, socialist society will grow. But then that is a ideological

fundamental question. I need not go to that. I only say this much that lef us not hoodwink the people. we are out to build socialism. Socialism will come, shall have to come, if we are to live. But that will not come through this logic, that will come through some other process. But then this Govt. itself can atleast do some good to people even within the present structure. Are they doing it or do they propose to do, it ?

So far as the items that find place in this book I find that there are quite a few which relate, for example, to land acquisition cases. I am taking that pariticular matter first because land is, in a semi-colonial, semi-feudal, semi-capitalist society like ours, the most important factor. In the matter of land acquisition what do we find ? Not this time alone- I do not blame the present Ministry alone - this we have seen for the last 20 years ; always in the matter of land acquisition there is some shady deal and this always comes through supplementary demands and not through the general budget, because some intermediaries and they are in various spheres in society – there are some whom we cannot mention here ; in different stages of society in different places they enter into certain deals and here in the suppl ementary demand they come as fait accompli. Let us go back in our recollection to a time when we decided there should be compensation even for annual patta land. At that time I was also associated with the dicision. At that time our consideration was that as the O. N. G. C. has come

the Fertiliser Corporation has come and there will be quite a lot of acquisition, of land and as the lands will go to agencies which are not within the State it will be better if our poor villagers get a little money even for their annual patta lands. At that time Shri Fakruddin Ali Ahmed was a Minister - I was on this side and he was on the other and we all agreed that annual patta land holders should also get compensation. Shri Ali Ahmed had thousands of bighas of annual patta land and I had none. That did not matter and we all agreed. There the racket started, and thereafter several strata of society, people of different sectors adorning very respectable positions got themselves involved. This happened on a large scale at O. N. G. C. at Sibsagar district. Quite a few good names were also drawn into the arena as being beneficiaries not in very respectable way. This developed also in the mater when for defence purposes lands were taken at Morangi, this happened which lands were taken for defence purposes at Sonapur, this happened when for defence and other purposes lands were taken at Barjhar, this also happened for the lands taken for Railway and what not. This did not confine only to those lands which were taken for Central Government or Central Governmental organisations. This percolated and spread. This has now been eating into the vital of our State itself. Apart from the money that is going out from the exchequer, this has been eating into the moral of the society. What is of most concern is not land or money but the strata of people involved here. Some people are

so respected and respectable that we cannot criticise them, they have become involved. Not only Mandals, Kanungoes S. D. Cs, Land Acquisition Officers, their cleks and lawyers but quite a few others. As the Chief Minister says that their names should not be stated , I do not propose to give their names but everybody could imagine. This is the feature for the long 20 years. I would, therefore, request that in future in the matter of land acquisition the Government should be very vigilant and if anybody is found guilty there should not be any pardon. I do not propose to cite concrete cases. This will come on the third.

The second thing in this connection is with regard to industrial matter. I am sorry that my friend the Indurtries Minister did not get an opportunity of moving his demands for special employment programme and also for the Assam Gas Company not because these two specifically or individually are very important items but if these things would have been discussed probably there would have an opener for re-consideration or re-thinking about our industrial approach. I must say with all humility that in spite of the best wishes that might be there in the Govt. during the tenure of the last two years, we are in a hopelessness so far as our industrial offers are concerned. In the name of helping the young unemployed enterpreuners we have in many places encouraged corruption - I repeat we have encouraged corruption. I know a particular affair. That was immediately when the present Chief Minister came to power, and he was confronted with that situation. That

situation was about Parafin wax, there was so to say scrambling for permit for Parafin wax and a large number of young enterpreuners - local educated youths - came with applications, and I think with best of intention the Government was pleased to grant quite a large number of permits to them. I am extremely sorry to say that 90% of them sold their permits to those whom the Government wanted to deprive. When this matt-r was reported to a Minister in confidence because the C. M. says that quite a few things should be said in confidence he stated "At the teething time- teething is very popular with the Chief Minister - there are certain defects. Afterall they need some amount of capital. Even if by selling Parafin wax permit, wheatbran permit or rice bran permit if some of our young people get a little capital that will be good because they will invest the money in other Industries. Thus, we find that a large number of the young enterpreneurs spent the money in other industries. Some of them purchased motor cars and utilised the loan in other ways and did many other things. Some of those enterpreneurs did well, and they did hard work. They took money and returned the money. But there are others, they not only did not return the money they took from the Bank but when the Branch Manager of the State Bank of India approached one of them to return the money, he threatened him and told him "Brahmaputra is not far". The Branch Manager approached me also. By extending a helping hand he became enemy of the Assamese people and not a friend.

I would request that Government should stop these illegal things and be in a position to create confidence for others. Sir, what is the general situation today ? It is just like the boiling of big can of sugarcane juice. Many of us have come from villages and, perhaps, we have seen how good molasses is prepared from the juice from the sugar cane. When heat is given under that can and when the can full of the juices become heated, then 'Gara' comes out. Similarly, when the situation becomes almost revolutionary and heated, seeds come to the top, in Assamese we call it 'Gara'. Those cultivators who know preparation of molasses, they remove that and give further heat and thus grow molasses. In our society a lot of garas come out on the surface Govt. should be in a position to remove the 'gara' from the surface. otherwise all efforts will be fruitless I do not want to say further about this. I should only like to say, if things go on this way, there will be demoralisation in the society. All those people who come to the Govt. are not bad people. what I actually want to say is that those who are in the helm of the affairs of the Government, they should be not only honest, they should be above suspicion like, "Caeser's wife". Then there will be confidence in the minds of the people. Unless and until people get confidence, unless and until people are lead to national development activities, all talks of socialism are nonsense. There cannot be socialism in the midst of starving popuiation. If we are to build socialism, it is to be built by hard labour

of the people. 25% of the population remain under starvation level and cannot work. That is the thing which I hope Government will consider. Then there is another thing. The other day I had the occasion to meet some of the industrialists of the Assam Gas Company. He said "Please see, what I have done and what you have done. Why this ? Why do Govt. function and has Government nothing to do in consultation with us" ? After all without capital there cannot be socialism. Even if a feudal system is to go for socialism, there must be capital formation. You can run through it but you cannot avoid it. A society cannot go immediately to socialism unless it stages goes through the different of development. You cannot avoid it. You can go by aeroplane or by railway or by bullock cart, that is a different thing but go you must.

Those people complained that long long ago in 1967 under the leadership of the then Speaker and the Chief Minister there was a conference where we people, the industrialists were invited and where the Ministers, the members of the Legislature and the top bureaucrat officials also heard us ; we also said our say ; we also criticised very vehemently ; but then, we had atleast the opportunity of saying our say ; we had certain problems and we had certain things to share with you. After 1967, we have been completely ignored ; our problems are not heard ; our suggestions are not sought, atleast in collective manner. Even if we be your enemies, will there be any harm if

you consult us in collective manner ? Did the Socialist countries in the process of their socialist developments not take the help of their arch enemies bringing specialists and machines from those countries ; all these things, they said. I could not give any answer and I cannot give because I am not Government. What I am saying, I am not saying all on a sudden. This matter. I had, in confidence, said to the Industries Minister the other day. I gave him the suggestion that whether you like it or not, it will be probably fair and better for us if you ask the industrialists also to come and allow them to speak as to what they have to say in an open and collective manner. I do not know what has been the response on the part of the Minister whether he propose to do such thing ; I hope he will.

Shri Md. Idris (Minister ) : I am grateful to Shri Bhattacherjee for the specific suggestion which he made to me. But on the early occasion, he kept an ambiguity in his statement that sometimes he whispered to a Minister and he said that capital formation should be there even by selling parafin ; I think it would be unfair for him if he does not tell whether he whispered to me or to any other Minister.

Shri Gaurishankar Bhattacherjee : The Minister is in a happy position; fortunately or unfortunately for me and for him he was not in charge. It is not my habit to name any person who is not in the House and therefore I have

purposely omitted that name, because I have not given that gentleman any notice that I am going to mention it. But one thing I can say, if I would have mentioned it, I would have given him prior notice as I have done just now. At any rate, my suggestion is—if you really propose to do something in the industrial sphere to call what you call young entrepreneurs, because after all they are young men and inexperienced, you should also call those who have got some experienced and get their advice or opinion, you may accept or reject it, but do not keep them as untouchables; let us atleast abolish untouchability in this sphere. Then again, there is another thing and that thing is the young extrepreneurs who are honest people and good people, it is not enough to give them a particular job; they should also be given the technical know- how and there should also be followup as to whether the money that has been given has been really utilised, what are the difficulties they have been facing in the process and what are the additional needs or advice or pull-up they require for development; that sort of follow-up should be there. Unfortunately, I am told that the follow-up business is not there as a result of which even those honest entrepreneurs who took to business have not been able to do very well. The last thing I want to say is this : While we should help the industrial society and our young people, we should not encourage lawlessness, we should not encourage defalcations and default.

I can cite one concrete instance; here there is one

Industrial Estate at Gauhati; It is probably one of the oldest institutions in Assam. Are we happy with the affairs of this Industrial Estate. I asked the Industries Minister that he had put there quite a number of industries, big, medium and small; have they been paying the rent ? Originally, the rent was only Rs. 6/-per 100 sq. ft. Was it not ? Did they pay ? No. Did you write them off ? No. Then for the last 20/25/10 years, they were not paying the rent, you did not write them off nor this was given for adjustment. What does it encourage ? This encourages the idea that if by some means or other once government money goes to the pocket, one need not pay. And if anybody asks for money, one may say, well, I am a young entrepreneur and you are asking money back from me ? You go to another man for money, then he may say, well, I am a highly educated Assamese gentleman and you want rent from me ? If you do this sort of thing, what shall I call it ? Shall I call it favouritism or neposisn or encourage corruption and default ? The result is-when there is the question of giving government loan, be it in village or town, there is lot of spending of the money before the loans are received. If there is a cattle loan, say, for Rs. 300/-, in order to get that loan, one does not mind if he spends Rs. 100/- before the loan is obtained, because he knows that by spending Rs. 100/- he will get Rs. 200/-. How could that be a profitable proposition ? Yet people scramble for it. Why ? Because they think that this is the government money and he has not to return it; in many cases, it has not been returned.

At Gauhati, there is a big leader ; in every function, he has got a respectful place. He took land from the Government ; it was a Government land nearabout here where we are sitting and talking ; he got many bighas, between 45 to 50 bighas of land ; because he is a political leader, because he was a legislator here and elsewhere, therefore, he got bisg plots of Government land, but the poor cultivators do not get it. But the big leader got 45 to 50 bighas of land ; first it was only annual and then he got it converted into periodic ; If it is tribal belt what does it matter ? The poor tribals do not get the land. And immediately after converting this land into periodic, he sold it to my friend's Industries department, and then that gentleman did a miraculous thing ; he took another loan as fishery loan ; he took that loan and spent it somewhere else for some other purpose. There was a low-lying area near his house. Then there was some flood and flood inundated that place ; after sometime, when the Government wantad back that loan money, he said that they should pay him compensation because, he said, the Government by failing to control the flood, had over-flooded his fishery, and his entire money-not only the money which he took from the Government to spend for the purpose, but also the money which he invested for fingerlings that have been destroyed by the flood created by the Government's inactivity should be paid to him by the Government. Whether I am to laugh at this sort of Governmental action or inaction or whether I

should weep I do not know. But I can afford to either to laugh or to weep because individually. I am in a quite confortable position ; I am afterall not an extremely poor man, but so far as the villagers are concerned for whom we shed crocodile tears in season and out of season wearing new socialism, what it will mean ?

Sir, if this sort of activities is socialism, then God save us from this socialism. In this way those who are talking of socialism, they are doing the greatest disservice to socialism because they have made the socialism a laughing stock that is the thing for which I hope and wish Govt. should not be so eloquent, I which Govt. will move for good purposes. But my heart will break if I find this Govt. is a pet of demagogue and of irresponsible demagogue. With these words, Sir, I conclude my speech on this misappropriation bill.

Shri Dulal Chandra Barua : Mr. Speaker, Sir, I would like to speak a few words on this appropriation bill.

Shri Syed Ahmed Ali (Minister) : Mr. Speaker, sir, let us fix up a time for discussion.

Mr. Speaker : I think reply may start at 5/30 p.m.

*Shri Dulal Chandra Barua : Sir, we know the bill will get through and our observations will not be given any importance by the Government. I want to point out here in the House that everytime moneys are drawn but no fruitful

*Speech not corrected

purpose was served. Sir, there is the contingency fund and this is to be used in case any contingency arises. But it does not mean that it should be used every now and then. This practice is to be stopped. Sir, there are financial rules and regulations in all financial matters of the Govt. deptts. But those rules and regulations are not properly followed by the deptts. Sir, we find that framers of these rules and regulations are violating these by themselves. Here we find that some of the items could have been very well included earlier when we passed the last budget, if there was farsightedness. Sir, the budget was placed in this House only in the last session of the Assembly and before that vote on accounts was passed. Therefore, there was sufficient time at the disposal of the Govt. to include the items in the original budget. Now, the Hon'ble Chief Minister has come forward with the Supplementary Demand and wants to get it passed from us. As I have stated, sir, the budget was passed only in the last session, i.e., in the month of last June and the vote on account was passed only in the month of Last March and April. Therefore, the supplementary demand, which has been brought before the House, is not justifiable. I hope and believe that the Govt. will try to prepare the budget in such a way that there should not be any item of supplementary demand in every Assembly Session. Sir, apart from this, I want to point out that the budget Manual, which has been prepared by the Govt., is not up-to-date and it is outdated. I have gone through this for my personal knowledge and

I find that some of the provisions of the Manual are to be amended considering the various programmes that are taken up by the Govt. This is not done as a result there are irregularies almost in all financial matters. Sir, always we find that there are anomalies and misappropriation in variousplaces. Now, Sir, coming to certain items of Social welfare Deptt, we find that the explanation was given in this way that the amount was received very late by the State Govt. from the Govt. of India", Sir, in this context I want to say that the utilisation certificate of the Govt. of India's money could never be received in in time. So is the case with this deptt. Therefore, sir, how the money could be utilised by the Social welfare Deptt. This practice continues for years together. As a result of this, there will be an accumulation of huge amount of money. So we find that the amount, which has been given, cannot be utilised by the deptt. On many occasions we find that the amount have been kept undisbursed without obtaining concurrence from the Finance Deptt. or from the Head of the Deptt.

Now, coming to E.&.D. Deptt., I would like to mention here that it can be easily termed as the deptt. of drainage of public money. Not a single project has so far been succeded . In this connection here that Kakojan Irrigation Project, which has been declared completed by the Govt., could not be utilised for any useful purpose as yet. Similarly, Jamuna project also fails to serve any useful purpose and in this connection our Estimate

Committee have made certain observations. Now, coming to Brahmaputra Flood Control Commission, I have found that the Govt. of India committeed to give nearly Rs. 3 crores during this year: But it has not yet been forwarded to the Brahmaputra Commission. Sir, I had been Delhi recently and discussed the matter there. I came to know that as no provision was shown in the budget, they could not sanction the money. In this way, sir the amount which we expect from the Govt. of India will never come and the condition of our poor people will remain the same and there will be no flood in the State. I have given certain specific cases to the Chief Minister to look into them and I do not want to go into the details of these cases. We will have ample opportunity to speak on the subject, but you must agree and the Chief Minister must agree that this Department has no budgetary control. Sir I think you remember, when you were in the Cabinet, that many crores of rupees were spent in excess of the Budget provision in the year 1970-71 and the Department could not show us where they spent the money. The money was spent but till to-day they are not in a position to tell us the projects where the money was spent. Sir, in Majuli Rs. 16.40 lakhs was spent in a particular project without any sanction estimate, and although construction was done in the year 1969-70, till to-day no sanction has been accorded. For the information of the hon. Chief Minister I would like to say that some people are going on in the name of Congressmen in North Lakhimpur and these

people are so powerful that even a good officer cannot stay there. They force the officers there to give them money without any work. The matter was brought to the notice of the Government but no action has yet been taken. Some Government officials are also in league with them and instead of asking for an explanation from the officer concerned, he was allowed to continue in the same place despite the fact that he was transferred eight times. That is way I was telling the Chief Minister this morning what is the use of having special cells when such kind of things are going on. And how can you stop these things? At the time of election you will go to the officers and ask them to give say, Rs. 10,000. Wherefrom will they get money? At the time of transfer of an Overseer to a good place he will take the help of a leading man and will come to the headquarters in a car with that man and he will spend money on the man. So naturally that Overseer will try to realise that money afterwards. The same thing is going on in the other wing also. We are to find out the snag and stop this malpractice. Sir, we are keeping an incapable person as Chairman of the B.F.C. who cannot even speak a few words, and unless the Chief Minister goes to Delhi, he cannot influence the people at Delhi. The other day the Minister was talking of quality control but how can there be quality control? Sir, unless there is control over expenditure and unless we cut our coat according to cloth, all the money will go waste. There is practically no supervision of higher officials in the field. They

are all sitting here busy in transferring officer. Sir, the allegation is that -I do not know whether it is correct or not, the Chief Minister will be able to tell us-for a transfer of an Executive Engineer to a good place he has to pay Rs. 5,000 to Rs 10,000/- and in the Secretariat one man has been entrusted with the job of transfer and he is creating havoc. This matter was brought to the notice of the Government, not only by myself but by other members also, but no action has been taken.

Now Sir, coming to the Industries Department, one from this side has already spoken about it. Sir, on that day I was wrong in saying that our Minister was sincere in developing industries in the State, but I was wrong. To-day I have found the campasition of the Board of Directors in the Small Scale Industries Development Corporation. They are of the same category, as has been pointed out by my leader. These people have been appointed on political consideration. Is there no man in Assam to man this corporation ? I got a serious allegation against the Chairman. Why this man who has got bad records should be appointed Chairman of the Corporation ? Is it the intention of the Government to give financial help to the people wearing khaddar ? The Chief Minister talk of giving facilities to the local entrepreneurs but our boys are being deprived by our own organisation. Sir, this matter was brought to the notice of the Chief Minister and I got a copy of the letter. This is regarding allotment of contract in the Sugar Mill in Cachar. Our boys have been deprived

of their legitimate claim and a contractor from outside has been given the contract and we have lost about Rs. 2/3 lakhs. Although the local boys tender was lower, it was not accepted and the tender given by an outsider has been accepted in a day and he was paid 50% as advance payment. Will the Government or the Board do the same thing in respect of the payment of other people ? No, they will not do. No, to speak of others even the E & D contractors who had completed their part of the contract and did the work allotted to them, they have not yet been paid, and yet there we have instances of payment being made within one day or so the contract was settled even by foregoing the genuine claim of the local entre-prenuers. If Government is determined to do things like this, may God help us and I have nothing to say. But if there is sincerity of purpose of doing things, there is always the way of doing it better. Now the Government proposes to bring about industrial development of the country. Are the Government sincere in their professions ? We know from experience that the Government is expert in making prompt payment when the question of their own benifit is involved in it. I only hope and trust that the Government will put to good use the amount now going to be votted by the House. There is going to be another racket in connection with the Rabi crop cultivation during the current year. In this connection also, in view of the fact that the Kharif crop had completely failed last year, I would demand of the Government to place the facts properly before

the House. Otherwise we will oppose this demand. I think the existing procedure of bringing in such Bills before the House should be changed. This is a stero-type procedure which has ceased to keep pace with the change of time. Let the experts of the Government examine the procedure and re-orient it in a manner so as to better utilise the money sanctioned by the Government for the purpose for which it is actually meant.

With these words, Sir, I conclude my speech.

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, বিনিয়োজন বিধেয়ক খনৰ ওপৰত বহুত কব লগা থাকিলেও খুব চমুকৈ দুষাৰ কব খুজিছো। জনসাধাৰণে যেনেকৈ ভাবে ঠিক তেনেকৈ জনসাধাৰণৰ প্ৰতিনিধি হিচাবে সেই একে ভাবেই মনলৈ আহে, সেইটো হল এটা অবিস্বাসৰ ভাব। জনসাধাণৰ যেনেকৈ চৰকাৰৰ সকলো কামতে এটা অবিস্বাসৰ ভাবেৰে ভাবান্বিত হব ধৰিছে ঠিক আমাৰ মাজতো সেই ভাব আহিছে। অৰ্থাত চৰকাৰে যি কাম যেনেকৈ কৰিম বুলি কয় সেই কাম তেনেকৈ নকৰে। ইয়াৰ এটা লক্ষন ফুটি উঠিছে। মূখ্য-মন্ত্ৰী ডাঙৰীয়াই অলপ আগতে বাজেটৰ কৰ্তন প্ৰস্তাবৰ উত্তৰ দিওতে এষাৰ কথা কৈছে। কথাষাৰ তাৎপৰ্য্য পুৰ্ণ বুলি মই ভাবো। তেখেতে কৈছে যে মন্ত্ৰী সকল আৰু শাসক দলক যদি বিৰোধী সকলে কৰ্ম্মচাৰীসকলৰ আগত জন-সাধাৰণৰ আগত এনে ধৰণে কঠোৰ ভাবে সমালোচনা কৰে তেতিয়াহলে কৰ্ম্ম-চাৰীসকলে চৰকাৰৰ নেতৃত্ব মানি নোলোৱাটো অতি স্বাভাবিক। কথাষাৰ মিছা নহয়। কথাষাৰ সঁচা। কিন্তু গনতান্ত্ৰিক পদ্ধতিৰ দেশ চলোৱাৰ যি ব্যৱস্থা এতিয়ালৈকে হৈছে তাক নকৰিলে অন্য এটা উপায় সাংবিধানিক ভাবে বা নিয়ম তান্ত্ৰিক ভাবে আমাৰ আগত উথ্থাপিত হোৱা নাই। এই ষাৰ কথাও সঁচা। আমাৰ দেশৰ বিধান সভা বোৰ বা পাৰ্লিয়ামেণ্টত আলোচনা বিলোচনাৰ গতি বিধি ইয়াৰ নিয়মতান্ত্ৰিক ব্যৱস্থাৰ পৰিবৰ্তনৰ আৱশ্যক আছে এইষাৰ কথাও সঁচা। মই স্বীকাৰ কৰো। কিন্তু মই এইটো কথা উপলদ্ধি কৰিছো যে, মন্ত্ৰী

সকলে যেনেকৈ তেখেঁতসকলৰ ৰক্ষনা-বেক্ষন বিচাৰে চৰকাৰৰ ফালৰ পৰা কৰ্ম্মচাৰী সকলেও সহায়ৰ কাৰণে বিধান সভাত এই বিপুল ধৰণৰ প্ৰবেশ তেখেঁতসকলে কামনা কৰে। সেই ফালৰ পৰা এইখিনি কথা মূৰঘমাবলগীয়া একো নাই। আজি যিবিলাক কথা ইয়াত আলোচনা কৰা হৈছে সেই সকলো বিলাকতে ভণ্টাচাৰ, অত্যাচাৰ দুৰ্নীতি, শোষণ আদি শব্দ কেইটাই বিভুষিত কৰিছে। আজি ৰাজধানী স্থানান্তৰ হোৱাৰ বাবেই দিছপুৰৰ নামটো বৰকৈ প্ৰকাশ পাইছে। ঠিক আলিটোৰ পূব ফালেও এডোখৰ ঠাইৰ বিষয়ে জনসাধাৰণৰ মাজত প্ৰকাশিত হৈছে। সেই ঠাইৰ নাম হল ঘোচপুৰ। কামৰূপ জিলাৰ এখন ঠাই মই আজি এই বিধান সভাৰ মজিয়াত নামাকৰণ কৰিব খুজিছো, সেইয়া হল ঘোচপুৰ। যি ডোখৰ ঠাই বৰ্ত্তমান আলিটোৰ পূৱত তৈয়াৰ হৈছে। সেই ঠাই ডোখৰে প্ৰমানিত কৰিব অসমখনৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক চৰিত্ৰটো। আজি ৰবি শস্যৰ নামত যিখিনি টকা দিছিল সেই সংক্ৰান্তত মই যোৱা বাৰ কৈছিলো, ৰবি নহৈ শনি হৈছে। সেইয়া মোৰ ভবিষ্যত বাণী নাছিল বাস্তববাণী আছিল। মই নিজে এইবাৰ কথা কৈছিলো। কোৱা বাহুল্য যোৱাকালি মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে স্বীকাৰ কৰিছে যে ৰবি শস্যৰ কোচকাবাজ কৰা হোৱা নাই। আনহাতে ৰবিশস্যৰ কাৰণে যি খিনি আৱশ্যকীয় বিধান খেতিয়কক দিব লাগিছিল যেনে ঘেহুৰ আদিৰ সঁচ এতিয়ালৈকে এইবছৰ পোৱা নহল। প্ৰচুৰ পৰিমানে দেশত ঘেহু উতপাদন হোৱা বুলি কোৱা হৈছে। ঘেহুৰ সঁচটো ৰাখিব নোৱাৰে ? কন মৰাকৈ ৰবি শস্য হৈছিল নে ? মই নিজে ঘেহু খেতি কৰিছো। ঘেহু আনি চোতালত থওঁতেই দেখিছো যে ঘেহু গজে। সেই বিলাক সিচিলেও গজিব। অৱশ্যে ফচল কিমানখিনি পাম কব নোৱাৰো। কেন্দ্ৰীয় মন্ত্ৰী এগৰাকীয়ে কৈছিল শ্ৰীশৰত সিংহই ১০ কোটি হে নেলাগে ২০ কোটি দিলেও সেই ৰবি শস্যকে কৰিব। এই বাৰ কথা কেন্দ্ৰৰ মন্ত্ৰী জনে কোৱা অৰ্থ আছে। পিচত অবস্থা তেনেকুৱাই হল। মই জানো অসমৰ বতৰত ঘেঁহু খেতি ফলবতী নহব। মই এইবোৰ কথা সদনত কওঁতে কৃষিমন্ত্ৰীয়ে দৃঢ়তাৰে কৈছিল যে ফলবতী হব। হবই। মই জানো অসমত ঘেহু চপোৱাৰ সময়ত বৰষুন হয়। গতিকে উৎপাদন ঠিক মতে নহয়। এই কথাটো মই খেতিয়ক মানুহ হিচাবে উপলব্ধি কৰিছিলো। মই সেইদিনা কৈছিলো ঘেহুতকৈ

সৰিয়হত বেচি জোৰ দিয়ক। আমাৰ চৰকাৰে আমাৰ কথা নুশুনে। কাৰণ কেন্দ্ৰীয় চৰকাৰে কৈছিল যেহু এই বাৰ কৰিব লাগিবই। গতিকে যেঁহু কৰিবই। অসমৰ মাটি আৰু বতৰ চিনি নোপোৱা এই চৰকাৰে কেন্দ্ৰই কি কব তাকেহে কৰিব। কিন্তু ইয়াত কি হৈছে। এই খেতিৰ কথা আপোনা-লোকে প্ৰমান কৰিব নোৱাৰে যদিও আমি প্ৰমান কৰিছো। আজি আমাৰ চৰকাৰে আমাৰ যি বিলাক লাগতীয়াল বস্তু সেই বিলাক যোগান ধৰিব পৰা নাই। আমাৰ দেশত অধিকাংশ লোকেই নিবনুৱা হৈছে। আজি আমাৰ ৰাজ্যখনত মেকানাইজ কালটিভেচনৰ নামত কেৱল টেক্টৰ ব্যৱহাৰ কৰা হৈছে। কিন্তু আমি যদি এইদৰে টেক্টৰ ব্যৱহাৰ কৰিবলৈ যাওঁ তেনেহলে মই ভাবো আমাৰ দেশত নিবনুৱাৰ সংখ্যা কমক চাৰি বাঢ়িহে যাব। মানুহ বিলাক এলেহুৱা হৈ পৰিব। আজি নিগম কৰা হৈছে। গোলাঘাটত পানবাৰীত এখন নিগম কৰিছে। মই সিদিনা দেখি আহিলো তাত ৩/৪ খন টেক্টৰে দিনে ৰাতিয়ে মাটি চহাব লাগিছে। অৱশ্যে মই টেক্টৰৰ পক্ষ পাতি নোহোৱা নহয়। কিন্তু যি বিলাক ঠাইত টেক্টৰ ব্যৱহাৰ নকৰিলেও হয় তেনে ঠাইত টেক্টৰ ব্যৱহাৰ কৰিব নালাগে। পানবাৰীৰ কৃষক সকল সুষ্ঠ সবল মানুহ। সেই সকলে হাল কোৰ মাৰিব পৰা মানুহ। যদি সেই নিগমৰ মাটি বিলাকত টেক্টৰ ব্যৱহাৰ কৰিবলৈ নিদি মানুহ বিলাকে নিজে পৰিশ্ৰম কৰিলেহেতেন হয়তো সময় অলপ বেচি লাগিল হেতেন তথাপি টেক্টৰ লগোৱাৰ পইচা খিনি বাচি গলহেতেন। মই জানো টেক্টৰেৰে কম সময়তে ভালে খিনি মাটি চহাব পাৰে। কিন্তু এনেদৰে টেক্টৰ ব্যৱহাৰ কৰিবলৈ গলে আমাৰ নিবনুৱা সমস্যা সমাধান হব কেনেকৈ। নিবনুৱা সমস্যা কেৱল ইমপ্লয়মেণ্টত নামটো ৰেজিষ্টাৰ কৰি-লেই বা বয়সৰ সীমা ২৫ বছৰৰ পৰা ৩০ বছৰলৈ বঢ়াই দিলেই বা আৰু কেই বছৰ মানৰ পিচত আৰু বয়সৰ সীমা বঢ়াই দিলেই নিবনুৱা সমস্যা সমাধান হব নোৱাৰে। আজি আমাৰ কিছুমান মানুহে লোহাৰ কাম কৰি আছে। তেওঁলোকে লোহা খুণ্ডি পিটি দা কটাৰি গঢ়িছে সেইদৰেই তেওঁলোকে নিজৰ ভাত মোকোলাই আছে। কিন্তু মেচিনত দা কটাৰি গঢ়াই লোৱাৰ পদ্ধতি ব্যৱহাৰ কৰিলে যিবিলাক মানুহে দা কটাৰি গঢ়ি খাই আছিল সেই বিলাক মানুহৰ অৱস্থা কি হব? সেই বিলাক মানুহ নিবনুৱা হৈ নাযাবনে?

মই এই বিলাক কথা কোৱাৰ কাৰণে মই আও পুৰণি যুগলৈ গুচি যোৱা বা মোক আও পুৰণি দিনৰ মানুহ বুলি ভাবিব পাৰে । কিন্তু চাওক এইদৰেই যদি আমাৰ মানুহ বিলাকক ভাত মোকোলাৱাৰ দিহা নকৰে তেনেহলে কেনেকৈ কৰিব ? এনেদৰেই যদি সৰু সুৰা কামৰ জৰিয়তে নিবনুৱা সমস্যা সমাধান কৰিবলৈ চেষ্টা নকৰে তেনেহলে আমাৰ নিবনুৱা সমস্যা সমাধান কৰা টান হব। মই আৰু এটা কথা কব বিচাৰিছো যে মই আমাৰ বহুত কেইজন মন্ত্ৰীৰ কথা জানোতে আৰু আমাৰ বহুত এম এল এই নিবনুৱা সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দি নিৰ্ব্বাচনত জিকি আহিছে । মই কেইজনমান মন্ত্ৰীৰ কথা জানো তেখেত সকল যেতিয়া নিজৰ সমষ্টিলৈ যায় তেতিয়া তেওঁক যেতিয়া লৰাবিলাকে চাকৰি দিব পৰা নাই, জিবিকা দিব পৰা নাই বুলি আঙুৰি ধৰে তেতিয়া তেওঁলোকে ২১ শ টকীয়া নোট দি আহে। মন্ত্ৰী সকলে এইদৰেই যদি নিব-নুৱা সমস্যা সমাধান কৰিবলৈ বিচাৰিছে কেইজনমান মানুহক দুই এক শ টকা দি তেন্তে এইটো ভাল কথা । তেতিয়াহলে কাম দিব নেলাগে টকাকে দিয়ক।

আমি বিধান সভালৈ অহাৰ লগে লগে ৰাইজে স্মাৰক পত্ৰ দিয়ে । আমি যদিও নেতৃত্ব লব পৰা নাই, তথাপি দিয়ে সভা শোভা যাত্ৰা আদিত বা দেশত যিবিলাক আন্দোলন হৈছে তাত যিবিলাক মানুহে নেতৃত্ব লয় সেইবিলাক বৰ্ত্তমানলৈকে দেখা যায় মধ্য বিত্ত পৰিয়ালৰ মানুহ। এই মধ্যবিত্ত মানুহ বিলাকে যাতে চৰকাৰৰ বিৰোদ্ধে কোনো ৰকমৰ আন্দোলন কৰিব নোৱাৰে তাৰ চেষ্টা চৰকাৰে কৰিছে । তেওঁলোকক আজি এনে কিছুমান সুবিধা দিছে যাতে তেওঁলোকে কোনো দিনেই কিবা পৰিবৰ্ত্তণৰ কাৰণে আন্দোলন কৰিব নোৱাৰে। সি বেয়া প্ৰদ্ধতিৰেই হওঁক বা অন্যটোৰেই হওক।

আজি দেশত ঘোচ খোৱাৰ যি পদ্ধতি চলিছে সেইটো তলৰ পৰা ওপৰলৈকে সকলো স্তৰতে একে ভাবেই চলিছে। আনকি নিঃ কিন চাহ বাগানৰ লেবাৰ বিলাকৰ মাজতো আজি কালি দুৰ্নীতি চলিছে। ধৰক এজন চৰদাৰৰ তলত কিছুমান লেবাৰ আছে । লেবাৰ বিলাকে প্ৰতি দিনে ধৰক সাধাৰণতে ১০ কিলোকৈ পাচ তুলিব পাৰে। কিন্তু বেচিকৈ তুলিব পাৰিলে পইচা বেচিকৈ পাব আৰু ভাল লেবাৰ বুলি গন্য হব । বাগানখনৰো সকলো গছতে বা

সকলো নম্বৰৰ প্লটতে সমানে পাট নেথাকে। কোনোবাটো নম্বৰত বেচি পাট থাকে। তেনে নম্বৰত ধৰক কুৰি জনী লেবাৰ পাট তুলিব পাৰে। সেইকুৰি জনীৰ পৰা দিনে চাৰি অনাকৈ ঘোঁচ লৈ চৰদাৰে কাম কৰাই। সেই কুৰিজনীয়ে বেচি পাট তুলি বেচি পইচা পালে আৰু ভাল লেবাৰ বুলিও গন্য হল। ঘোঁচ আজি ইমানলৈ নামিছে গৈ সেষ্ট ঘোঁচ দিয়া লেবাৰ জনীয়েও আন্দোলন কৰিব নোৱাৰে আৰু খোঁচ লোৱা চৰদাৰ জনেও আন্দোলন কৰিব নোৱাৰে। অথচ আন্দোলন তেওঁলোকৰ কাৰণে বৰ দৰকাৰ আছিল। কথাবোৰ এনেকুৱাই আজি চাহ বাগিছাৰ মজদুৰৰ পৰা আৰম্ভ কৰি দেশত তলৰ পৰা ওপৰলৈকে ধাৰাবাহিক হিচাবে ঘোঁচৰ ব্যৱস্থা চলিছে। ইয়াৰ পৰিবৰ্ত্তন কেতিয়া হব ? মন্ত্ৰীৰ পৰা আৰম্ভ কৰি তলৰ কৰ্ম্মচাৰিলৈকে বহুতেই এটা কথা কয়যে দেশত এটা বিপ্লৱ হব লাগিব। এইকথা সকলোৱেই কয়। কিন্তু এই বিপ্লবটোনো কি আৰু কৰিব কোনে ? মই নিজে জানো মন্ত্ৰীৰ পৰা আৰম্ভ কৰি চেক্ৰেটাৰী তাৰ পৰা আৰম্ভ কৰি তলৰ কৰ্ম্মচাৰী তাৰ পৰা আৰম্ভ কৰি চাহ বাগানৰ লেবাৰলৈকে চাৰি অনা পইচালৈকে ঘোঁচ দিয়া নীতি চলিবলৈ ধৰিছে। এনে ক্ষেত্ৰত কি বিপ্লবৰ আশা কৰিব পাৰি ? মুখ্যমন্ত্ৰীয়ে কৈছে যে কৰ্ম্মচাৰী বিলাকৰ আগত মন্ত্ৰী সকলক সমালোচনা কৰিলে কৰ্ম্মচাৰীসকলে মন্ত্ৰীক নমনা হোৱাটো স্বাভাৱিক, পিছে তেখেতে তাৰ কি ব্যৱস্থা কৰিছে। তাৰ কাৰণে তেখেতে এটা পৰিবৰ্ত্তন সাধক। তেখেতে এনে চেমিনাৰ বা আলোচনা চক্ৰ পাতক যাতে আমি তাতে তেখেত সকলৰ খটি নাটি বিলাক দেখুৱাই দি তেখেত সকলক সহায় কৰিব পাৰো। কিন্তু গনতন্ত্ৰত সংসদীয় উপায়ৰ বাদে কি উপায় আছে। দুই চাৰিজন বিষয়াক বৰ্খাস্ত কৰিলেই আমাৰ প্ৰশাসন নিকা হব নোৱাৰে। মই এটা কথা অকপটভাৱে কব পাৰো যে, যদি কাৰোবাক আজি বৰ্খাস্থ কৰিব লাগে তেনেহলে তলৰ পৰা ওপৰলৈকে সকলোকে এবাৰ বৰ্খাস্থ কৰিলে একো পাপ নহব নেকি ? কাৰণ মই যি দেখিছো মুখ্য সচিবৰ পৰা আৰম্ভ কৰি চাহ বাগানৰ লেবাৰলৈকে সকলোৱেই ঘোচ খায়। কাৰণ চাৰি অনা পইচা ঘোচ খালেও খোৱা আৰু লাখ টকা ঘোচ খালেও খোৱা। অৱশ্যে কৰ্টত প্ৰমান কৰিবলৈ টান হব পাৰে। আজি সকলো বিলাক কৰ্ম্মচাৰীকে এদিনৰ কাৰণে হলেও বৰ্খাস্থ কৰিব পাৰে। তাৰ কাৰণে শ্ৰীশৰত চন্দ্ৰ সিংহৰ কোনো পাপ নহয়।

আজি যি সকলে চাকৰি লৈছে, সেই সকলে কেনেকৈ লৈছে ? এই কথা মই দাঠি কব পাৰো যে হয় কোনোবায় ৰাজনৈতিক প্ৰভাবৰ দ্বাৰা লৈছে, নহয় ঘোঁচ দি লৈছে নহয় ঘোচা দি লৈছে। ইয়াৰ কিবা এটা যিয়েই কৰিব নোৱাৰে সিয়েই চাকৰি নাপায়। ইয়াৰ কিবা নহয় কিবা এটা কৰিব লগীয়া হৈছে। মুখেৰে সকলো হৈ গল, চকুৰে একো নেদেখিলো অৰ্থাত আমি কণা হৈ গলো। মই চৰকাৰৰ চৰিত্ৰটোৰ সৰ্ম্পকে এই সুবিধাতে অলপ কৈছো। ব্যক্তিগত কোনো অফিচাৰৰ কথা কব খোজা নাই। গাদী ৰক্ষা কৰি থকা মুখ্যমন্ত্ৰীয়ে এইবোৰ একো নেদেখে। তেখেতে যদি ফকীৰ হৈ হাতত চিমতা ঘটি লৈ ওলাই আহে তেতিয়াহে বুজি পাব। আমাৰ প্ৰত্যেক ঠাইতে কেনেকৈ দুৰ্নীতি হৈছে। প্ৰত্যেকটো পইচাতে পাপ আছে কাৰণে বিৰোধীতা কৰিছো। ডিচপুৰত অস্থায়ী ৰাজধানীত ১০।১২ কোটী টকা ইতিমধ্যে খৰছ কৰিলে। এই ১২ কোটী টকাৰ বিনিময়ত যদি ১২ টা ভাল ঠিকাদাৰ জন্মাব পাৰিলেহেতেন তেতিয়াহলেও দেশৰ কাৰণে মঙ্গল হলহেতেন—পিচে ঘোঁচ আৰু দুৰ্নীতিৰ পাপ চক্ৰত সেইখিনি ভবিষ্যতে নেপালো। যাই হওক এই নিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : অধ্যক্ষ মহোদয়, মই এই দাবীটোৰ সংক্ৰান্তত দুষাৰ কব বিচাৰিছো। মোৰ জ্ঞানৰ পৰা অনুভৱ কৰিছো কাজিৰঙাৰ অভয়াৰণ্যত আৰু মানস চেঞ্চুৰীত অনেক বাঘ হৰিণা আদি আছে। তাত শক্তিশালী জন্তু বিলাকে দুৰ্ব্বলীসকলক খাই থাকে। ঠিক সেই ধৰণে আমাৰ শক্তিশালী সকলে দুৰ্ব্বলীসকলক খাই থাকে। আমাৰ ক্ষমতাত থকা সকলৰ যি ষড়যন্ত্ৰ চলি আছে তাৰ পৰা কোনেও আজি সেৰা পোৱা নাই। উদাহৰণ স্বৰূপে মই কও আমাৰ সমাজকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয় আছে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক দুৰ্ব্বল শ্ৰেণীৰ লোক সকলক খোৱাবৰ কাৰণে গাখীৰ যোগান ধৰে। সেই খাদ্য বিলাক দুৰ্ব্বল শ্ৰেণীক মাৰিবৰ কাৰণে দিয়া হৈছে। ১৫ আগষ্টত গোলোকগঞ্জত ১৪ নং চেণ্টাৰত এচ, ডি, চি, অ, চিৰ সন্মুখত কিছু-বস্তু দিছিল। লাষ্ট আইটেম আছিল ভাল বাৰ্লি। তাত বাৰ্লিৰ লেবেলত বেলেগহে লিখা আছিল। আচলতে বাৰ্লি নহয় পচা আটা। এইটো চটি:ফাড বুলি কলিকতাত প্ৰডাকচন বুলি লিখা আছিল। পিচত লেবৰটেৰীত পৰীক্ষা কৰি দেখা গল ই অখাদ্য বস্তু। এই বিলাক বস্তু খুৱাই মানুহক কিয় শাস্তি

দিয়া হৈছে। এইসকল লোকক অভয়াৰণ্যৰ হৰিণাৰ লগত তুলনা কৰিব নোৱাৰিনে ? এই বিলাক বস্তু বিলাক খুৱাই দুখীয়া সকলক গ্ৰাস কৰাৰ চেষ্টা কৰিছে। তাৰ পিচত মই পশু চিকিৎসা সম্পৰ্কে দুষাৰ কওঁ। পশু চিকিৎসা বিভাগৰ কৰ্ম্মচাৰী সকলক অন্যায় কৰা হৈছে । এই বিভাগৰ ডিৰেক্টৰজনক বৰ্খাস্ত কৰিছে ভাল পাইছো। যি জন মানুহে গৰু ছাগলীৰ মৰম নুবুজে তেওঁ বৰ্খাস্ত হোৱাত ভাল পাইছো। তাৰ পিচত বিস্তৃত গো-উন্নয়ন আঁচনি বুলি লিখা চাইনবোৰ্ড বগৰীবাৰীৰ পৰা পানীবাৰীত দেখিছো। তাৰ ছাগলীৰ উন্নয়ন অভয়াৰণ্যৰ দৰে কৰিছে। তাৰ প্ৰশাসনত কি হৈছে। তলৰ ডিগ্ৰী থকা ওপৰত উচ্চ পদস্থ কৰ্ম্মচাৰী কৰি ৰাখিছে আৰু উচ্চ ডিগ্ৰী থকা সকলক তলৰ কৰ্ম্মচাৰী কৰি ৰখা হৈছে। যদি এইটোৱেই হয় তেন্তে বিশ্ববিদ্যালয়ে উচ্চ ডিগ্ৰী দিয়াৰ অৰ্থ কি হল ?

এজন বি, ডি, অ'ই যোৱা ১৭।১১।৭৩ তাৰিখৰ দিনাখন দিনদুপৰতে ৭ বস্তা ঘেহু বিক্ৰী কৰিলে। এই কথাটো মই বিভাগীয় মন্ত্ৰী মহোদয় আৰু আমাৰ মাননীয় মন্ত্ৰী মহোদয়কো জনাইছোঁ। ৰাইজক ঘেহুৰ কঠিয়া যোৱা বছৰ দিব পৰা নাই আৰু বজাৰত এইদৰে এতিয়া বিক্ৰীও কৰিব পৰা হল। এই দুৰ্নীতি পৰায়ণ বিষয়া বিলাকক হলে চৰকাৰে কোনো শাস্তি দিব পৰা নাই।

তাৰ পিচত যোৱা বছৰ আমাৰ ৰাজ্যৰ বিভিন্ন জেগাত 'মেনেথিয়া' বুলি এবিধ 'জুট পেচটিচাইড্' দিয়া হৈছিল। কিন্তু কিছুমান জেগাত এই বস্তুবিলাক বিচাৰি থকা স্বত্বেও হলে দিয়া নহল আৰু শেষত এই বস্তুবিলাক বিক্ৰী কৰি দিলে। এই বিষয়ে নানান অভিযোগ আদিও কৰিলে কিন্তু তাৰ একো ফল নধৰিলে।

ইয়াৰ পিছত উপাধ্যক্ষ মহোদয়, আৰু এটা কথা আছে যে, ১৯৬৪ চনত অক্টোবৰ মাহত বানপানী হৈছিল আৰু এই বছৰতে ১৩ অক্টোবৰত বান-পানী আহিল। অসমত বহুতো খবৰ কাগজ আছে, প্ৰচাৰ কৰিবৰ কাৰণে ৰেডিঅও আছে। কিন্তু এই বানপানীয়ে ইমান ভীবিষিকাৰ সৃষ্টি কৰিলে তাক প্ৰকাশ কৰিবলৈ বা সেইকথা ঘোষনা কৰিবলৈ ৰেডিঅ বাতৰি কাগজ আদি কোনো আগবাঢ়ি নাহিল। সেই ভীবিষিকাৰ এখন ফটো মোৰ হাততো আছে।

নেচনেল হাইওৱেৰ এখন দলং বানপানীয়ে ভাঙিলে কিন্তু তাৰ ফটো কাগজত নুঠিল আৰু বাতৰি কাগজতো তাৰ খবৰ পৰিবেশন নকৰিলে। চৰকাৰে গাৱলীয়া ৰাইজক অৱহেলা কৰিছে বুলিয়েই কব লাগিব। এই দলংখনৰ এটা ইতিহাসো আছে। এই দলংখন যেতিয়া আধাভঙা অৱস্থাত আছিল তেতিয়া এই দলংখন মেৰামতিৰ কাৰণে আৰু বল্ডাৰ, শিল আদি পেলাবৰ কাৰণে ১৯৬৯ চনতে তিনি লাখ টকা মঞ্জুৰ কৰিলে। কিন্তু সেই তিনিলাখ টকা আজি কলৈ গল? দলঙৰটো কোনো কামেই কৰা নহল। এইবিষয়ে অনুসন্ধান আমি বিছাৰোঁ। এই কেইটা কথাৰ প্ৰতি আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মই কৰ্ত্তন প্ৰস্তাৱটোৰ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

শ্ৰীজালালুদ্দিন আহমেদ: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে কাজিৰঙা হাবিত বাঘে হৰিণ ধৰি খায় বুলি কৈ শক্তিশালী জন্তু বিলাকে দুৰ্ব্বল জানোৱাৰ বিলাকক খায় বুলি কৈছে। তাৰ পৰা তেখেতে এইটোকে বুজাব খুজিছে যে, ধনী মানুহ বিলাকেও দুখীয়া বিলাকক অত্যাচাৰ কৰে। তাৰ কাৰণে মাননীয় সদস্যই ভগৱানক নোদোষে কিয়? কিয়নো ছাগলীৰ দুটা বাট থাকে আৰু গৰুৰ চাৰিটা বাট থাকে কিন্তু তথাপিও ছাগলীৰ পোৱালী হয় তিনি চাৰিটা আৰু গৰুৰ মাত্ৰ হয় এটাহে।

(সদনত হাহিঁৰ ৰোল উঠে)

Shri Sarat Chandra Sinha : Mr Speaker Sir, I appreciate the observations made by the Hon'ble members in the course of their discussion on the Appropriation Bill. I fully agree with Mr. Bhattacharjee that we are facing a great problems relating to the entrepreneurs Sir, this matter has been discussed several times and on several occasions. It is not that every thing is with the entrepreneurs nor with the society, we are basically an agricultural society. Therfore, we do not have any background, industrial, commercial and otherwise, whatever we have is only agricul-

tural background. Therefore, with the agricultural background when we go to organise any other industries we find difficulties, the boys are also finding some difficulties in respect of building up industries. Some of them got help and some have misused it. They have realised that if we really want to build up industries then some new methods have to be adopted and that we must have technical know-how. They must also know how to maintain the agriculture, they must have the managerial ability and know all matters relating to industries. Sir, the Hon'ble members know that we have deputed Some officers for this particular purpose so that they can be posted at the initial stage in the backward subdivision, later in all the subdivision where the officers will themselves induce the entrepreneurs to come to them, then they will help in all other ways. Sir, I can appreciate the point raised by the Hon'ble member Mr. Barua but these are difficulties we will have to overcome. Here he has also raised a very pertinent point regarding payment of the land compensation. This matter was discussed in the morning. Then Sir, I can assure that all these will be taken into consideration and will see how this compensation matter can be solved. Sir, the Hon'ble member Mr. Barua has raised a point about the constitution of certain bodies. Whenever a body is constituted it is very difficult to have the unity among all the members. Some might be good according to Mr. Barua and some might be bad according to others. Therefore

the Board has been constituted and that Board is new; let us see how they function.

Shri Dulal Chandra Barua : My question is about the legality of a man. A person who is a defaulter should not be a member of the Board.

Shri Sarat Chandra Sinha : (Chief Minister) Regarding the transfer officers this is also raised several time in this house. By transferring frequently we cannot run the work effectively. Sometimes transfer orders are cancelled. These are the defects. There are always difficulties inherent in such matters, but we have decided to straighten up. A set of rules have been framed which will cover transfers. From now on there will not be any change in transfer orders. Once an officer is transferred that transfer order will never be cancelled; but there may be some relaxation in certain cases. The idea behind this is that frequent changes is not desirable we have appreciated it and we shall do it. Some general points were raised in course of our discussion and also in course of question hours. So if we go into all these questions it will take time. I think most of points that have been raised by the Hon'ble members have been replied.

Shri Dulal Chandra Barua : What is about re-orientation of the Budget Manual and other rules.

Shri Sarat Chandra Sinha : (Chief Minister) That is also our concern. The financial rules at present are such that if we want to expedite any work the rules stand on the

way. Therefore, the entire set of rules will have to be changed. Shri Bhattacharjee has raised a very pertinent point, i.e. that through Parliamentary Democracy we cannot bring in socialism. I do not agree with him it would be possible for us to bring in socialism through Parliamentary democracy, and we shall do it; but this will take time. The rules were then framed to suit the colonial system of administration. The Britishers came to this country not with the purpose of doing good to the people, not to render service to the people - it was for the purpose of carrying out trade and then to consolidate their reign. Whatever they did they did it with Police force. Therefore when we have the same system which were framed by the colonial rulers, if we want to do service to our people we shall have to re-orient it, we shall have to change it. That cannot be done in a matter of a day. The process would be gradual, but we shall do it.

Mr. Speaker : The question is that the Assam Appropriation (No. IV ) Bill, 1973, be taken into consideration.

...the motion is passed...

There is no amendment.

Shri Sarat Chandra Sinha : (Chief Minister) : Sir, I beg to move that the Assam Appropriation (No. IV) Bill, 1973, be passed.

Mr. Speaker : The question is that the Assam Appropriation (No. IV) Bill, 1973, be passed.

...the bill is passed...

Mr. Speaker : Will the Chief Minister make the statement now.

## Statement by the Chief Minister on the Kokrajhar Situation

Shri Sarat Chandra Sinha (Chief Minister) As known to this House, the Plains Tribal Council of Assam has, for a long time been sponsoring various agitations culminating in their movement for creation of "Udayachal". The whole thing seems to have started originally for recognition of the Bodo language upto the secondary stage and autonomy for the predominantly Bodo tribal areas. Although the demand in respect of the Bodo language had been conceded, the agitation in that connection did not subside and new demands over the use and status of the Bodo language continued to be systematically raised. From the very beginning marked aggressiveness characterised these movements with their inevitable impact on the maintenance of peace and tranquility.

The tempo of aggressive activity tending towards lawlessness and violence increased considerably during the last General Elcction in the Kokrajhar area when in course of electioneering campaigns extremist elements restored to intimidation and obstruction to rival political workers. Occasionaily, over acts of violence were also perpetrated and police had to take up cases to deal with such unlaw-ful activities.

Militant activities around demands over the Bodo

language continued unabated and an atmosphere of tension and bitterness steadily developed. The demand for a separate political unit covering the tribal areas also began to take shape and an agitational climate became a common feature of the situation in the Kokrajhar areas.

When the controversy over medium of instruction at the University stage started, the P.T.C.A. was seriously involved therein by actively joining agitations over the medium issue. Soon the P.T.C:A. joined hands with extremist groups and the cry of Assamese linguistic chauvinism became the main theme of the propaganda. The demand for recognition of other language at the secondary stage was also raised together with that of adoption of Assamese, English, Bengali and Hindi as medium at the University stage.

Following proliferation of demands on recognition of various languages and in the wake of the State wide controversy over the University medium, the atmosphere became further surcharged with communal animosity and schools and colleges in the Kokrajhar area in particular became centres of serious agitations.

In the Kokrajhar College, about 75 Assames speaking boys and girls were prevented from their completing examination in Assamese and answere scripts in Assamese were torn. The demand was raised that only English should be used for writing the answer scripts. Although the authorities of the College tried to continue the examination' they had ultimately to yield to threats and coercion.

There was also trouble between some tribal and non-tribal students in Bhakatpara School in Mangaldai subdivision and in the Basugaon school a serious situation arose in connection with sitting arrangements for Bodo speaking students vis-a-vis Assamese speaking students.

In December, 1972, the P.T.C.A, made a formal announcement of their demand for "Udayachal" and started wide propaganda and publicity in that connection. A map of "Udayachal" was prepared and circulated.

"Udayachal" as conceived by the P.T.C.A. was intended to include as many as 24 Police Stations with a population of about 34 lacs. It would be significant to note that out of that population less then 7.5 lacs of people are plains tribal constituting about 22 per cent of the total. There are large sections of non-tribal population including Nepalis, Adibasis etc. in this area.

The State Government had meanwhile taken a number of steps to give special attention to the economic and social problems of the tribal and other backward sections of the population. Government's sincere desire to do everything possible to safeguard and promote their interests and the measures undertaken in that connection were also made known in no uncertain terms.

There are large sections among the tribal population which do not subscribe to the P.T.C.A.'s demand and are opposed to any further dismemberment of Assam. Following measures taken to allay the misgivings in the

minds of any section of the tribal population and concrete demonstration of Government's determination to ameliorate the conditions of the economically backward tribal and other sections of the population, large sections of the tribal population started coming out openly to oppose the activities of the P.T.C.A. and to reject the concept of "Udayachal". In the wake of this rapidly rising opposition militant sections among "Udayachal" supporters began to organise a campaign of intimidation, harassment and even violence to crush the same. Respected leaders of the tribal community not professing loyalty to "Udayachal" became specific targets for assault and violence. There were threats to their lives besides open incitement to violence against them in public meetings. Even children of plains tribals opposed to P.T.C.A. were variously harassed. Frequent bundhs, hartals, picketing, demonstrations, obstruction to police, dislocation of public transport etc. became the order of the day. Sigg-boards in Assamese were besmeared and sign-boards in red and white began to appear in prominent places surporting to welcome to "Udayachal". Large scale collection of funds under threats and by use of force were also reported.

Normal life of the community was seriously affected and there was a growing sense of insecurity and panic. Aggrieved persons were often scared to make complaints to the police due to fear of reprisals. Even then, between 23.3.73 and 4.8.73, 13 cases were registered in the Kokarjhar Police Station alone in connection with those unlawful activities.

After the incidents in April, 1973, in Tezpur where boys and girls had participated in demonstration, the cry of atrocities by the Assamese was raised and propagnda let loose that Bodo boys and girls suffered grievously at the hands of the Assamese. Communal bitterness was actively fomented and a campaigan of slander vigorously launched. In Udalguri, provocative speeches were made in a public meeting in last week of April, 1973 and motivated and exaggerated publicity given about the Tezpur incidents. In that connection police had to take up a case to deal with such prejudicial activities.

During June-July, 1973, P.T C.A. supporters made public speeches in Dotoma. Serphanguri, Borobazar and Gossaigoan areas inciting people to extriminate tribal leaders opposing "Udayachal". As a consequence many tribals were harassed and assaulted in these areas. There were threats to even children and members of families of those opposing "Udayachal".

Out of frustration caused by the growing opposition to "Udayachal" together with strong administrative measures, the extremist elements became more and more militant. A desperate attempt was also made to keep up the tribal people's interest in "Udayachal" by surreptitious propaganda about Central Government's sympathy to the demand.

The Prime Minister's declaration in October, 1973, deprecating further dismemberment of the State seems to

have caused great frustration and shock making some of the P.T.C.A. supporters more desperate and aggressive. Bitterness against tribal leaders and workers who were openly voicing opposition to "Udayachal" considerably increased. Besides threats, intimidation and harassment, a campaign of social boycott or ostracism was started and even young students were not spared. Police had to intervene and take action against a number of miscreants who were trying to completely disrupt the normal life in Kokrajhar and other areas. Some arrests in specific criminal cases had to be made and an agitation immediately followed for unconditional release of all the arrested persons. When the administration refused to surrender to such illegal demands, protest days, hartals, squatting, picketing in offices, disruption of educational activities etc. started creating great tension and sense of insecurity in large areas of Kokrajhar. Police measures had accordingly to be intensified to keep the situation under control.

But even the Police patrols were subjected to violent attacks, On 12.11.73 a group of 60/70 P.T.C.A. volunteers and supporters armed with deadly weapons surrounded a police party in Serphanguri O.P. area and challenged them for "entering in the P.T.C.A Area" The violent mob assaulted a Sub-Inspector of Police and two CRP personnel caussing injuries to their persons. The mob was subsequently chased away and 15 persons were arrested on the spot. There was also a similar obstruction and attempt to assault a police patrolling party in Puthimari O.P. area on 16.11.73.

Anti police propaganda was being made amongst the tribal masses inciting them to resist entry of police in plains tribal villages, even by use of force. Many such elements were also propagating in the tribal villages against sale of paddy to the Cooperatives and other Government agencies to defeat Government's procurement policy. On 10.11.73, an altercation ensued betweed P.T.C.A. workers and other over an attempt by the former to enrol fictitious voters for the ensuing Panchayat elections. Two of the latter had to take shelter in the house of a shop keeper of Ramphalbil and an evident mob composed of mostly P.T.C.A. supporters surrounded the house and demanded handing over of the two men who entered the house. Police immediately rushed to the spot, and brought the situation under control.

Following intensification of police measures to effectively counter growing lawlessness and subversion of lawful authority many people in that area reportedly went undergound with arms. Scarches had to be conducted for their recovery. On 15.11.73 Sidli Police recovered 3 hand-made L.G.. 12 bore cartridges. 1 empty cartridge, some CPI(M) and PTCA documents along with 63 maps of "Udayachal from the house of a teacher of Kashikotra M.E. School under the Sidli Police Station. The teacher was put under arrest and a case U/S 25 (I) (a) of the Arms Act duly registered.

The allegations regarding indiscriminate large scale arrests, harassment by Police are not correct. 80 persons were arrested in Kokrajhar subdivision in specific and ser-

ious criminal cases like assault on policemen and others, wrongful confinement, attempts to murder. These arrests were made by police strictly in accordance with lawful powers given to police for maintenance of law and order. 9 persons have been detained under MISA. In Kamrup district, 16 persons were arrested under 151 Cr. P.C. out of whom 3 persons have been since released. In such a vast area where large number of cases of assaults etc. have occured, these arrests cannot be considered indiscriminate and large scale.

In dealing with this serious situation with grave threat to peace and tranquility, the Police including C.R.P., have strict instructions to exercise utmost restraint and avoid any kind of harassment whatsoever to any section of the population. Any specific complaint in that connection would also be promptly attended to. The present action is aimed against only lawless elements who were trying to disrupt the economic and social life of the people. Every assistance and encouragement has been provided to ensure smooth functioning of educatilnal institution. Senior Officers have maintained constant supervision and vigilance over the work of the police in the Kokrajhar area and normal life of the people has continued without any dislocation. The sense of insecurity and panic created by the violent activities of extremist elements is also steadily disappearing.

Government would like to assure that the interests of the tribal population would be safeguarded to the utmost extent and that full security would be provided to

all law abiding citizens in the pursuit of their Normal advocations

Shri Gauri Sankar Bhattacharjee : Sir, may I request you to see that by tomorrow copy of the statement made by the hon'ble Chief Minister be made available to us so that we may closely scrutinise it.

Shri Charan Narzary : Mr. Speaker, Sir, I want to ask the hon'ble Chief Misnister what are the sources from which he has obtained all these informations; I want to know that. As we know, most of the incidents cited by the hon'ble Chief Minister in his statement are manufactured and concocted, and the Government Intelligence department and the Police and Civil Authorities are primarily responsible for all these. I personally know that the Government will make this kind of statement.

Mr. Speaker : You cannot discuss the matter you can ask for clarifications only. You can ask him questions.

Shri Charan Narzary : May I ask the hon'ble Chief Minister : Does he think that his statement will solve the present situation, is it the solution ?

Shri Dulal Chandra Barua : Sir, I want to give a suggestion. Although the hon'ble Chief Minister has given a statement, the situation is not so easy. We have the precedence made earlier in this House to send delegation from both sides of this House to go and see the situation and if possible, to make efforts to bring about harmony amongst the people. Sir, it is upto you to consi-

der this; I am simply suggesting it to the Chief Minister through you. Some members of the House should go there during this Session and report back here as to what is going on there.

*Shri Charan Narzary : Sir, the situation is of such an extra-ordinary nature that the people in the rural areas are still being chased, harrassed and arrested and there is no end of it. Quite a good number of Gaons have been going on fasting since the 26th and reports are pouring in that the situation has not improved at all, the situation remains as it was. Therefore,, in this context, I would request the hon'ble Speaker that untill and unless some impartial judicial enquiry is made into the whole affair, the real things will never come to light. In the present context, I have been compelled to say with serious concern and I want to ask the hon'ble Chief Minister as to how he would have felt if his own people would have been chased, harrassed and the modesty of women outraged for indefinite period like this. Today, the Chief Minister might give that statement to defend his own government, but this will not solve the problem; it is rather aggravating the entire situation. Mr. Speaker, Sir, I have been compelled to speak about this because of the seriousness of the situation and because inspite of all these ugly happenings committed by the governmental machinery, the police authorities, the Government have turned a deaf ear, as if the plains tribals are not the citizens; they are humble and innocent

*Speech not corrected

people and they have to hide for shelter here and there in the paddy field and in the jungles and the Chief Minister has now given that allegation that all these plains tribals have gone violent and that they have been trained to create disturbances everywhere.

Mr. Speaker : Alright. You please sit down.

Shri Sarat Chandra Sinha (Chief Minister) : Sir, I fully agree with Mr. Narzary that the statement will not solve the problem. Sir, I have submitted this statement not in the hope of solving the problem; so far as the solution is concerned, we have been making efforts. It is not that. with the Police only law order and can be established. It is only through the mutual understanding of the people the problem of law and order can be solved. Then, sir, as regards Mr. Barua's suggestion I would like to state that the situation is not such that the Hon'ble Members should take the trouble to visit the area.

Shri Charan Narzary : One thing, Sir, Govt. cannot shirk the responsibility. The whole responsibility lies with the Govt.

Shri Sarat Chandra Sinha (Chief Minister ) : Sir, Mr. Narzary has raised one point saying that what the Chief Minister would have done if his own people would have been harassed and arrested like this. On this point, I should like to say that tribal people are my own people.

## Calling Attention Notice

Mr. Speaker : Now, item No. 5.

Shri Dulal Chandra Barua : Mr, Speaker, sir, I beg to call the attention of the Minister, Health under Rule 54 of the Rules of procedure and conduct of business in Assam Legilative Assembly to the news item appearing in the Daink Asom, dated 22nd October, 1973, under the Caption" চিকিৎসা ব্যৱস্থাত ত্ৰুটিৰ অভিযোগ।

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বাতৰিটোৰ সন্দৰ্ভত কব বিচাৰিছো যে বোকাখাট এলেকাটো জাতিয় মেলেৰিয়া নিৰ্মূল আঁচনিৰ নগাৱত থকা কেন্দ্ৰৰ অন্তৰ্গত। এই এলেকাটোত মেলেৰিয়াৰ কাৰণে ডি, ডি, টি, আদি সিচা আৰু surveilence operation সক্ৰিয় ভাবে চলাই থকা হৈছে। এই এলেকাটোৰ মুঠ জন সংখ্যা প্ৰায় ২'৫ লাখ আৰু ৫৩ খন চাহ বাগিছাৰ জনসংখ্যা প্ৰায় ৫২০০০ জন। এই ৫৩ খন চাহ বাগিছাৰ মাত্ৰ দুখন চাহ বাগিছাত ১৯৭৩ চনত মেলেৰিয়াৰ প্ৰকোপ তলত দেখুৱা ধৰণে বৃদ্ধি পায়।

১। বিহুৰা চাহ বাগিছা - জনসংখ্যা ২৪৯০

| মাহ | Blood slide collected. | Positive, Malaria cases |
|---|---|---|
| জানুৱাৰী | - | - |
| ফেব্ৰুৱাৰী | - | - |
| মাৰ্চ | ১২ | - |
| এপ্ৰিল | ৩৮ | ১৪ |
| মে' | ২৭ | ৯ |
| জুন | ১৬ | ৪ |
| জুলাই | ৫ | - |
| আগষ্ট | ১২ | - |
| চেপ্তেম্বৰ | - | - |
| অক্টোবৰ | - | - |

মিকিৰচাং চাহ বাগিছা - জনসংখ্যা ৮০৪

| | Fever, Malaria cases | |
|---|---|---|
| জানুৱাৰী | - | - |
| ফ্ৰেব্ৰুৱাৰী | - | - |
| মাৰ্চ | - | - |
| এপ্ৰিল | - | - |
| মে’ | - | - |
| জুন | - | - |
| জুলাই | ২৯ | - |
| আগষ্ট | ১৩২ | ১৪ |
| চেপ্তেম্বৰ | ৮৬ | ২ |
| অক্টোবৰ | ৪০ | ১২ |

১৯৭৩ চনৰ জানুৱাৰী মাহৰ পৰা অক্টোবৰ মাহলৈ উক্ত দুয়োখন চাহ বাগিছাৰ পৰা লোৱা ৰক্ত স্লাইদৰ সংখ্যা ক্ৰমে ১১০ আৰু ২৮৭ আৰু তাৰে মাত্ৰ মেলেৰিয়াৰ বিজানু যথাক্ৰমে ২৭ আৰু ২৮ খনতে পোৱা হয়।

মেলেৰিয়া সংক্ৰমিত এলেকা সমূহত তুলনা মূলক ভাবে বিবেচনা কৰিলে এই দুয়োখন বাগিছাতহে অলপ বেছি ভাবে মেগেৰিয়া সংক্ৰামিত হোৱা যেন পায়।

এই অঞ্চলত ৰক্ত সংগ্ৰহ কৰা সকলোবোৰ ৰোগীকে লগে লগে মেলেৰিয়া ৰোগৰ প্ৰাথমিক চিকিৎসা প্ৰদান কৰা হয় আৰু পৰীক্ষগাৰত ৰক্ত পৰীক্ষা কৰি মেলেৰিয়া ৰোগ বুলি প্ৰমানিত হোৱা ৰোগী সকলক উক্ত ৰোগৰ সুচিকিৎসা কৰা হয়। তাত চাৰভিলেন্স কাম উক্ত এলেকাৰ প্ৰতি ঠাইতে প্ৰতি পোন্ধৰ দিনত এবাৰকৈ জাতিয় মেলেৰিয়া নিৰ্মূল আঁচনিমতে চলাই থকা হৈছে আৰু চাৰভিলেন্সত ধৰা পৰা সকলোবোৰ মেলেৰিয়া ৰোগীৰ চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে; চাহ বাগিছা বোৰকে আদি কৰি আশে পাশে থকা গাওঁবোৰত খণ্ড বিষয়া আৰু সাংমাণ্ডলিক বিষয়াৰ নেতৃত্বত বিভাগীয় কৰ্ম্মীসকলৰ দ্বাৰা দৰবাদি সিচাঁ কাম সম্পূৰ্ণ ভাবে শেষ কৰা হৈছে। কিছুমান ক্ষেত্ৰত চাহ বাগিছাৰ কতৃপক্ষয়ো বিভাগীয় কৰ্ম্মীসকলৰ লগত দৰবাদি সিচাঁ কামত

সহযোগ কৰিছে। উক্ত এলেকাৰ বাগিছাৰ কতৃপক্ষকে ধৰি আন আন চিকিৎসা-কেন্দ্ৰবোৰত বিনামূলীয়া দৰবপাতি বিতৰণৰ বাবে যোগান ধৰা হৈছে। ইয়াৰ পাছত সেই এলেকাৰ কোনোলোক মেলেৰিয়া ৰোগত ভোগী মৃত্যু মুখত পৰা বাতৰি আজিলৈ পোৱা হোৱা নাই।

এইটো সচাঁ যে যোৱা এপ্ৰিলৰ পৰা বোকাখাট এলেকাকে ধৰি শিৱসাগৰ জিলাৰ বহুতো ঠাইত গ্ৰহণী ৰোগে দেখা দিছিল। বেছিভাগ গ্ৰহণীৰোগ সংক্ৰামিত হোৱা ঠাই কেইখন হল বোকাখাট প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত এলেকা কমাৰ গাওঁ, কহঁৰা, দুখুটিমুখ, কাজিৰঙা, খটিয়াখলি শাখা কেন্দ্ৰ।

এই ঠাইবোৰত ইতিমধ্যে ৰোগ নিৰ্ণয় আৰু নিৰাময়ৰ বাবে যথোপযুক্ত ব্যৱস্থা লোৱা লৈছে। জিলাৰ শল্য চিকিৎসকে দৰব পাতি যোগান ধৰাৰ ওপৰিও খোৱাপানী আদি বিশুদ্ধিকৰণৰ বাবে ব্লিচিং পাউদাৰ আদি ঠাই বিশেষে প্ৰয়োগৰ ব্যৱস্থা কৰিছে আৰু জিলাখনত ৰোগৰ চিকিৎসা কৰাৰ্থে কিছুমান হেলথ্ এচিচটেণ্ট আৰু আন কৰ্ম্মচাৰী পঠোৱা হৈছে। নাহৰজান চাহ-বাগিছা, বন গাওঁ, মহুৰামুখত কেইজনমান লোকৰ মৃত্যু হোৱাটো সত্য। যাহওঁক এতিয়া এই এলেকাবোৰত ৰোগৰ অৱস্থ সম্পূণ আয়ত্বাধীন আৰু পিছলৈ ৰোগ নহবৰ বাবে যথোপযুক্ত ব্যৱস্থা লোৱা হৈছে।

শ্ৰীদুলাল বৰুৱা ঃ এটা কথা জানিব বিচাৰিছো যে প্ৰতিষেধক ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত কিয় বিহীত ব্যৱস্থা কৰা নাই? হাইলাকান্দিও যি অৱস্থা হৈছিল তাতো সেই অৱস্থা হৈছিল। অনেক মানুহ মৰিছে। আমাৰ ইউনিট বিলাকক যথেষ্ট টকা পইচা দিয়া হয়। গতিকে প্ৰতিষেক ব্যৱস্থা কিয় লোৱা নহল?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী): মই যি খিনি কৈছো আগৰ পৰা প্ৰতিষেধক ব্যৱস্থা লোৱাৰ কথা কৈছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : প্ৰায় তিনিশ মানুহ কেনেকৈ মৰিল?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী): তিনিশ মানুহ মৰা বুলি খবৰটো নাপাও। বহুত কাৰণত মানুহ মৰিব পাৰে। এইটো বেমাৰত নহৈ অন্য বেমাৰটো মৰিব পাৰে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : বিভিন্ন বেমাৰত মৰিলেও প্ৰতিষেধৰ ফালটো দুৰ্ব্বল বুলি নাভাবেনে?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) : প্ৰতিষেধকৰ কথাটো অকল চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে বুলি কলে ঠিক নহব বুলি মই ভাবো। মানুহৰ দৈনন্দিন যিটো পৰিবেশ তাৰ ওপৰতো নিৰ্ভয় কৰে। কাৰণ গ্ৰহনী বেমাৰ হলে আমি মানুহ খিনিক সকিয়াই দিও যে উতলা পানী আদি খাব লাগে। বেমাৰী সকলে নজনাৰ কাৰণতে হওক বা ৰাইজে সেইটো নকৰে। চৰকাৰৰ ফালৰ পৰা উপযুক্ত ব্যৱস্থা লব লাগে সেইটো ঠিক লগে লগে ৰাইজ সকলো প্ৰতিষেধকৰ ক্ষেত্ৰত সজাগ হোৱা উচিত।

ডঃ কোষেশ্বৰ বৰা : অধ্যক্ষ মহোদয় অসম খন হাবি জংঘলে হোৱা কাৰণে মেলেৰীয়াই ঠাই পাইছে। এই মেলেৰীয়াৰ বেমাৰৰ ক্ষেত্ৰত অসমৰ স্পিচিয়েলিষ্ট সকলৰ ক্ষেত্ৰত অলপ সংন্দেহ আছে। ইয়াৰ আগতে গেচষ্ট্ৰএনট্ৰাটিজ বেমাৰ হওতে কলিকতাৰ পৰা এক্সপাৰ্ট আহি কলে যে কলেৰা। ঠিক সেই ধৰণে দায়েগনাইজ কৰোতে ভুল হলে মানুহ মৰিব। গ্ৰহনী বেমাৰত কলেৰাৰ বেজী দিলে মানুহ মৰিব। গতিকে দায়েগনাইজ কৰিবৰ কাৰণে ভাৰতৰ যি বিলাক ট্ৰপিকেল স্কুল আছে তাত তেজ পৰীক্ষা কৰি অনাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) : আমাৰ কাছাৰ জিলাত যেতিয়া বেমাৰৰ প্ৰদুৰ্ভাব হৈছিল তেতিয়া এই কথাটো ওলাইছিল আৰু তেতিয়া মই কৈছিলো যে এইটো পৰীক্ষা নিৰীক্ষা কৰিবৰ কাৰণে আমাৰ মেডিকেল কলেজৰ ফালৰ পৰা এজনক দায়িত্ব দিয়া হৈছে। এইটো সৰ্ম্পকত কি সিধান্তত উপনীত হৈছে তাৰ ৰিপোৰ্ট পোৱা নাই।

## Notice under Rule 301

Shrimati Pranita Talukdar : Sir, under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I beg to raise a matter relating to the news item appearing in the Dainik Asom dated 9th November, 1973 under the caption "যান বাহনৰ ভাড়া বঢ়াৰ ফলত সমস্যা"

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত খাদ্য বস্তুৰ মূল্য বৃদ্ধি হোৱাৰ লগতে আজি প্ৰেট্ৰোল জাতীয় সামগ্ৰী বিলাকৰো দাম উৰ্দ্ধমূখী হৈছে। ফলত

আমাৰ জনসাধাৰণৰ মাজত ভীষন আতংকৰ সৃষ্টি হৈছে। আগতে প্ৰেট্ৰলৰ দাম আছিল প্ৰতি লিটাৰত ১'৬৯ পইচা এতিয়া হৈছে প্ৰতি লিটাৰত ২'৭৪ পইচা। ঠিক সেই ধৰণে মবিলৰ দাম তিনি টকাৰ ঠাইত ৪'২০ পইচা লৈ বৃদ্ধি পাইছে। আৰু ডিজেলৰো দাম তদ্রূপ। আমাৰ টেক্সি চালকসকলে প্ৰেট্ৰোলৰ মূল্য বৃদ্ধি হোৱাৰ লগে লগে ভাড়া দুগুন বৃদ্ধি কৰিছে। আগতে গুৱাহাটী চহৰত ভিতৰত টেক্সিৰ ভাড়া আছিল এতিয়া তাৰ ঠাইত দুগুন কৰি ১০ টকা কৰিছে! কেতিয়াবা কেতিয়াৰা ১৫ টকাও লয় | সৰভোগৰ পৰা বৰপেটালৈ আগতে টেক্সি ভাড়া আছিল ১৫ টকা বৰ্ত্তমান ২০-২৫ টকা হৈছে। সৰভোগৰ পৰা বৰপেটা ৰোড়লৈ আগতে টেক্সি ভাড়া আছিল ১০ টকা বৰ্ত্তমান ১৫ টকা হৈছে। আমাৰ দেশৰ জনসাধাৰণৰ আৰ্থিক অৱস্থা অত্যন্ত বেয়া। এই ক্ষেত্ৰত যানবাহনৰ দাম বৃদ্ধি হোৱাত চলাচলৰ ক্ষেত্ৰত এক সমস্যাৰ সৃষ্টি হৈছে। মানুহৰ জীৱন ধাৰণ কৰাৰ পথো বৰ জটিল হৈ পৰিছে। আমাৰ শিক্ষিত ডেকা সকলক টেক্সিৰ পাৰমিট দিছিল। এতিয়া প্ৰেট্ৰোল আদিৰ দাম বৃদ্ধি হোৱাৰ ফলত উপাৰ্জনৰ মাত্ৰা কমি গৈছে। লগে লগে এক সমস্যাৰ সৃষ্টি হৈছে। এনে ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা গ্ৰহন কৰি চলাফুৰাৰ সুবিধা কৰি দিব বুলি চৰকাৰৰ দৃষ্টি গোচৰৰ বাবে এইখিনি কথা উত্থাপন কৰিলো।

শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ সন্দৰ্ভত মই কেইআষাৰ মান কথা পঢ়ি দিছো।

যোৱা নবেম্বৰ মাহৰ তিনি তাৰিখৰ পৰা পেট্ৰলৰ দাম শতকৰা ৬২.১ ভাগ, মবিলৰ দাম শতকৰা ৭'৫ ভাগ আৰু ডিজেল তেলৰ দাম শতকৰা ৭'৮ ভাগ বৃদ্ধি পাইছে। অৱশ্যে কেইদিনমান পিছতেই অসাধু ব্যৱসায়ীবোৰে যাতে ডিজেলতেল কেৰাচিনৰ লগত মিহলি কৰিব নোৱাৰে সেই অৰ্থে ডিজেল তেলৰ মূল্য শতকৰা প্ৰায় ১১'৪ ভাগ (অৰ্থাত ৯৬ পইচাৰ পৰা ৮৫ পইচালৈ) কমাই কেৰাচিনৰ দামৰ সমতূল্য কৰা হৈছে।

মূল্য বৃদ্ধিৰ আগেয়ে পেট্ৰলৰ মূল্য প্ৰতি লিটাৰত ১.৬৯ পইচা আছিল এতিয়া তাৰ দাম হলগৈ প্ৰতি লিটাৰত ২'৭৪ পইচা। মবিলৰ দাম আছিল লিটাৰত ৪ টকা - এতিয়া তাৰ দাম হ'ল লিটাৰত ৪'৩০ পইচা।

এই মূল্য বৃদ্ধিৰ বাবে স্বাভাৱিকতে টেক্সী, অটোৰিক্সা আৰু পেট্ৰলৰে চলা আন আন যান বাহনবোৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ইতিমধ্যে যোৱা 4 নবেম্বৰৰ পৰা গুৱাহাটীৰ টেক্সী চালক সন্থাই টেক্সী ভাড়া শতকৰা ৫০ ভাগ বৃদ্ধি কৰিছে। আৰু অটোৰিক্সা চালক সন্থাই ৬ নবেম্বৰৰ পৰা প্ৰতি কিলোমিটাৰত ৩৫ পইচাৰ পৰা ৪০ পইচালৈ বৃদ্ধি কৰিছে। এই সম্পৰ্কে অৱশ্যে এই সন্থা দুটাই চৰকাৰৰ পৰা কোনো অনুমতি লোৱা নাই। আনহাতে পেট্ৰলচালিত চিটিবাচৰ মালিক সকলে ভাড়া বৃদ্ধি এতিয়ালৈকে কৰা নাই।

ইতিমধ্যে মূল্য বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত পেট্ৰলচালিত যানবাহন বোৰৰ ভাড়া বৃদ্ধি কৰাৰ সম্পৰ্কে যান বাহনৰ মালিক আৰু চৰকাৰৰ মাজত আলোচনা চলি আছে। মালিক সকলে যাতে টেক্সী লৰী আদিৰ ভাড়া মধে মধে আৰু অযুক্তিৰ ভাৱে নবঢ়াই সেই সম্পৰ্কে চকু ৰাখিবলৈ জিলা পৰিবহন বিষয়া সকলক নিৰ্দ্দেশ দিয়া হৈছে।

গুৱাহাটী চহৰত টেক্সী সংখ্যা ৩০৯ খন। পেট্ৰলৰ মূল্য বঢ়াৰ ফলত টেক্সী চালক সকলে ভাড়া বৃদ্ধি কৰাৰ বাবে অৱশ্যে গুৱাহাটী চহৰত টেক্সীৰ চলাচল অলপ কমা বুলি জনা গৈছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে মূল্য বৃদ্ধিৰ আগেয়েও কলিকতা-গুৱাহাটী ৰাস্তাত চলি থকা দিজেল চালিত মালবাহীলৰী বোৰৰ ভাড়া একো নিৰ্দ্দিষ্ট নাছিল। কিয়নো পূৰা ভাড়া পোৱাটো দুয়ো ফালে পোৱা বস্তুৰ পৰিমানৰ ওপৰতহে নিৰ্ভৰ কৰে। মালবাহী লৰীবোৰ এতিয়াও আগৰ দৰেই কোনো নিৰ্দ্দিষ্ট ভাড়া নোহোৱাকৈয়ে চলি আছে।

তুলনামূলক ভাৱে আন ৰাজ্যত পেট্ৰলৰে চলা বাচ বা লৰীৰ সংখ্যা তেনেই তাকৰ সেই গতিকে সেইবোৰ ঠাইত পেট্ৰলৰ মূল্য বৃদ্ধিৰ পিচতো ভাড়া বৃদ্ধি হোৱা পৰিলক্ষিত হোৱা নাই।

কিন্তু কলিকতা নগৰত টেক্সীৰ ভাড়া শতকৰা ৩৩⅓ ভাগ পৰ্য্যন্ত বৃদ্ধি হোৱাৰখবৰ পশ্চিম বঙ্গ চৰকাৰৰ পৰা পোৱা হৈছে।

## ADJOURNMENT

The House was then adjourned till 10 A. M. onWednesday the 29th November, 1973.

Dispur
The 28th November 1973

P. D. Barua
Secretary,
Legislative Assembly Assam.

REFERENCE
Not for Issue
A. L. A. Library